
# বি, এইচ, কলেজ আলোচনী

B. H. COLLEGE LIBRARY
P.O. HOWLY
Dist. Barpeta (Assam)
PIN -
Doc. No. ..................
Acc. No. ..................



6

সম্পাদক: ধ্রুব কুমার তালুকদার

NOT FOR ISSUE

# বি, এইচ্, কলেজ আলোচনী

ত্ৰয়োদশ সংখ্যা

১৯৮৬-৮৭ ইং চন

B. H. COLLEGE LIBRARY
P. O. HOWLY.
Dist. Barpeta Assam )
Estd. : 1966
Dept. No. P 1655
Acc. No. 1655

B. H. COLLEGE LIBRARY
ESTD.: 1966
P.O.-HOWLY :: BARPETA :: ASSAM

B. H. COLLEGE LIBRARY
Class No.
Book No. 6
Acc. No.

সম্পাদক—
প্ৰণৱ কুমাৰ তালুকদাৰ

তত্বাৱধায়ক—
অধ্যাপক খগেশ্বৰ নাথ

# বি, এইচ্, কলেজ আলোচনী

( ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ )

ত্ৰয়োদশ সংখ্যা : ১৯৮৬-৮৭ চন

সম্পাদনা সমিতি

অধ্যক্ষ সত্যনাথ দাস ( সভাপতি )

অধ্যাপক খৰ্গেশ্বৰ নাথ ( তত্বাৱধায়ক )

ধ্ৰুৱ কুমাৰ তালুকদাৰ ( সম্পাদক )

আব্দুচ চামাদ আহ্মেদ ( সহঃ সম্পাদক )

সদস্য সকল :

উপাধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ দাস
অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামী
" অমল চন্দ্ৰ ভৌমিক
" গুঞ্জন চন্দ্ৰ নাথ
" অতুল চন্দ্ৰ বৰ্মন
" ঘনশ্যাম নাথ
" নবীন ভট্টাচাৰ্য
অধ্যাপিকা ফুল কুমাৰী কলিতা
প্ৰতাপ দাস

বেটুপাত : পঙ্কজ পদ চৌধুৰী

অলংকৰণ : বেণুধৰ দাস, মনজিৎ দাস, গোপেশ্বৰ ভৰালী আৰু সম্পাদক

অংগ সজ্জা পৰিকল্পনা : সম্পাদক

ফটো : চিত্ৰছায়া, বৰপেটা ৰোড

বেটুপাত মুদ্ৰণ আৰু ব্লক :
সীমান্তিকা প্ৰিন্টাৰ্চ, গুৱাহাটী

বন্ধোৱা : অৰিয়েণ্ট বুক বাইণ্ডিং, বৰপেটা

ছপাশাল : জনসেৱা প্ৰেছ, বৰপেটা

কৃতজ্ঞতা স্বীকাৰ :

আলোচনী সম্পাদনা সমিতি ।

সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী ।

বেটুপাত আৰু অলংকৰণ শিল্পী ।

লেখক-লেখিকা ।

দেৱৰাজ ডেকা, নয়ন কুমাৰ মেধি, মুনীন বায়ন ( নতুন দৈনিক ), ফাৰহাদ উল্লা, নগেনদা ( কেন্টিন ), কুশলদা, প্ৰাণজিৎদা, চন্দনদা, কুলদা, ।

বন্ধু— স্বামী, ভগ, ধীৰাজ, নৱ, নলিন, হীৰু, বাতুল, দ্বিজ, চান্টু, বিজয়, দীপক, প্ৰদীপ, মন্টু, মুকুল ( ভাগিনা ), গোবিন্দ, সুৰেশ, ৰাজকুমাৰ, দ্বিজেন, কৌশিক আৰু গৌতম ।

চিত্ৰছায়াৰ চেন্টুদা ।

জনসেৱা প্ৰেছৰ গদাধৰ দাস আৰু কৰ্মীবৃন্দ ।

B. H. COLLEGE LIBRARY
P. O. HOWLY.
Dist. Barpeta Assam)
Estd. : 1966
Dept. No. ........
Acc. No. ........

উৎসৰ্গ :

আমাৰ কলেজৰ ছাত্ৰ
কমল চন্দ্ৰ বায়ন
আৰু
আমাৰ কলেজৰ কৰ্মচাৰী
মহেন্দ্ৰ বাহাদুৰৰ
স্মৃতিত ।

শ্ৰদ্ধাৰে স্মঁৱৰিছো—

সাহিত্যিক সমালোচক ত্ৰৈলোক্য নাথ গোস্বামী

কবি, গণশিল্পী হেমাংগ বিশ্বাস

শিল্পী হৰেন্দ্ৰ নাথ ৰায়চৌধুৰী

সাহিত্যিক ৰামমল ঠাকুৰীয়া

অভিনেত্ৰী ইভা আচাও

সাহিত্যিক অৰ্জুন চন্দ্ৰ দাস

সাহিত্যিক শ্ৰীৰাম চন্দ্ৰ দাস

সাংবাদিক হৰেন্দ্ৰ নাথ বৰুৱা

B. H. COLLEGE LIBRARY
P. O. HOWLY.
Dist. Barpeta Assam )
Estd. : 1966
Dept. No. 91655
Acc. No. 1655

# সূচীপত্ৰ

সম্পাদকীয়—

সহকাৰী সম্পাদকৰ কলম ঃ

**প্ৰবন্ধ ঃ**

| | | |
|---|---|---|
| ১। অসমীয়া জন-সাহিত্যত — বিয়ানাম | ৰাজেন শৰ্মা | ৯ |
| ২। নিৰ্জনতাৰ কবি নীলমণি ফুকনৰ কবিতা | ধ্ৰুৱ কুমাৰ তালুকদাৰ | ১২ |
| ৩। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষীয়া ধৰ্ম সম্প্ৰদায় | অধ্যাপক অমল চন্দ্ৰ ভৌমিক | ১৬ |
| ৪। কবি গণেশ গগৈৰ কবিতাৰ প্ৰতি আলোকপাত | বংকিম ভাগৱতী | ২৭ |
| ৫। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত মুক্তি-পথ | অৰবিন্দ নাথ | ৩২ |

**এখন চুটি উপন্যাস ঃ**

| | | |
|---|---|---|
| এক্সাৰৰ সীমাৰে | প্ৰতাপ দাস | ৩৮ |

**কবিতা ঃ**

দুঃসময়ৰ কবিতা, ব্যৰ্থতা, এই সময়, অখ্যাত কবিৰ কবিতা পঢ়ি, সংকল্প, গাওঁৰ হেৰোৱা সুৰ, সাহিত্য চ'ৰাৰ পৰা নিৰ্বাচিত কবিতা। এতিয়া মোৰ সুতীক্ষ্ণ দুচকুত, নিজৰেই। — ৪৫-৪৮

**গল্প ঃ**

| | | |
|---|---|---|
| ১। এটা নগ্ন নাৰীদেহ, এজনী গাভৰুৰ সাজ আৰু মোৰ গল্প | ভাস্কৰজ্যোতি দাস | ৪৯ |
| ২। নিৰবে চকুলো সৰে | সুনীতি কলিতা | ৫২ |
| ৩। বামমেটৰ্লে | জ্যোৎস্না দাস | ৫৫ |

**শায়েৰী ঃ**

**বিশেষ ৰচনা ঃ** — ৫৮

| | | |
|---|---|---|
| ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত | হিতেশ দাস | ৫৯ |

**বিভাগীয় প্ৰতিবেদন ঃ** — ৬৩-৭৯

| | |
|---|---|
| সাহিত্য চ'ৰাৰ মঞ্চৰ পৰা | ৮০ |
| ফলাফল | ৮২ |
| পটন্তৰ / কৌতুক | ৮৬ |

# ঃ সম্পাদকীয়ৰ পৰিবৰ্তে মোৰ মনৰ কথা ঃ

'No reformation is possible without a renaissance"— হেগেল।

চকুৰখনৰ পাঁচ আঙুলি চাৰিওফালে থকা আত্মীয়বিলাকৰ সম্মুখত বা টিভিৰ স্কুলৰ সম্মুখত থকা বেমিলৰ বাহি বা পত্ৰিকাত থকা আঁখৰত পছন্দৰ ভুলত ইংৰাজীমাধ্যমৰ যুৱকে চিঞৰি চিঞৰি কথা পাতিছে। তেওঁলোকৰ আলোচনা দুই এজন ঘাতক আৰু দুই এজন ঘাতকৰ হাস্য। তেওঁলোকৰ এই কথাবোৰত ব্যক্ত হৈ পৰিছে— ক্ৰোধ, বিদ্বেষ, ঘৃণা ইত্যাদি...। বিষয় বস্তু— বিধ্বস্ত সমাজ ব্যৱস্থা, বিপন্ন এচাম নাগৰিক (বিশেষ শ্ৰেণীৰ কৃষক, শ্ৰমিক, ব্যৱসায়ী), দেশৰ গণতন্ত্ৰ আৰু ৰাজনীতি, জাতীয় সংস্কৃতি, প্ৰেম-প্ৰীতি ইত্যাদি। এই গোটেইবোৰ কথোপকথনৰ মাজত, এক উন্মাদৰ দৰেই গা-কৰি উঠিছে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ। প্ৰশ্নটো — 'আপোনা আমাৰ কি' বা 'ভৱিষ্যত আমাৰ কোন পথে?'

মইও তেওঁলোকৰ মাজৰে এজন।

আমাৰ এইচাম নতুন পুৰুষ (যুৱক / যুৱতী)ৰ ওপৰত সমাজৰ এচাম মানুহৰ অভিযোগ বহুত। বাধৰি কাৰণত, আলোচনী আনিব আমাৰিলে নিজেৰ কথা বিশ্ব-শৰৰ তৰফত আমি নিজকে বুজাই থাকিব লগা অৱস্থা। এইটো স্বীকাৰ্য যে পাশ্চাত্যৰ অন্ধঅনুকৰণ, ব্যক্তিচৰিত্ৰ আৰু ৰাজনীতিৰ পাকচক্ৰই আমাক অন্ধকাৰৰ মাজলৈ ঠেলি নিয়াৰ লগতে আমাৰ জাতীয় সংস্কৃতিক লাহে লাহে পতনমুখী কৰি তুলিছে। আমি নিজকলৈ ইমান ব্যস্ত হৈ পৰিছো যাৰ ফলত এই দুঃসময়ত দেশ আৰু দশৰ কথা পাহৰি পেলাইছো। যিটো আমাৰ গোটেই সমাজখনৰ বাবেই মঙ্গলজনক নহয়।

প্ৰশ্ন হ'ল— ইয়াৰ প্ৰতিকাৰ জানো নাই?

এই নতুন পুৰুষৰ এচামে আমাৰ জাতীয় সংস্কৃতি মহীয়ান কৰাৰ চেষ্টা কৰা নাই জানো? হৰদত্তীয়া পথআন্দোলনত এইচাম নতুন পুৰুষৰ ত্যাগ আৰু সাহসিকতাক কোনে উৱাই কৰিব। ইতিহাসত হয়তো এনে এচাম নতুন পুৰুষেই সাহিত্য, সংস্কৃতি, শিল্প-কলাক জীয়াই ৰাখিছিল। আজি আমি যাক পতনমুখী বুলি ভাবিছো সি প্ৰকৃততে পতনলৈ নে পৰিবৰ্তনলৈ? ড° হাজৰিকাই কৈছে— 'পুৰণি পুৰুষে কৰা কিছু ভুল নতুন পুৰুষে শুধৰাব লাগিব।'



আমি অতি বিশ্বাস আৰু আগ্ৰহেৰে কব খোজো আমাক এটা সুস্থ নেতৃত্ব লাগে (যাৰ সমাজ সচেতনতা, মানৱতাবোধ আৰু ব্যক্তিত্ব বিদ্যমান। যিয়ে নেকি তথাকথিত নেতাসকলৰ দৰে ব্যক্তিগত স্বাৰ্থপূৰণাৰ্থে আমাক, সমাজখনক বিশ্বাসঘাতকতা নকৰিব।)। আৰু লাগে এটা ভাল পৰিবেশ। এই কথাটো সত্য যে নেতৃত্ব আৰু পৰিবেশ গঢ়াৰ প্ৰধান দায়িত্ব আমাৰ হাতত। এনে ক্ষেত্ৰত অগ্ৰজসকলৰ সহায় আৰু মনন আমাৰ বাবে হব এক বিপুল মহামূল্য অস্ত্ৰ।

সত্যৰ সংগ্ৰাম যিমানেই কষ্টকৰ, জয় অনিবাৰ্য।

পৰিবৰ্তন এদিন আহিব। আমাৰ জাত অজাত ভুলৰ এদিন অৱসান ঘটিব।

আমি আশাৰে বাট চাই আছোঁ। এটা আমূল পৰিবৰ্তন হব লাগে। এটা নতুন বিপ্লৱৰ সূচনা হব লাগে। যি বিপ্লৱে সমাজ, জাতি-সংস্কৃতি, কলা-সাহিত্যৰ সৰ্বাংগ উন্নতি সাধিব।

## আমাৰ কলেজৰ নৱ লেখক-লেখিকাসকলৰ প্ৰতি—

॥ প্ৰেম দিয়াটো সব মানুহৰ জীৱন শুৰু হয় ॥

— বীৰেন্দ্ৰ চট্টোপাধ্যায়।

সাহিত্যৰ লগত প্ৰেমৰ এক নিবিড় সম্বন্ধ আছে। সাহিত্য যেনেকৈ সাধনা, তেনেকৈ প্ৰেম,। কিন্তু সেই প্ৰেমক ঠেক গণ্ডীৰ মাজতে চাকি ৰাখিলে সেই প্ৰেম পৈশাচিক হবলৈ।

আমাৰ নতুন চাম লেখক-লেখিকাৰ কবিতা, গল্প আদি লিখনিত কেৱল ব্যক্তিগত প্ৰেমৰ সুখ-দুখ, ক্ৰোধ-ঘৃণা আৰু অভিমানেৰে পূৰ্ণ (অৱশ্যে কাৰো কাৰো ক্ষেত্ৰত ই এক ব্যতিক্ৰম)। আমি তেওঁলোকক এই ঠেক পৰিধিৰ পৰা ওলাই অহাটো বিচাৰো। ব্যক্তিগত প্ৰেমৰ মাজতেই উঠি আহি তেওঁলোকে নিজৰ দেশখনৰ, নিজৰ মানুহখিনিৰ কথা চিন্তা কৰক। কাৰণ বাস্তৱৰ পৃথিৱীখন আমাৰ বাবে কিমান ভয়াবহ হৈ উঠিছে তাক কোৱাৰ প্ৰয়োজন আৰু নাই। এইটো কবই লাগিব যে ডেকা বয়সত প্ৰেম আৰু কল্পনাৰ মাজত বুৰ গোৱাটো অস্বাভাৱিক নহয়। কিন্তু এই দুৰ্যোগৰ সময়ত প্ৰেম আৰু কল্পনাক বিলাস-বৈভৱত ডুবাই নিদি উঠি আহোঁ সময়-সাপেক্ষ নহয় নিশ্চয়? নাঙঠ হৈ পদপথত পেটৰ ভোকত কলমলাই থকা ডেকাসকলে প্ৰেম-প্ৰণয়ৰ কথা কলে আমি বাহাদুৰি বুলি নকওঁ জানো?

প্ৰবন্ত কুমাৰ তালুকদাৰ।

সহঃ সম্পাদকীয়

## যুৱশক্তি আৰু সন্ত্ৰাসবাদ

আজিৰ পৃথিৱী হিংসাৰ পৃথিৱী। আজিৰ পৃথিৱী মানৱতাক জলাঞ্জলি দি দানৱতাক আঁকোৱালি লোৱা পৃথিৱী। সভ্যতাৰ নামত কলংকসনা কুৰি শতিকাৰ নাওঠ তথা বৰ্বৰ জগতৰ বাসিন্দা আমি।


আজি পৃথিৱীৰ একাষে যুদ্ধৰ বিভীষিকা, সন্ত্ৰাসবাদ, হিংসা, শোষণ, উৎপীড়ন, বৰ্ণ বৈষম্য, প্ৰতিদিনে হাজাৰ হাজাৰ নিৰীহ তথা নিষ্পেষিত জনতাৰ মৃত্যুবৰণ; সভ্যতাৰ নামত উলংগ দেহাৰ প্ৰতিযোগিতা আদি কু-সংস্কাৰে পৃথিৱীখনক তমসাচ্ছন্ন অতল গহ্বৰৰ ফালে ঠেলি নিছে। ইৰাণ-ইৰাকৰ ভাতৃঘাতী যুদ্ধ, শ্ৰীলংকা, পাঞ্জাব আদি ঠাইত সন্ত্ৰাসবাদীৰ হাতত দৈনিক হাজাৰ হাজাৰ নিৰীহ জনতাৰ মৃত্যুবৰণ, দক্ষিণ আফ্ৰিকাৰ বগা ভালুকহঁতে মানৱতাক পদাঘাত কৰি কৃষ্ণাংগহঁতক কৰা শোষণ তথা অত্যাচাৰ, পেলেষ্টাইনি সকলৰ ওপৰত ইজৰাইলৰ বৰ্বৰ আক্ৰমণ আদি ঘটনাৰ নায়কহঁতক কেতিয়াও মানৱতাৰ দৃষ্টি কোণৰ পৰা বিচাৰ কৰি চালে সভ্য জগতৰ সভ্য মানুহ বুলি স্বীকৃতি দিব নোৱাৰি। বিশ্বৰ একাষে শান্তিৰ নামত নিৰস্ত্ৰীকৰণ তথা আনফালে বছৰি এককোটি ডলাৰ অস্ত্ৰ-শস্ত্ৰৰ তৈয়াৰ কৰাৰ বাবদ খৰচ। এই কোটি কোটি টকা যদি মাৰণাস্ত্ৰৰ নামত খৰচ নকৰি দুখীয়া তথা দাৰিদ্ৰৰ সীমাৰেখাৰ তলত বসবাস কৰা দেশ সমূহক মানৱতাৰ খাতিৰত দান কৰিলেহেঁতেন তেন্তে নিশ্চয় পৃথিৱীত যুদ্ধ-বিগ্ৰহৰ পৰিবৰ্তে শান্তি স্থাপন হ'লহেঁতেন। সেয়ে এই কু-সংস্কাৰ তথা ধ্বংসাত্মক কাৰ্যৰ বিৰুদ্ধে আজিৰ যুৱশক্তি ঐক্যবদ্ধ প্ৰচেষ্টাৰে জেহাদ ঘোষণা কৰিবৰ হ'ল। জাতিৰ দাপোণ তথা মানৱতাৰ প্ৰতীক সাহিত্যৰ জৰিয়তে যুৱক সকলে মানৱতাবাদী লিখনিৰ দ্বাৰা এক নতুন বিপ্লৱ গঢ়ি তুলিবৰ হ'ল। বৰ্ত্তমান জটিল পৃথিৱীত যুৱক-যুৱতীয়ে প্ৰিয়াৰ ৰূপৰ প্ৰশংসা কৰি সাহিত্য ৰচনা কৰিলে নচলিব। তেওঁলোকে সংস্কাৰক শ্ৰেণীয়ে ভৱিষ্যতবাণী কৰা এক সুখ-শান্তি, শোষণ উৎপীড়নহীন, আদৰ্শ পৃথিৱী গঢ়াৰ বাবে বিশ্বজনমত গঢ়ি তুলিব লাগিব— তেহে শান্তি স্থাপন হ'ব। সেয়েহে লেখক-লেখিকা বা যুৱক-যুৱতীহঁতে গঠনমূলক লিখনিৰ দ্বাৰা সমাজ তথা দেশৰ কু-সংস্কৃতিবোৰ দূৰ কৰিবলৈ চেষ্টা কৰা উচিত।

আব্দুচ ছামাদ আহমেদ।
সহঃ সম্পাদক, আলোচনী বিভাগ।



# প্ৰবন্ধ

B. H. COLLEGE LIBRARY
P. O. HOWLY.
Dist. Barpeta Assam)
Estd. : 1966
Dept. No.....
Accs. No.....



"নিজৰ ভাষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতিৰ নিৰ্টোল পৰিশুদ্ধি ৰাখি নিজৰ দেশ আৰু জাতীয় সত্তা ৰক্ষা কৰি নিজ দেশত গৌৰৱময় প্ৰতিষ্ঠাৰে জী থকাটোৱে চিৰন্তন ধৰ্ম-কৰ্ম সকলোৰে মূল। এই সাধনাৰ সাফল্য-কৃত হয় দেশবাসীৰ অদম্য কৰ্ম-স্পৃহা আৰু শ্ৰম-প্ৰিয়তাত, এই কৰ্ম-স্পৃহা আৰু শ্ৰমপ্ৰিয়তা সদায় জীয়াই ৰাখে কালজয়ী জাতীয় সাহিত্যই।"

— অম্বিকাগিৰী ৰায়চৌধুৰী।

B. H. COLLEGE LIBRARY
P. O. HOWLY,
Dist. Barpeta Assam)
Estd. : 1966
Dept. No.........................
Accs. No.........................

# অসমীয়া জন সাহিত্যত—বিয়ানাম

□ ৰাজেন শৰ্মা।

খৃষ্টীয় দশম-একাদশ শতিকাৰ আগতে অসমীয়া বুলি এটা স্বতন্ত্ৰ ভাষা নাছিল। গতিকে ভাষাই যেতিয়া সৃষ্টি হোৱা নাছিল; সাহিত্য সৃষ্টি হব ক'ৰ পৰা। তথাপি ভাষাই লিখিত ৰূপ পোৱাৰ আগতে কোনো সাহিত্য সৃষ্টি হোৱা নাই— এনে কথা নহয়। আমাৰ পৰ্বতীয় জাতি-বোৰৰ বহুতৰে লিখিত সাহিত্য নাই অথচ মুখে মুখে চলি অহা কিছুমান গীত-মাত, প্ৰবচন, সাধুকথা আদি থকাৰ প্ৰমাণ পোৱা যায়। এইদৰে দেখা যায় যে সকলো জাতিৰ সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে এনে ধৰণে গীত-মাত, প্ৰবচন, সাধুকথা আদি চলি অহাৰ প্ৰমাণ পোৱা যায়। আমাৰ অসমীয়া সাহিত্যতো তেনে ধৰণে গীত, প্ৰবচন, সাধু-কথা আদিৰ প্ৰচলন আছিল যিবিলাক আজিও আমাৰ জন-সমাজত চলি আহিছে। তথাপি মুখে মুখে চলি অহা এই গীতবোৰৰ বিভিন্ন যুগৰ পৰিবেশৰ পৰশত ভাষাৰ সাজ-সজ্জাৰ আদিৰ পৰিৱৰ্তন ঘটিছে।

জন সাহিত্য ৰাইজৰ, বিশেষকৈ নিৰক্ষৰ জন সমাজৰ ৰচনা। আনহাতে জন সাহিত্যৰ পটভূমি মূলত গাওঁ আৰু পথাৰ। ই সাধা-ৰণতে জন-সাধাৰণৰ সুখ-দুখ, প্ৰেম-বিৰহ, আশা-নিৰাশা, কাম কাজ আদিৰ প্ৰতিনিধিত্ব কৰে। অসমীয়া জন-সাহিত্যৰ বিভিন্ন ধৰণৰ গীত বিলাকৰ ভিতৰত বিয়ানাম, আইনাম, নিচুকনি গীত, অপেচৰা সবাহৰ গীত আদি উল্লেখযোগ্য। আমি ইয়াত বিয়ানাম সম্পৰ্কেহে আমাৰ চেৰেক আলোচনা কৰিম।

অসমীয়া জনগীতৰ ভিতৰত বিয়ানাম অন্যতম। সনাতন ৰীতিৰ বিবাহ নামৰ অনু-ষ্ঠানটিৰ গহনা পিন্ধোৱা, তেলৰ ভাৰ দিয়া, পানী তোলা, ধুওৱা, সুৱাগ তোলা, হোমৰ জুৰিত বহা, আঙুঠি লুকোৱা, আদি কেইবাটাও স্তৰৰ মাজেদি বিয়ানামবোৰ গোৱা হয়। গহনা পিন্ধোৱা দিনৰে পৰা দৰা আৰু কইনাৰ ওচৰ-চুবুৰীয়া আয়তীসকলে বিয়ানামৰ আখৰা কৰে। বিয়া-নামবোৰত হৰ-গৌৰী, শ্ৰীকৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা আদি চৰিত্ৰ সোমাই অনুষ্ঠান অধিক সজীৱ আৰু আকৰ্ষণীয় কৰি তোলে। যেনে—

"দৈ দুগ্ধ ঘৃত মধু লৈ যাবা সাদেৰি।
হেমন্তৰ ঘৰে আছে পাৰ্বতী সুন্দৰী॥
আমি খোজো পকা ডালিম, আনিদিবা বেল।
তেলোৰ ভাৰোতে দিবা লাগে চিকণ গোন্ধ তেল॥"

বিয়ানামবোৰত যদিও হৰ-গৌৰী বা কৃষ্ণ-

কল্পিনীক নায়ক-নায়িকা কৰা হয় তথাপি বৰ্ণনা-ৰোৰৰ মাজত অসমীয়া ৰীতি-নীতিৰ পৰিচয় পোৱা যায়। কামৰূপ আৰু উজনি অসমৰ গীত বিলাকৰ মাজত ভাষাগত পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। উজনি অসমত সাধাৰণতে বিহুৰ প্ৰভাৱ অনন্য। সেই কাৰণে বিয়ানাম-বোৰত বিহুগীতৰ প্ৰভাৱ দেখা পোৱা যায়। উদাহৰণ স্বৰূপে—

"চন্দ্ৰায় তুমিলে চতুৰি পোৱালি
গছৰ ডাল গুৱনি কৰি
আমাৰ আইদেউক মাকে তুলিলে
লোকৰ ঘৰ শুৱনি কৰি।"

সাধাৰণতে কন্যা হোমৰ পৰিষৈ অনাৰ পিছত উলিয়াই নিয়াতৈকে বিবাহ বিয়ানাম গোৱা হয় সেইবিলাক কৰুণ ভাবাত্মক। বিয়া নামবোৰত বহুসময়ত কন্যাপক্ষীয় আয়তীসকলে কইনাৰ ৰূপ-লাৱণ্যৰ বৰ্ণনা কৰে। সেইবোৰৰ ভাষা নিৰ্ভাপন আৰু ছন্দনাময়। কামৰূপীয় বিয়া-নামত পোৱা একটি গীত যেনে—

"সখী সখিয়ে এৰে কিয়া বিপৰীত।
আকাশৰ চন্দ্ৰ আহি পৰিলা ভূমিত॥
মুখখনি কমলীয়া কঁকালখনি সৰু।
খাপত হাসি পৰে হৰেধ উজৰু॥
গধূ ঘৰে খনপত্তা কঁকালতে হাৰ।
খামত পৰি আছে সোণাৰ পেচনাৰ॥

কেতিয়াবা বিয়ানামত সম-সাময়িক সমাজৰ কিছুমান চিত্ৰ দাঙি ধৰা হয়। আনকি স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ প্ৰভাৱো বিয়ানামবোৰত সোমাই পৰিছিল। ইয়ে প্ৰমাণ কৰে যে সমাজৰ লোকত সাহিত্যই লোক সমাজ। আনহাতে ভাষাই আধুনিক সময় সম-সাময়িক সমাজৰ প্ৰতিচ্ছবি গীতবোৰৰ মাজেদি ফুটাই তোলে। বিয়ানামৰ সামাজিক গুৰুত্ব অতি ব্যাপক।

বিয়া নামৰ ভিতৰত যোৰানাম বা নামনি অসমত খিচা গীত অন্যতম। ইয়াক নিন্দাগীত বুলিও কব পাৰি। বিয়াৰ দিনা কইনাঘৰত দৰা ঘৰীয়া আৰু কইনাঘৰীয়া নাগতীসকলৰ মাজত এই নিন্দাগীতৰ প্ৰতিযোগিতা চলে। এই শ্ৰেণীৰ গীতে সাধাৰণতে সমগ্ৰলোক আনন্দ দিয়ে যদিও কেতিয়াবা ই তিক্ততাও সৃষ্টি নকৰাকৈ নাথাকে। এই গীতবোৰৰ যোগেদি দৰাঘৰীয়া নামতীসকলে দৰাৰ গৌৰৱ আৰু কইনাঘৰীয়া নামতীসকলে কইনাৰ গৌৰৱ বৰ্ণনা কৰে। যোৰানামত এদলে এবাৰ নিন্দাসূচক গীত গোৱাৰ পিছত আনদলে প্ৰত্যুত্তৰত আন এবাৰ নিন্দাসূচক গীত গায়। এইদৰে প্ৰতি-যোগিতা চলি থাকে—

"বৰকন্যা-যোৰেনাৰ জোকা ধৰি হৰি
ঐৰাম বৰকন্যা-যোৰেনাৰ জোকা হৰিছে।
হোমৰ খৰিয়ে দৰাটো বহিছে
ঐৰাম নাকত সেঙুনৰ খোপাহে॥
পাগো আনিলা মেকুৰী কৰীয়া
ঐৰাম তামোল আনিলা খেনা।
কেনি পাব মূঠা দৰাৰে কন্যাকে
ঐৰাম দিনতে চুচুৰু কণা॥"

যোৰানামত উপস্থিত বুদ্ধিৰ প্ৰয়োজন। কাম-ৰূপত খিচা গীতৰ অৰ্থহেনো আমনি দিয়া বা খাতিবাজ কৰি তোলা। সেয়ে গীত বোৰৰ নিন্দাসূচক শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। যোৰানামত মূল বক্তব্যবিলি প্ৰকাশৰ নিমিত্তে নিহলীতৰ নিচিনা অতিৰিক্ত শব্দ চয়ন ব্যৱহাৰ কৰিব দেখা যায়। যেনে—

"আইধানৰ মাজে সকল কাঠৰ মূৰা।
আইদেওক দৰা পাইছে বাপেকতোকৈ বুঢ়া॥"

ইয়াত মূল বক্তব্য অৰ্থাৎ "দৰাটো বাপেকতকৈ বুঢ়া।" এই কথাষাৰ প্ৰকাশ কৰিবৰ নিমিত্তে "আইধানৰ মাজে মাজে সকল কাঠৰ মূৰা" এই অতিৰিক্ত শব্দ চয়ন ব্যৱহৃত হৈছে। যোৰা-নাম বোৰো সমাজৰ লোকৰ ৰূপায়ণ ঘটে।



বৰ্তমান মানুহৰ চলন-ফুৰণ, সাজ-পোছাক আদিৰ পৰিবৰ্তনৰ দিনত গীতবোৰৰ ভাষাৰো পৰিবৰ্তন ঘটিছে। গীতবোৰত কিছুমান বিদেশী শব্দও সোমাই পৰিছে—

"মাইক বেণ্ড বাজিছে, কাণ তাল মাৰিছে,
দৰা ধৰা মানুহজনক কটিপাৰ্ট যেন লাগিছে।"

যোৰানামৰ আন এটা বৈশিষ্ট্য হৈছে ইয়াত বিয়ান দৰা যায় নিকৃষ্ট বস্তু বা নিম্ন বস্তুৰ লগত তুলনাৰ দ্বাৰা বিপক্ষক সতকাণ কৰি তোলা হয়। আমাৰ বৰপেটা অঞ্চলত প্ৰচলিত এনে বিয়ানামৰ নমুনা যেনে—

"আজু কাটো দম দম, কচু কাটো দম দম।
দৰা ঘৰৰ ছোৱালী কেইটাক শাকখানাত
পুতি থম॥"

সাধাৰণতে এই দুবিধ বিয়ানামৰ উপৰিও তেখু-লীৰ বিয়া পাতি গোৱা আন এবিধ বিয়ানামো অসমীয়া সাহিত্যত দেখিবলৈ পোৱা যায়। বৰষুণ নহ'লে খেতিৰ অনাথ হোৱাৰ সম্ভাৱনা দেখিলে মানুহে বৰষুণ নমাবলৈ কিছুমান বিশেষ অনুষ্ঠান পাতে। তেনেকৈ এই উদ্দেশ্যে মানুহে সৰ্বত্ৰে তেকুলী বিয়া পাতে। জনবিশ্বাস যে তেকুলীয়ে টোৰটোৰাৱে বৰষুণ আহে, পত্নিকে তেকুলীক সন্তুষ্ট কৰিব পাৰিলেই বৰষুণ হয়। সেয়ে বাবিয়া বৰষুণৰ অভাৱত দুটা তেকুলী ধৰি আনি শাস্ত্ৰমতে তাৰ বিয়া পাতি দিয়া হয়। সাধাৰণ বিয়াৰ দৰে শাস্ত্ৰীয় পদ্ধতিৰে এই বিয়া সম্পন্ন কৰা হয়। তেকুলী বিয়াৰ নামবোৰ যেনেকুৱা ধৰণৰ—

"ৰাম ৰাম। তেকুলীৰ বিয়ালৈ
,, আহে ইন্দ্ৰদেৱ
,, বতাহ ধৰধুমত ভিতিৰে
,, খৰ্গৰ অপেশ্বৰী
,, নামি আহিছে
,, তেকুলীৰ বিয়া শুনিছে॥
,, দেখি মহাদেৱে
,, তেকুলীৰ বিয়া
,, হৈছে সজে-বলি চাইছে
,, তেনেকুৱা বিয়া
,, ক'তো নাইকিয়া
,, আজি দেখিবলৈ পাইছে॥"

এইদৰে বহুতো বিয়ানাম আমাৰ জনসমাজত প্ৰচলিত হৈ আছে। বিয়া নামবোৰৰ সাহি-ত্যিক মূল্য কোনো গুণে কম নহয়। আধুনিক জনসমাজত এই প্ৰাচীন জনগীত সমূহৰ চৰ্চা নহ'লেও ইয়াৰ জনপ্ৰিয়তা অতুলনীয়। সেয়েহে ক'ব পাৰি যে বিয়ানাম বোৰৰ চৰ্চা আৰু প্ৰচাৰে অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰত নিশ্চয়কৈ বৃহৎ অৰিহণা যোগাব— ইয়াত সন্দেহ নাই।

সহায়ক গ্ৰন্থ—
(১) অসমীয়া জন সাহিত্য— ড° প্ৰফুল্ল দত্ত গোস্বামী
(২) অসমীয়া সাহিত্যৰ ইতিবৃত্ত— ড° সত্যেন্দ্ৰ নাথ শৰ্মা

# নিৰ্জনতাৰ কবি নীলমণি ফুকনৰ কবিতা

□ প্ৰণৱ কুমাৰ তালুকদাৰ

নিৰ্জনতাৰ কবি নীলমণি ফুকন অসমীয়া কাব্য সাহিত্যৰ জগতত এজন পৰিচিত কবি। এক বিশিষ্ট প্ৰকাশভংগী, তন্ময়ীয় ভাবানুভূতিৰ সক্ৰীয়তা আৰু চিত্ৰময়ী ভাষাৰে যাটিৰ দশকৰ পৰা একান্ত সাধনাৰে বৰ্তমানলৈ কবি ফুকনে কবিতা ৰচনা কৰি আহিছে। তেওঁৰ কবিতাৰ প্ৰতীকি ব্যঞ্জনা আৰু শব্দ বিন্যাস চমৎকাৰ।

ফুকনে উচ্চ আৰু কঠোৰ কাব্যিক আদৰ্শ সন্মুখত ৰাখি সাধনা কৰিছে। তেওঁৰ অনুভূতিৰ তীব্ৰতা আৰু গভীৰতাত দীৰ্ঘকালীন অনুশীলনৰ পৰিণতি বুলি কলে অত্যুক্তি কৰা নহয়। তেওঁৰ কবিতাত যদিও কোনো কোনো আধুনিক কবিৰ কবিতাৰ দৰে ধ্বনি প্ৰতিধ্বনিয়ে এটা প্ৰধান ভূমিকা লব পৰা নাই, তথাপি যি কোনো পাঠকেই উপলব্ধি কৰে যে ধ্যান কৰি আৰু বিষয়াত চিত্ৰকল্পসমূহৰ চিত্ৰই তেওঁৰ আংগিক আৰু ভাবজগত প্ৰভাবিত কৰিছে। বিশেষকৈ তেওঁৰ কাব্যচিত্ৰসমূহত চিত্ৰৰ উপস্থিতি লক্ষ্য কৰিবলগীয়া — বহু কবিতাৰ খোলাই কৰা এনে চিত্ৰকল্পৰ সমষ্টিতেই তেওঁৰ বক্তব্য পৰিস্ফুট হয়।

নীলমণি ফুকনৰ কবিতা চিন্তা মধুৰ। তেওঁৰ ভাবানুভূতি আৰু প্ৰকাশভংগীৰ দুৰ্বোধ্যতা আৰু সকলো ধৰণৰ পাঠকে সহজে অনুভৱ কৰিব বা বুজি উঠিব নোৱাৰে। সেয়ে কিছু সংখ্যক পাঠকে ফুকনৰ কবিতাক দুৰ্বোধ্য বুলি কয়। তেওঁৰ কবিতাই পাঠকৰ মনত উত্তেজনাৰ সৃষ্টি নকৰে, অনুভূতিপ্ৰৱণ আৰু ভাৱময়হে কৰি তোলে। তেওঁৰ কবিতাত জীৱন আৰু জগতক নতুনকৈ চোৱাৰ আৰু পোৱাৰ, নতুনকৈ উপলব্ধি আৰু অনুভৱ কৰাৰ এটা দুৰ্লভ সুযোগ আমি লাভ কৰিব পাৰো। ফুকনৰ কবিতা এটা অৰ্থৰ মাজত সীমাবদ্ধ নহয়, বিভিন্নাকৰ অৰ্থ অনুসন্ধান কৰি পাঠক সকল লৈ যাবিব লাগে পাহাৰ, নদী পাৰ হৈ হৈ...। কাৰণ তেওঁৰ কবিতা পঢ়াৰ লগে লগে তাৰ অৰ্থ আৰু বাণী সম্পূৰ্ণ হৈ নপৰে।

ফুকন অধ্যয়নশীল কবি। জীৱনৰ অভিজ্ঞতাও তেওঁৰ আছে। চীনা-জাপানী কবিতা, ফৰাচী প্ৰতীকবাদী কবিসকল, পোষ্ট-ইম্প্ৰেচনিষ্ট শিল্পীসকল, দাৰ্শনিকসকল, সমাজবাদী যুৰোপৰ প্ৰধান বৰ্ণনসকল, কত দেশৰ কবি — এইবোৰৰ লগত তেওঁৰ পৰিচয় ঘনিষ্ঠ — কিন্তু কাৰো প্ৰত্যক্ষ প্ৰভাৱ তেওঁৰ কবিতাত অনুভৱ কৰিব নোৱাৰি। স্বকীয় শৈলীৰ অধিকাৰী ফুকনৰ কাব্য শৰীৰ আৰু মননত তথাপি প্ৰকৃতিৰ পৰিৱেশ আৰু জীৱনৰ সংঘাতৰ প্ৰতিফলন মন কৰিবলগীয়া।

প্ৰথম স্তৰত ৰোমাণ্টিক উচ্ছ্বাস, দ্বিতীয় স্তৰত প্ৰতীকবাদী চিত্ৰল কবিতাৰ মাজত নিৰ্জনতা, শূন্যতা, বিষাদবোধৰ ইংগিত; তৃতীয় স্তৰত আত্মকেন্দ্ৰিক সমাজ চেতনা আৰু শেষতীয়া ভাৱে বাস্তৱ জগতৰ গাঢ় অনুভূতি।

এইখিনিতে এটা কবিতা ইয়াত সম্পূৰ্ণকৈ তুলি ধৰিছো। পাঠকসকলে ইয়াৰ মাজত ফুকনৰ কবিতাৰ প্ৰকাশভংগী, চিত্ৰ আৰু প্ৰতীক লক্ষ্য কৰিব পাৰিব। —

নৈখনৰ পাৰৰ বাটটো
আধাপোৰা গৈ পৰি থকা
সাপ এটাৰ দৰে বাটটোৰে
তুমি যেতিয়া তুমি আহিলা
এগৰাকী তিৰোতা
নুমাই যোৱা নক্ষত্ৰৰ দেৱী,
আৰু পিচে পিচে
কোনটোৰে আঙুলিয়াই অহা
সোণা এটি শিশুৰ
শীতল পদশব্দ

কবিতাটোৰ প্ৰতীক ব্যঞ্জনা গভীৰ। ইয়াত কবি জীৱন, সংঘাত, মৃত্যু আৰু অ-প্ৰাকৃতিক চিত্ৰৰ মাজেৰে অংকন কৰিছে। দুৰ্বিষীৰণ নদী, জীৱনৰ একাৰ্বেকা সংঘাতপূৰ্ণ আধাপোৰা থাই থকা শাক্তি-সময়। সেই বাটে আহিছে আছে ভৱিষ্যতহীনা নুমাই যোৱা নক্ষত্ৰৰ দেৱী-মৃত্যু। তুমি যেতিয়া ক্ৰোধ অথবা প্ৰভাতত। আমাৰ ভৱিষ্যত এটা সোণা শিশুৰ শীতল পদশব্দ। কিন্তু শিশুটোৱে তোমাকে আঙুলিয়াই আহিছে। আশাৰ প্ৰতীক। কবিয়ে এনে এটা চিত্ৰকে কবিতাটোত ধৰি ৰাখিব খুজিছে।

"ফুলি থকা সূৰ্যমুখী ফুলটোৰ কাষে" নামৰ কাব্য সংকলনটোৰ প্ৰায়বোৰ কবিতাৰ মাজেৰে কবিয়ে পাৰ্থিব জগতৰ পৰা অপাৰ্থিব জগতলৈ যাত্ৰা আৰম্ভ কৰিছে। যদিও মৃত্যু জীৱনৰ চৰম সত্য তথাপি মৃত্যুৰ কথা চেতনাই কবিক যেন কিছু অপ্ৰস্তুত কৰিব পাৰিছে।

কিন্তু সংকলনৰ কেইটামান কবিতাত সমাজ সচেতনতা লক্ষ্য কৰিব পাৰো। তেখেতৰ দৰে নিজৰ ভিতৰত আৰু ব্যক্তি আৰু সমাজৰ অন্তৰ আৰু প্ৰকট কৰি চোৱাৰ অভিলাষ নথকা নহয়, তথাপিও কিছু সৃষ্টি দুৰ্বল। কিন্তু যিহেতু এই চেষ্টা সেয়েই এক বলিষ্ঠ পদক্ষেপ।—

তেজ হৈ বব পৰা যই আগেজানিত গ্ৰীষ্ম
ক্ৰোধৰ জুয়ত সোঁ আইপৰা যৌৱন
আধৰ মুঠিত নাচি উঠা কৃপাণৰ
মই নৃশংস নগ্নতা
মই আন্ধাৰো নহয়, পোহৰো নহয়
তেজ হৈ বব পৰা মই প্ৰজ্বলিত ভাৱনা

নীলমণি ফুকন অসমীয়া আধুনিক কবিতাৰ প্ৰতীকবাদী ধাৰাৰ সাৰ্থকতম শিল্পী বুলি সমালোচক সকলে কৈছে। প্ৰতীক, Myth আৰু archetypeৰ বিচিত্ৰ মধুৰ সমাহাৰেৰে তেওঁৰ কবিতাসমূহ। প্ৰতীকবাদী আন্দোলনত তেওঁৰ কাব্যসংকলন কেইখনে এখন নতুন আসন দাবী কৰিব পাৰে। তেওঁৰ প্ৰতীক ব্যৱহাৰৰ কৌশল মাধুৰ্য্যপূৰ্ণ। তেওঁৰ কবিতাত অনুভূতিৰ নিবিড়তা আৰু প্ৰকাশৰ চিত্ৰধৰ্মীতা বিশেষ ভাৱে লক্ষণীয়।

তেওঁৰ প্ৰায়বোৰ কবিতাত বিষাদৰ সুৰ এটা আছে। ব্যক্তিগত জীৱনৰ বিভিন্ন অভিজ্ঞতা যেন তেওঁৰ কবিতাৰ মাজেৰে ধৰি ৰাখিছে। তেওঁৰ কবিতাত অন্বেষণ আছে। ফুকনৰ কবিতাৰ শব্দ বিন্যাস শাব্দিক অৰ্থত চেৰাই গৈ এক নতুন পৰিবেশ সৃষ্টি কৰিব পাৰে। তেওঁৰ কবিতাত মানুহ আৰু পৃথিবীক গভীৰ ভাৱে আৰু আন্তৰিকভাৱে উপলব্ধি কৰাৰ নিৰলস নিৰন্তৰ এটা প্ৰচেষ্টা, জিজ্ঞাসা দেখা যায়। কবিতাত কোনো এটা ধৰা বন্ধা অৰ্থ কিম্বা ভাবৰ পৰিবৰ্তে অপ্ৰমাণিত অৰ্থ ব্যঞ্জনা সৃষ্টিৰ প্ৰতি কবি বিশেষভাৱে যত্নবান।

Acc. No. 6

তোপনিৰ মাজতে দুখনীয়াৰ নদী এখন পাৰো
নবীন কনকন ঘাটি— য'ত মই বাদ্ধিছিলো
প্ৰাণ

গঙ্গা-চিলনী এটা—দীঘে দীঘে দিগ্ৰাখন দুখলে
ক'লি খোৱা

কবিৰ 'কবিতা' নামৰ সংকলনত কিছু দুৰ্বো-
ধ্যতাই সাধাৰণ পাঠকক ভুকুৱা কৰিব পাৰে।
কিন্তু তেওঁৰ শেহতীয়া কাব্য সংকলন 'নৃত্যৰতা
পৃথিৱী'ৰ ভাবৰ গভীৰতা থাকিলেও প্ৰকাশ-
ভঙ্গীৰ এই দুৰ্বোধ্যতাৰ পৰা বহু পৰিমাণে মুক্ত
বুলি পাঠকসকলে ধৰ্য পাইব।

ৰোমাণ্টিক ভাবানুভূতিৰে প্ৰভাৱান্বিত ফুকনৰ
কবিতাবোৰ শেষলৈ বাস্তৱবাদীতাৰ অভিমুখে
কবি আপোন আৰু স্বাভাৱিক চিন্তাৰ বহু হোৱা
দেখা যায় (নৃত্যৰতা পৃথিৱী ১৯৮৫)। ইয়াৰ
মূল নিশ্চয় অসমৰ খোৱা প্ৰবহমান গণ আন্দো-
লনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অভিজ্ঞতা। শাসক
বৰ্গই আন্দোলনকাৰী অসমৰ ছাত্ৰ-ছাত্ৰী আৰু
জনসাধাৰণক কৰা অমানুষিক অত্যাচাৰ উৎ-
পীড়ন আৰু অসমৰ জনগণৰ মানৱাধিকাৰ
স্বাধীনতাৰ নামত আজি মুকলি বজাৰে বেশ্যাৰ
দৰকাৰে কৰা অৱহেলা আৰু আঘাতীত লাঞ্ছ-
নাৰ ছবি এই কাব্য সংকলনৰ দুটামান কবি-
তাত আমি পাইছো। কবি ফুকনৰ কবিতাত
নিষ্পেষিত মানুহৰ জীৱনৰ যন্ত্ৰণা-কাতৰ দিনৰ
কথা প্ৰকাশ পোৱাটো এক শুভলক্ষণ বুলিব
পাৰি, যিহেতু তেওঁৰ কাব্য-সাধনাত বাস্তৱ-
বোধৰ চিন্তাধাৰা অধিক উজ্জ্বলতৰ হৈ পৰাৰ
আশা আছে।

তোমাৰ গৰ্ভত ৰখা দিনবে পৰা মই
ধৰ্ষিত আছো

০ ০ ০

কেনেকৈ সেউজীৰ চকুত কলি উঠিছিল
লাঞ্ছিত অতীত

০ ০ ০

আৰু এদিন শেষ নিশা এটা ভয়ংকৰ
শব্দ হৈছিল মোৰ বুকুত

০ ০ ০

তোমাৰ পেটতে গাতে চোকা দাঁতেৰে
খামুচিছিল কীত

০ ০ ০

পেটতে মানুহবোৰৰ গাত খা
দিব

মানুহবোৰ কিন্তু উত্তেজিত হৈ আছে

০ ০ ০

কবি চিহ্নিত ফুকন অকলশৰীয়া। তথাপি
তেওঁ নিজক অকলশৰীয়া অস্তিত্বৰ মাজতো
যুঁজৰত মানৱ সমাজৰ মৰ্মবেদনাৰ কথা পাহৰি
থকা নাই। তেওঁৰ বাক্য অভিজ্ঞতাৰ চিত্ৰ
কিছুমান কবিতাত আমি দেখা পাইছো। কিন্তু
এই কবিতাবিলাক কোনো ৰাজনৈতিক দৰ্শনৰ দ্বাৰা
নিয়ন্ত্ৰিত নহয়।—

কোনো নাই ইয়াত— শিশু নাৰী বৃদ্ধ
প্ৰত্যেকেই মৃত

০ ০ ০

শিয়ালে কুকুৰৰ টনা আঁজোৰাত
দেশৰ নাড়ী ভুঁৰু ছাড়

০ ০ ০

মৃত্যুৰ দাপোনত চা তোক
সাত পুৰুষীয়া অলোকিক শীতলক
শোষকক চা

'মানুহৰ মুখা পিন্ধি বাটে-ঘাটে / ক'লা ছায়া
অপদেৱতা / ধৰ্মান্ধৰ হাঁহি, পিশাচৰ আপোন /
সকাল ভক্ষণ / কাৰ খোজ তেজি যাবে বাবে /
তিয়াদে মাটি' দেশৰ ভণ্ড ৰাজনীতি, ভগ্ন সমাজ
ব্যৱস্থা, অৰ্থনৈতিকভাৱে পীড়িত জনগণৰ বাস্তৱ
চিত্ৰ উক্ত পংক্তিবোৰত থাকেখে কবিয়ে চিত্ৰিত
কৰিব খুজিছে। জনগণৰ পুঁথিগত কথা
সাহিত্যত নিৰাপদ নহয়। কাৰণ ইয়াৰ
ইটালি দশন কৰাৰ বিষয়ে লেখা কোনোটিত্ত্বতোৰ
এটা প্ৰশ্নত কবিতাই এই কথা সৌৰভাই দিছে।

হত্যাৰ দেশে কবি ফুকনকো বিচাৰিছে। তথাপি
আমি তেওঁৰ কবিতাত আশাবাদৰ ধ্বনি প্ৰতি-
ধ্বনি শুনিছো। তেওঁ বিচাৰিছে এই দোদুল্য-
মান পৃথিৱীৰ এক আমোদ পৰিবৰ্তন। প্ৰেম
আৰু প্ৰীতিৰ মাজেৰেই এই পৰিবৰ্তনৰ সূচনা
হব লাগিব। মানুহবোৰৰ বক্ষ তুৱাৰ খুলি ওলাই
আহিব— এটা নতুন প্ৰভাতলৈ। মাটিৰ কেঁচা
গোন্ধত মতলীয়া হব। শুকান দেহত উতলা
তেজে হাঁহবাৰ লাগিব। সাতপুৰুষীয়া চকু-
পানীৰ প্ৰৱসান ঘটিব। হিংসা প্ৰতিহিংসাৰ
জুইৰ সলা আকাশৰ বাতি পুৱাই আহিব।

আই তই বহুলা পথাৰত
উলংগ হৈ নাচিবি
নাচিবি পৃথিৱীৰ নৃত্য
গাভি তলনি নৱসুৰ আহিব

০ ০ ০

চকাই এটা উঠি আহে
ঠেঁটিত হৈ এজাক দুখবি।

প্ৰাচীন শব্দ আৰু লোক বিশ্বাসৰ চিত্ৰসুকই
ফুকনৰ কবিতাবোৰক আকৰ্ষণীয় কৰি তোলাৰ
লগতে মান্য বঢ়াইছে। এনে শব্দ আৰু লোক
তেওঁৰ কবিতাত প্ৰচুৰ। এই শব্দবোৰে কবিতাত
এক নতুন ব্যঞ্জনাৰ সৃষ্টি কৰাৰ লগতে সুস্থ
সমাজ চিন্তাৰ পৰিৱেশ অৱকাশ কৰে আৰু
কবিৰ সমাজৰ প্ৰতি থকা সচেতন মনটোৰ
প্ৰকাশ ঘটিছে। 'হাঁহাবাইৰ গান আজিলা',
'ধাকেশ্বৰত শিৱৰ নৃত্য', 'শিৱ আৰু আৰু শিল',
'সোণাকলৰ খুলি', 'শিলখৰীয়া মাছ' আদি।...

তেওঁৰ শব্দ বিন্যাসৰ কৌশলে সঁচা শিল্পীক
সাহ দিয়ে। শব্দৰ ইঙ্গিত আৰু চিত্ৰকল্পৰ
প্ৰয়োগত কবিৰ দক্ষতা উল্লেখনীয়। ইংগিত-
মূলক অভিব্যক্তি, প্ৰৱহমান ভাষা আৰু বিচিত্ৰ
তাৎপৰ্য তেওঁৰ সৃষ্টি শক্তিৰ প্ৰকাশ কিছুমান
শাৰীত লক্ষ্য কৰা যায়।

মুখৰ ওপৰৰ সূৰ্যলৈ মুখ কৰি
থিয় দি আছে।
এজন নিঃসংগ মানুহ

০ ০ ০

নেকিটো মূৰ্খা হৈ পৰি আছিল
এখন কবৰস্থানত

০ ০ ০

সাপে ধৰা বেঙৰ মাতত কাতৰ দুপৰ

০ ০ ০

হাত মাজে মাজে সুমুৱাই আনিছো
জীয়া দৰিশালিৰ ভূই

০ ০ ০

আটাইবোৰত উঠি ফুৰিছিল
মাহি পৰা
তৰাৰ চিকুণ

ফুকনৰ কিছু সংখ্যক কবিতাত এটা নিবি-
কেল সুৰো ধ্বনিত হোৱা আমি অনুভৱ কৰিছো।
আনফালে কিছুমান কবিতাত স্বচ্ছন্দ প্ৰাণ প্ৰৱাহৰ
অভাৱও ধৰা দিছে। আনৰ সংকলনবোৰত
এনেধৰণৰ দুৰ্বলতা থাকিলেও লেখৰ কবিতা-
বিলিত অৱশ্যে তেওঁৰ পৰিৱধি চকুত নপৰে।

দেশ বিদেশৰ শিল্পকলাৰ এজন অনুৰাগী,
কবিতাৰ অনুবাদক কবি ফুকনৰ নিজা অভিজ্ঞ
আমি কোনোৱে নুই কৰিব নোৱাৰো। কিছুমান
সমালোচকে কবি ফুকনক বিৰূপ দৃষ্টিৰে
ধৰ্ষাসকলা কৰাৰ প্ৰয়াস কৰা দেখিছো— যিটো
অসমীয়া কাব্য সাহিত্যৰ জগতত আনিব খোজা
এটা দুৰ্ভাগ্যৰ আয়োজন হব।

বিঃ দ্ৰঃ— বহুকেইজন সমালোচকৰ সমালোচনা আৰু প্ৰবন্ধৰ পৰা সহায় লোৱা হৈছে।

# শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষীয়া ধৰ্ম সম্প্ৰদায়

□ অমল ভৌমিক।
সহকাৰী অধ্যাপক, বঙালী বিভাগ।

এক শুদ্ধ শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাহেৰিষ নাহিকে উপাম।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোঁহো প্ৰণাম॥

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত সম্পৰ্কে কিছুমান ভুল তথ্য প্ৰচাৰে বৰ্ত্তমান অসমীয়া মহাপুৰুষীয়া ধৰ্ম্ম সম্প্ৰদায়ৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। এই প্ৰচাৰৰ মূলতে আছে স্বাৰ্থান্ধ, অজ্ঞ আৰু মহাপুৰুষীয়া ধৰ্ম্ম আৰু মহাপুৰুষসকলৰ জীৱনী অধ্যয়ন আৰু চিন্তন মননৰ অভাৱ। ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হৈ আছে মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত সম্পৰ্কে প্ৰচাৰিত কিছুমান ভ্ৰমৰ কিছুমান ভুল তথ্য পৰিবেশনৰ প্ৰয়াস।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থখনিত কিছুমান ভুল সিদ্ধান্তই বৰ্ত্তমান পৰিবৰ্ত্তিত পৰিস্থিতিত বিতৰ্কৰ সৃষ্টি কৰিছে। গ্ৰন্থখনত আলোচিত 'মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত' এই শিৰোনামাৰে প্ৰকাশিত প্ৰবন্ধটোত ( যাৰ লিখক ৺কনকলাল বৰুৱা দেৱ ) কিছুমান আপোত্তিয়ে বৰ্ত্তমানৰ বিতৰ্কৰ কাৰণে আমাৰ দৃষ্টি গোচৰ হৈছে। উক্ত প্ৰবন্ধটি সাহিত্যৰথী বেজবৰুৱাৰ দ্বাৰা অনুমোদিত আৰু প্ৰচাৰিত হোৱা বাবে বিষয়টো গভীৰভাৱে অনুসন্ধান কৰাৰ থল আছে আৰু ইয়াৰ বাবে গুৰুত্বপূৰ্ণ আলোচনা, গৱেষণাৰ প্ৰয়োজন হৈ পৰিছে। আলোচ্য প্ৰবন্ধটিত এই বিতৰ্কিত ( বৰ্ত্তমান পৰিস্থিতিত অতি প্ৰাসংগিক ) বিষয়টোৰ ওপৰত বৰ্ত্তমান অসমীয়া যৌক্তিক তত্ত্ব সমাধানৰ দৃষ্টি আকৰ্ষণ কৰাৰ ন্যূনতম প্ৰয়াস কৰা হৈছে।

আলোচ্য বিতৰ্কটো বুজিবৰ আগতে তৎকালীন ভাৰতবৰ্ষ তথা অসমৰ ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় অৱস্থাৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ জীৱনী সংক্ষিপ্তভাৱে আলোচনা কৰা হৈছে। কাৰণ মহাপুৰুষ সকলৰ জীৱনেই বাণী। গুৰু দুজনাৰ জীৱনী পৰ্য্যালোচনাৰ মাজেদিয়েই তেওঁলোকৰ আচৰণ আৰু প্ৰচাৰ কৰা ধৰ্ম্মৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰা হৈছে।

বাৰ শতিকাত অসমৰ বিশাল উপত্যকা অঞ্চলত চুটিয়া আৰু কছাৰী জনজাতি সকলৰ ৰাজত্ব সুপ্ৰতিষ্ঠিত হৈছিল। আনহাতে বৈদিক আৰ্য সকলে অসমলৈ অহাৰ হেতুৰ বহুত আগৰে পৰাই এই মঙ্গোলীয় জাতিৰ মানুহবোৰ ( অষ্ট্ৰিক-নিগ্ৰোইড, মঙ্গোলীয়, তিব্বতী, বৰ্মী প্ৰভৃতি ) কেইটামান দলত বিভক্ত হৈ আহি অসমত প্ৰৱেশ কৰি বসবাস কৰিছিল। বৰ্ত্তমান অসমৰ ভৈয়াম আৰু পাহাৰীয়া অঞ্চলৰ পাহাৰবোৰত বসবাস কৰা বড়ো, কছাৰী, চুটিয়া, মৰাণ, মেচ, গাৰো, লালুং, মিকিৰ, আকা, ডফলা, মিৰি, আবৰ, মিচিমি, কুকি আৰু মিজো আদি জনজাতিৰ মানুহবোৰ উক্ত মঙ্গোলীয় বা আগ্নেয় জাতিৰ ভিন ভিন সংশাখা মাথো। যোগিনী তন্ত্ৰ মতে, বৰ্ত্তমানৰ অসম, ভুটান, পূৰ্ববঙ্গৰ ৰংপুৰ, কোচবিহাৰ, ময়মনসিংহ জিলাৰ উত্তৰ পূব অঞ্চল আৰু গাৰো পাহাৰকে পুৰণি কামৰূপ ৰাজ্যৰ বিস্তৃতি আছিল।

বৰ্মন বংশ পুৰণি কামৰূপৰ প্ৰথম ৰাজবংশ আছিল। বৰ্মন বংশীয় ৰজাসকলৰ পূৰ্ব পুৰুষ আছিল নৰকাসুৰ ভগদত্ত বংশ। এই বংশৰ শেষ ৰজা আছিল ভাস্কৰ বৰ্মন আৰু তেওঁৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। এই সময়ত কামৰূপ ৰাজ্যৰ পশ্চিমফালে আছিল পৌণ্ড্ৰৰাজ্য (বঙ্গদেশ) আৰু গৌড় ৰাজ্যৰ পশ্চিম ফালে আছিল মগধৰ বা কনৌজ ৰাজ্য। ভাস্কৰ বৰ্মনে প্ৰায় পঞ্চাশ বছৰ ৰাজত্ব কৰিছিল আৰু তেওঁয়েই সমগ্ৰ কামৰূপৰ প্ৰাচীন ইতিহাসৰ শ্ৰেষ্ঠ ৰজা আছিল।

ইয়াৰ পিছত অষ্টম শতিকাৰ প্ৰায় পাঁচশ বছৰ আগতে অসমত কোচ ৰাজবংশই ৰাজত্ব কৰিছিল। সেই সময়ত অসমৰ পূৱ অঞ্চলত আহোম সকলৰ প্ৰভুত্ব স্থাপিত হৈছিল। কোচ ৰজা বিশ্ব সিংহই কোচবিহাৰত ৰাজধানী স্থাপন কৰিছিল। এওঁৰ মৃত্যুৰ পিছত পুত্ৰ মল্লদেৱ, নৰনাৰায়ণ নাম ধাৰণ কৰি সিংহাসনত বহিছিল আৰু পিতৃৰ আদেশ মৰ্ম্মে ভাই শুক্লধ্বজক যুৱৰাজ পাতিছিল। এই শুক্লধ্বজেই ইতিহাসত চিলাৰায় নামে জনাজাত হৈছিল। আহোম ৰজা সকলৰ লগত কোচ ৰজা সকলৰ সদ্ভাৱ নাছিল আৰু প্ৰায়েই যুদ্ধ চলিছিল। আহোম ৰজা সকলেই অৱশেষত নিৰুপায় হৈ কোচ ৰজাৰ লগত সন্ধি স্থাপনত বাধ্য হৈছিল। ইয়াৰ পিছত বিজয়ী কোচ বাহিনীয়ে ক্ৰমান্বয়ে কছাৰী ৰাজ্য, মণিপুৰ, জয়ন্তীয়া, শ্ৰীহট্ট আৰু ত্ৰিপুৰা ৰাজ্য কোচ ৰজাৰ অধীনলৈ আনিছিল।

ইতিমধ্যে গৌড়ৰাজ্য পৰাক্ৰমশালী মুছলমান নবাৰ অধীনস্থ হৈছিল। চিলাৰায় এই মুছলমান নবাৰ হাতত পৰাজিত হৈছিল, গৌড় ৰাজ্য আক্ৰমণ কৰাৰ সময়ত। এই সময়তেই ধৰ্মান্তৰিত যৱন সেনাপতি কালাপাহাৰৰ কামাখ্যা, হাজো প্ৰভৃতি পুৰণি মঠ, মন্দিৰ ধ্বংস কৰিবলৈ অসমলৈ আহিছিল। দিল্লীৰ বাদশাহ আকবৰৰ সহায়ত চিলাৰায়ে গৌড়ৰাজ্য আক্ৰমণৰ সময়ত বেগাৰত আক্ৰান্ত হৈ মৃত্যু মুখত পতিত হৈছিল।

তেৰ শতিকাতেই ঘোৰৰ মহম্মদ চাহাবুদ্দিনে ভাৰতত আহি কনৌজ নগৰ আক্ৰমণ কৰি হিন্দু দেৱদেৱীৰ মূৰ্ত্তি আৰু মন্দিৰ ধ্বংস কৰি ইছলাম ধৰ্ম প্ৰচাৰৰ পাতনি মেলিছিল। আক্ৰমণকাৰীৰ ভয়ত কনৌজ নিবাসী চণ্ডীবৰ আৰু তেওঁৰ লগত বহু নৈষ্ঠিক কায়স্থ মানুহ ধন-বনলৈ পলাই আত্মৰক্ষা কৰিছিল। লগাদেৱ শিৰি আৰু তেওঁৰ পুতেক চণ্ডীৱৰ শিৰি আছিল শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব পুৰুষ। সেই দুৰ্যোগৰ সময়ত কান্যকুব্জ নগৰটো যোৱা নিৰাপদ নহয় ভাবি উক্ত দুই জনে বঙ্গদেশৰ উত্তৰ অঞ্চলৰ গৌড় নগৰত আহি বসবাস কৰিছিল। এই সময়ত গৌড়ৰ ৰজা আছিল ধৰ্ম্মনাৰায়ণ। সভাৰত আৰু চণ্ডীৱৰে নিজৰ যোগ্যতাৰে ৰজাৰ বিশেষ প্ৰিয় পাত্ৰ হৈ উঠিছিল আৰু চণ্ডীৱৰে ৰজাৰ দেৱান হৈছিল।

গৌড় ৰজাৰ সমস্ত ক্ষমতা ৰাজ্যৰ বিশেষ সভাৰ হাতত ক্ষমতা শাসন অনুৰোধ ক্ৰমে গৌড়ৰাজ ধৰ্মনাৰায়ণে জ্ঞানী, গুণী সদাচাৰী সাতঘৰ * ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ মানুহ কমতা ৰাজ্যলৈ পঠাইছিল। এওঁলোকৰ ভিতৰত লগুৰদেৱ আৰু চণ্ডীৱৰো প্ৰধান কায়স্থ আছিল। সেই সময়ত কৰতোৱা নৈক সীমা ধৰি পূব কামৰূপ আৰু পশ্চিমে গৌড় ৰাজ্য আছিল। লগুৰদেৱ আৰু চণ্ডীৱৰে প্ৰথমতে আহি কামৰূপ ৰজাৰ অধীনৰ [illegible] লেঙামাগুৰী নামে ঠাইত বসবাস কৰিছিল। চণ্ডীৱৰে ক্ৰমান্বয়ে কমতেশ্বৰৰ দেৱান আৰু পৰামৰ্শ দাতা হৈছিল। চণ্ডীৱৰে বাৰভূঞাৰ শিৰোমণি ভূঞা হৈ শাসন কাৰ্য্য চলাইছিল আৰু কমতা-কামৰূপ অঞ্চলৰ চোৰ আদি পৰ্বতীয়া জাতি বিলাকৰ উপদ্ৰৱ বহু পৰিমাণে দমন কৰি শান্তি স্থাপনৰ চেষ্টা কৰিছিল।

আৰ্য্য দেশৰ বহুতীয়া সুৰভি সভ্যতাৰ লীলাভূমি কনৌজ দেশ আছিল বাৰভূঞা সকলৰ আদি জন্মভূমি। ভূঞাৰ অৰ্থ ৰজিদাৰ, জাত ভূঞা উপাধি নহয়। সম্ভৱ শতিকাত দ্বিতীয় শিলাদিত্যৰ কালতেই কনৌজ শিক্ষা, সংস্কৃতি, ধৰ্ম্ম প্ৰভৃতিৰ কেন্দ্ৰস্থল আছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বপুৰুষ কনৌজ নিবাসী ক্ষত্ৰিয়ত ভূঞাৰ মানসিক উৎকৰ্ষতা যথেষ্ট বেছি আছিল কাৰণে তেওঁক ব্ৰহ্মচাৰী বোলা হৈছিল। এই ভূঞা সকলে শিৱ ধৰ্মাৱলম্বী আছিল যদিও চণ্ডী পূজাও কৰিছিল।

আহোম সকলে অসমত সোমাই কামত ভূঞা সকলে ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰত আৰু কুৰ্চিৰা ৰাজ্যৰ সৃষ্টি ৰাজত্ব কৰিছিল। সেই সময়ত কমতা ৰাজ্যেশ্বৰ সকলৰ উপস্থিতি মধ্য অসমত কছাৰী ৰজা আৰু পশ্চিমত চুটীয়া ৰজাই ৰাজত্ব কৰিছিল।

বহু আগৰে পৰাই প্ৰচলিত হৈ অহা তান্ত্ৰিক শাক্ত ধৰ্ম্ম এই সময়ত অসমত যথা আড়ম্বৰে পালিত হৈছিল। কামাখ্যা মন্দিৰত দেৱী পূজা, পশুবলি আজিও সেই ধাৰাৰ উজ্জ্বল প্ৰমাণ। প্ৰাচীন ইতিহাসৰ পৰা নৰবলি দিয়া প্ৰথাৰ কথাও জনা যায়। ব্ৰাহ্মণ সকলে লোভী, অনাচাৰী হৈ, বেদ বিহিত ব্ৰাহ্মণ্য কৰ্মৰ পৰা বিচ্যুত হৈ ধৰ্ম্মৰ ব্যৱসায় চলাইছিল। সদাচাৰী ব্ৰাহ্মণৰ অভাৱ পূৰ্ণ কৰাৰ কাৰণে কমতেশ্বৰ দুৰ্লভ নাৰায়ণে কনৌজৰ পৰা সদাচাৰী, পণ্ডিত মানুহ আনি নিজ ৰাজ্যত বসবাসৰ ব্যৱস্থা কৰিছিল। পৰবৰ্ত্তী সময়তো এইটো উদ্দেশ্য আগত ৰাখিয়েই নৰনাৰায়ণে বঙ্গদেশ বাহিৰৰ পৰা ব্ৰাহ্মণ আনি নতুনকৈ সাজোৱা কামাখ্যা গোসানীৰ প্ৰতিষ্ঠা আৰু পূজাৰ ব্যৱস্থা কৰিছিল। অনেক বেদ বিহিত ধৰ্মাচাৰৰ ( যাগ, যজ্ঞ, পশুবলি দানদক্ষিণা ) বেদ শাস্ত্ৰৰ অনুমতি প্ৰভৃতি মাৰ্গৰ পৃষ্ঠ-পোষকতা অসমৰ ৰজা সকলৰ দুই প্ৰকাৰ দ্বাৰা পূৰণি আৰু যথা যুগতেই আৰম্ভ হৈছিল। বহু দেৱ-দেৱী আৰাধনাৰ বাবদে বহু দেৱালয়ৰ মূলতে যে এক ঈশ্বৰ বিৰাজমান, এই কথাটোও উপা বহুলাংশে বিশ্বাস কৰিছিল। আৰু বিষ্ণু-কৃষ্ণই যে সেই একেশ্বৰ, পৰমেশ্বৰ এইটো জ্ঞানী সমাজৰ মাজত প্ৰচলিত হৈ ধৰিছিল। ঠিক এনেকুৱা ৰাজনৈতিক, সামাজিক আৰু ধৰ্মনৈতিক উত্থান পতনৰ অস্থিৰ মুহূৰ্তত ১৩৭১ শকত মাঘনিশা টেম্বুৱানি বৰদোৱাত শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা দেৱী। সুঁতী মাক খেৰসুতীৰ পিছত শিশু শঙ্কৰক তাওৰ দীঘল কৰাৰ

* গৌড়ৰ পৰাই কমতাপুৰ ৰাজ্যলৈ যি সকলৰ ব্ৰাহ্মণ পঠিয়াইছিল তাৰ ভিতৰত কৃষ্ণ পণ্ডিত নামৰ ব্ৰাহ্মণজনৰ মহাজনৰ বংশ পুৰোহিত আছিল।



দায়িত্ব লৈছিল। অলপ বেছি বয়সত গুৰী-খাৰৰ উপাধ্যায়ত শঙ্কৰে পঢ়াশালিলৈ গৈছিল আৰু অতি কম সময়ৰ ভিতৰতে তেওঁৰ প্ৰতিভাৰ বিকাশ সাধন কৰি অধ্যাপক মহেন্দ্ৰ কন্দলীৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। তীক্ষ্ণ মেধা সম্পন্ন শঙ্কৰে অতি কম সময়ৰ ভিতৰতে বহু শাস্ত্ৰত পাণ্ডিত্য অৰ্জন কৰিছিল। পঢ়াশালি এৰাৰ পিছত শঙ্কৰে সাত্ত্বিক যোগ অভ্যাস কৰিছিল। ইতিমধ্যে ভাগৱত শাস্ত্ৰৰ ভক্তি ধৰ্মৰ ধাৰা বিশেষভাৱে প্ৰভাৱিত হোৱাত তেওঁ যোগ অভ্যাস এৰি দিছিল। আদি স্বৰূপ সেইমতে শঙ্কৰদেৱে এই বৰদোৱাতেই স্থায়ী ভাৱে বসবাস কৰাৰ মানসেৰে ৰাজকাৰ্য্য দেখাশুনা কৰিছিল। ক্ৰমে ভক্তি ভাৱ প্ৰবল হোৱাত শঙ্কৰে পুত্ৰাৰ্দ্ধনাত বেছি সময় দিবলৈ ধৰিলে। সেই মন্দিৰ গৰাৰ অভিজ্ঞানৰ কথা তেওঁ +ৰামৰাম গুৰুক জনালে। এই মন্দিৰৰ চৌহদ ভিতৰতে মাটি খান্দোতে এটা বিষ্ণু মূৰ্ত্তি ওলাল। যথা সময়ত নিৰ্মিত মন্দিৰত বেদ বিহিত উপাচাৰে শঙ্কৰদেৱে ৰামৰাম গুৰু পূজাৰীৰ দ্বাৰা সেই বিষ্ণু মূৰ্ত্তিৰ প্ৰতিষ্ঠা কৰিছিল। আৰু তেতিয়াৰ পৰাই তেওঁ সৰ্বেশ্বৰ বিষ্ণু নিষ্ঠাৰ একনিষ্ঠ ভাৱে পূজাৰ্চনা কৰিবলৈ লৈছিল। এই সময়ত শঙ্কৰৰ এই ভাৱতন্ময়তা, ভক্তি-বিহ্বল ৰূপ প্ৰত্যক্ষ কৰি ভক্তসকলে 'মুক্তি দাতা' জানি শঙ্কৰৰ পৰা শৰণ লবৰ আগ্ৰহ প্ৰকাশ কৰিলে, শঙ্কৰদেৱে তেওঁলোকৰ শৰণ লোৱাৰ ঐকান্তিক আগ্ৰহ দেখি শৰণ লোৱাৰ নিমিত্তে ভাগৱত পুৰাণৰ দশম স্কন্ধ অৱলম্বন কৰি 'গোপী-উদ্ধৱ সংবাদ' নামে এখন গ্ৰন্থ ৰচনা কৰিছিল। এই খনেই শঙ্কৰদেৱৰ ৰচিত প্ৰথম শাস্ত্ৰ গ্ৰন্থ। এই গ্ৰন্থ শৰণকেই আপোনা কৰি, তাতে ভক্ত সকলক শৰণত কৰাই শঙ্কৰে শৰণ দিয়াৰ ব্যৱস্থা কৰিছিল।

শঙ্কৰদেৱে তেওঁৰ পৈতৃক বিষয় ৰাজকাৰ্য্য চৰ্চাৰ মাজতো বৰদোৱাত থকা এই কাল-ছোৱাত দেৱতাৰ পূজা ভক্তি আৰু তেওঁৰ নিত্য নৈমিত্তিক কৰ্ত্তব্য যথাৰীতি পালন কৰিছিল। দৰিদ্ৰ সেৱা আৰু দান দক্ষিণা দিয়া তেওঁৰ নিত্য কৰ্ম আছিল। এই সময়তে তেওঁ গৌন সাজি কৃষ্ণলীলা বিষয়ক কৃষ্ণ উৎসৱো আয়োজন কৰিছিল। উৎসৱৰ সময়ত তেওঁ প্ৰতিমাৰ ওচৰত বহি ভাৱাবিষ্ট হৈছিল।

তীৰ মৃত্যুৰ পিছত শঙ্কৰদেৱে যথা-সময়ত মনুক নিজৰ জোঁৱাইৰ হাতত তেওঁৰ সকলো সম্পত্তি সমৰ্পণ কৰি পিতা, মাতা আৰু জীৱ অৰ্থে তীৰ্থযাত্ৰা কৰিছিল। তীৰ্থ যাত্ৰাৰ সময়ত বাটত গমনাদীৰ সংগত উপ-স্থিত হৈ গঙ্গা তৰ্পণ, স্নান দান, জগন্নাথ মহাপ্ৰভুৰ প্ৰসাদ ভক্ষণ, সাক্ষাৎ জগন্নাথ মূৰ্ত্তি দৰ্শন, পঞ্চতীৰ্থ ভ্ৰমণ প্ৰভৃতি সকলো কাৰ্য্য নিষ্ঠাৰে পালন কৰিছিল। তীৰ্থ ক্ষেত্ৰত সহ যাত্ৰীকাপে সহধৰ্ম্মিণীৰ ( নাৰী সঙ্গিনীৰ ) প্ৰয়োজন বিষয়ে শঙ্কৰদেৱে তীৰ্থ যাত্ৰা কালতেই আপক উপদেশ দিছিল,—

শুনিয়োক বাপ, পতিতপাৱনী তীৰ্থত সমস্ত লাগে।
সমস্ত ইহলোক, মাতাপিতো আৰু, অতিথিও আগক আগে।।
আজ্ঞা পাইয়া বাপ, আপোনাৰ ভাৰ্য্যাক, সঙ্গতে লৈয়া চলিলা।
শ্ৰীমন্ত শঙ্কৰো মনত হৰিষে অনেক তীৰ্থ দেখিলা।।

শঙ্কৰদেৱে প্ৰথম প্ৰকাশৰ পৰা পুষ্কৰ তীৰ্থলৈ

+ৰাম ৰাম গুৰু চণ্ডীৱৰৰ হৈতে একেজনে আসনলৈ অহা ব্ৰাহ্মণ গুৰু পৰিয়ালৰ বংশধৰ। দৈৱজ্ঞ পৰা শঙ্কৰদেৱৰ সহপাঠী। শঙ্কৰদেৱৰ কুল পুৰোহিত। ৰমৰ শঙ্কৰদেৱৰ দ্বাৰা প্ৰভাৱিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। যদিও শঙ্কৰদেৱৰ প্ৰথম বেদ বিহিত পূজাদি তেওঁৱেই কৰিছিল।

আহিলে আৰু তাৰ পিছত মথুৰা, বৃন্দাবন পাই দৰ্শন কাৰ্য্য আৰম্ভ কৰিলে। এই সময়তেই অসমত লেটেকুপুখুৰীত হৰসিংহ বৰাৰ ঘৰত ১৪৯১ শকত মাধৱদেৱৰ জন্ম হয়। পৰৱৰ্তী কালত এই মাধৱদেৱক সৰ্গীৰূপে পাই প্ৰথম প্ৰেমত আপ্লুত হৈ শঙ্কৰদেৱে কৈছিল "আজিৰ পৰা তোমাক পাই মই সম্পূৰ্ণ হলো।"

তেওঁ সকলৰ অনুৰোধ ক্ৰমে শঙ্কৰদেৱে বৃন্দাবন এৰি বাৰাণসীলৈ গৈ সন্দনাত মিলি কল্মিনীদেৱী মূৰ্ত্তি দৰ্শন কৰিছিল আৰু বদৰিকাশ্ৰমলৈ যোৱাৰ সময়তে "মন মেৰি ৰাম-চৰণহি লাগু" বিখ্যাত বৰগীতটি ৰচনা কৰি গাইছিল। এইদৰে বাৰ বছৰ কাল তীৰ্থ ভ্ৰমণ কৰি শঙ্কৰদেৱে 'ভকত সংগে পাছে পাইলা নিজ ঘৰ'।

প্ৰকৃত আদি পিতৃদেৱ কুসুম্বৰ অধিষ্ঠিত ভূমিত নামঘৰ, মণিকূট সজাই তিনি প্ৰহৰ হৰিনাম, প্ৰসঙ্গ কীৰ্ত্তন কৰি সময় পাৰ কৰি দিছিল। ইতিমধ্যে সূৰ্য্যমানৰ মৃত্যু হোৱাত জ্ঞাতি সকলৰ অনুৰোধত শঙ্কৰদেৱে দ্বিতীয়বাৰ দাৰ-পৰিগ্ৰহ কৰিলে। এই সময়ত বৰদোৱাত কছাৰী দিনাকৰ বৰ উপদ্ৰৱ হৈছিল। বাৰ বছৰত শঙ্কৰে বৰদোৱা এৰি ভকতকৰবিত কিছুদিন থাকি তাতো তাম নৱগাঁৱ পশ্চিমপাৰে গাংমৌত আহি বসবাস কৰিছিল। ইয়াতো কাছাৰী লোকৰ উপদ্ৰৱত অসহ্য হৈ এই ঠাই এৰি ধুৱাহাটীলৈ আহি হাটীঘৰ, নামঘৰ, মণিকূট আদি সজাই লগ লাগি বসবাস কৰিছিল।

মাধৱদেৱৰ পিতা গোবিন্দ ভূঞা বাণ্ডুকা নামৰ (বৰ্ত্তমান ধৰ্ণী নৈৰ তীৰৱৰ্তী ঠাই) ঠাইৰ পৰা আহি অসমৰ বৰদোৱাত উপস্থিত হৈ বসবাস কৰিছিল। গোবিন্দ ভূঞাৰ পত্নী আছিল। আৰু ঘৰতী পুত্ৰক গঙ্গাৰিৰ গৰুপাতি আছিল। পুত্ৰক বলি দিয়াৰ বিষয়টোৰে শঙ্কৰদেৱৰ লগত গোবিন্দৰ তৰ্কত মাধৱদেৱৰ প্ৰায়েই বিতৰ্ক হৈছিল। শঙ্কৰদেৱে ভাগৱতৰ শ্লোক ব্যাখ্যা কৰি বেদৰ প্ৰবৃত্তি মাৰ্গৰ অসাৰতা প্ৰতিপন্ন কৰি মাধৱদেৱক স্বমতে কৰিছিল। মাধৱদেৱেও শঙ্কৰৰ অসাধাৰণ উপলব্ধি কৰি ভাগৱতৰ মাধুৰ্য্য আৰু ভাষা আকৃষ্ট হৈ শঙ্কৰদেৱক গুৰু মানিছিল। শঙ্কৰ মাধৱৰ মিলনৰ ফলত হৰিকীৰ্ত্তনৰ ধ্বনি চাৰিওফালে প্ৰতিধ্বনিত হৈছিল।

শঙ্কৰদেৱে ভাগৱতৰ সাৰ কাঢ়ি আনি হৰিভক্তি প্ৰচাৰ কৰিছিল। বহুতো তেওঁৰ অনুগামী হৈছিল আৰু বহুতে তেওঁৰ নামত শত্ৰুতা কৰি ৰজাৰ ওচৰত অভিযোগ কৰিছিল। আহোম ৰজাই শঙ্কৰৰ মধ গুৰি মাজে পঠাই ব্ৰাহ্মণ সকলক তিৰস্কাৰ কৰি, শঙ্কৰদেৱক পুৰস্কৃত কৰিছিল। শঙ্কৰে গীতা, ভাগৱত, শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ ব্যৱস্থা মতে মায়া খণ্ডন কৰিছিল। তেওঁ বেদৰ নামে জাতি প্ৰভেদ ধ্বংস কৰাৰ বাবে শঙ্কৰ কাৰ্য্যৰে মদন গোপাল নামে বিষ্ণুমূৰ্ত্তি গঢ়াই লৈ সেই বিষ্ণু মূৰ্ত্তিৰ প্ৰাণ প্ৰতিষ্ঠা কৰি পূজা কৰিছিল। এইদৰে তেওঁৰ শঙ্কৰ, আৰু শঙ্কৰ মাধৱে গুৰুআহাঁতে বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰিব পাৰিছিল। ইয়াৰ পিছত ৰাজবাৰ্তাত পৰি সেই ঠাইৰ পৰা পলাই আহি ক্ৰমে টেমাবাৰি, চুনপোৰা, কুমাৰকুছি প্ৰভৃতি ঠাইত কিছুদিন থাকি সপৰিয়ালে পাটবাউসীত আহি বসবাস কৰিছিল। এই পাটবাউসীতে শঙ্কৰদেৱে বহু শাস্ত্ৰ গ্ৰন্থ ৰচনা কৰি অবিস্মৰণীয় বিশাল অসমীয়া ভাষা-সংস্কৃতি-ধৰ্ম-সৌধৰ ভেটি স্থাপন কৰি গৈছিল।

জাতি বৰ্ণ-বৰ্ণ নিৰ্বিশেষে সকলো মানুহকেই শঙ্কৰদেৱৰ আদৰ্শৰ দুৰ্গ ভাবিছিল। চাঁদসাই নামৰ এজন মুছলমান মানুহকো তেওঁ নিজৰ অনুগামী সকলৰ মাজত স্থান দি লৈছিল। ঘৃণা নকৰি ভগৱানৰ ওচৰত সকলো মানুহকে আপোন কৰি লৈছিল।



অসমৰ গাৰো, মেচ, মিৰি, যৱন সকলক লৈ বৃহত্তৰ অসমীয়া সমাজ গঢ়াৰ পথত আগ-বাঢ়িছিল।

নৰনাৰায়ণ ৰজাই কোচবিহাৰ এৰি অসম ৰজাৰ ৰাজ্য কামৰূপলৈ আহি বৰনগৰ নামে নগৰ পাতি বসবাস কৰিছিল। নৰনাৰায়ণ ৰজাৰ অনুৰোধ ক্ৰমে তেওঁলোকৰ সহযোগত সুদীৰ্ঘ চাৰি মাহ সময় পৰিশ্ৰম কৰি নানা-বৰ্ণীয়া সূতাৰে শ্ৰীকৃষ্ণলীলাৰ প্ৰায় সকলো দৃশ্য অঙ্কিত কাপোৰত তোলাই দিছিল আৰু এই কামৰ কাৰণে শঙ্কৰদেৱে ৰজাৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

ইয়াৰ কিছুদিনৰ পিছত নৰনাৰায়ণ ৰজাই তেওঁৰ নতুন ৰাজধানী ধৰনগৰ এৰি পুৰণি ৰাজধানী কোচবিহাৰলৈ গৈছিল। শঙ্কৰদেৱেও মাধৱদেৱক লগত লৈ সেই সময়ত দ্বিতীয় বাৰৰ বাবে তীৰ্থ যাত্ৰা কৰিছিল। এই তীৰ্থ যাত্ৰা কালত নবদ্বীপত শ্ৰীচৈতন্যদেৱ আৰু নিত্যানন্দৰ লগত শঙ্কৰ-মাধৱৰ সাক্ষাৎ হৈছিল। আৰু ধৰ্ম্ম বিষয়ত বহুত আলোচনাও হৈছিল। মাজিমনা পাই বৰাহ বিষ্ণুমূৰ্ত্তি দৰ্শন, মহাসমীত স্নান, দান, পঞ্চপুৰ্ষ প্ৰণাম, মন্দিৰ প্ৰদক্ষিণ আলিঙ্গন প্ৰভৃতি কাৰ্য্য কৰি প্ৰেমানন্দত আপ্লুত হৈছিল। তেওঁসকলৰ লগত শঙ্কৰদেৱৰ পুৰীৰ পৰা আহি পাটবাউসী পোৱাত উপস্থিত হৈ অনুভৱ কৰিছিল,

'সৰ্ব্ব তীৰ্থ শিৰোমণি নাম-ধৰ্ম্ম সাৰ।
নামৰ কিঙ্কৰ তীৰ্থ যত ব্ৰতাচাৰ॥'

এই সময়ত কামৰূপীয়া ব্ৰাহ্মণ সমাজে নৰনাৰায়ণ ৰজাৰ ওচৰত শঙ্কৰদেৱৰ বিৰুদ্ধে অধৰ্ম্মাচাৰৰ অভিযোগ আনি কৈছিল,—'শঙ্কৰে তুলসী বন্দন, গীতাশাস্ত্ৰ মানানে, পূজা হোম, আগমত সকলো পৰিত্যাগ কৰিছে, দেৱী মূৰ্ত্তি ভাঙিছে ইত্যাদি' আৰু অভিযোগৰ প্ৰমাণ স্বৰূপে পানীত বিসৰ্জন দিয়া কালীমূৰ্ত্তি এটাৰে ফাল্গুৰ তুলি আনি মহাৰাজক দেখুৱাইছিল।

অভিযুক্ত শঙ্কৰদেৱে ধীৰ স্থিৰ ভাৱে উক্ত অভিযোগ খণ্ডন উত্তৰত কৈছিল— 'মহাৰাজ, এইলোক সাতিৱাউসীত মোৰ লগত তৰ্ক যুদ্ধত হাৰি অপমানিত হৈছিল আৰু প্ৰতিশোধ লবৰ মানসেৰে মোৰ ওচৰৰ গুৰা আমি পুজাৰ পিছত উটাই দিয়া কালীমূৰ্ত্তি এটা পানীৰ পৰা তুলি আনি আপোনাক দেখুৱাইছে। আৰু কৈছিল, প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তি মাৰ্গৰ এই দুই প্ৰকাৰ শাস্ত্ৰ আছে, দুই বিষয়েই বেদৰ অন্তৰ্গত। কিন্তু নিবৃত্তি মাৰ্গ বেদৰ ৰহস্য। সদায় মন সংযত কৰি নিবৃত্তি মাৰ্গত চলাটো মানুহৰ উচিত, কিন্তু প্ৰবৃত্তি মাৰ্গত চলোতা সকলৰ আৰু তেওঁলোকে পূজা অৰ্চ্চনা বাবা দেৱতা সকলক নিবৃত্তি মাৰ্গত চলোতা সকলে কেতিয়াও নিন্দাও নকৰিব আৰু কেতিয়াও বন্দনাও নকৰিব, কেৱল কৃষ্ণকেহে অৰ্চ্চনা আৰু ভক্তি কৰিব। কৃষ্ণৰ প্ৰসাদত লোক সংসাৰ সাগৰ তৰিব। গীতা, ভাগৱত আদি পৰা মই মোৰ ধৰ্মৰ বীজ গ্ৰহণ কৰিছো, সেই গীতা ভাগৱতেও ইয়াকেই কয়। এইয়ে মোৰ দ্বাৰা প্ৰচাৰিত ধৰ্মমত, এয়ে তাৰ শিক্ষা।

ৰজাই শঙ্কৰদেৱৰ উত্তৰত সন্তুষ্ট হৈছিল আৰু সসন্মানে শঙ্কৰদেৱক পাটবাউসীলৈ যোৱাৰ সকলো ব্যৱস্থা কৰিছিল। এইদৰে ৰাজসভাত জয় আৰু সন্মান লাভ কৰি বিদ্বেষী ধৰ্মধ্বজী ওচৰ ব্ৰাহ্মণ সকলৰ অহংকাৰ চূৰ্ণ কৰি, শঙ্কৰদেৱে সত্যধৰ্ম প্ৰচাৰত আত্ম নিয়োগ কৰিছিল। ধৰ্ম চৰ্চ্চাৰ লগতে তেওঁৰ সাহিত্য চৰ্চ্চাও অব্যাহত আছিল। বহু নাট আৰু গীত এই সময়ত ৰচনা কৰিছিল। শঙ্কৰদেৱে অগ্নিৰ পৰীক্ষা নকৰাকৈ কোনো ভকতক শৰণ দিয়া নাছিল। এদিন

চাৰিজন চিনাৰ ব্ৰাহ্মণ পণ্ডিত আহি শঙ্কৰদেৱৰ সৈতে নানা শাস্ত্ৰালাপ কৰি প্ৰসংগ ক্ৰমে প্ৰশ্ন কৰিলে যে, 'পৰব্ৰহ্ম নিৰাকাৰ, তেওঁৰ কোনো ৰূপ হ'ব নোৱাৰে।' শঙ্কৰদেৱে উত্তৰত কলে, 'পৰব্ৰহ্ম নিৰাকাৰ হয় কিন্তু জীৱৰ কৰ্ম হেতু ব্ৰহ্মই আকাৰ ধৰি প্ৰকাশ হয়। কৃষ্ণৰ সময়ত আৰু আধুনিকৰ ৰক্ষাৰ নিমিত্তে ব্ৰহ্ম সাকাৰ হৈ অৱতাৰ হয়। যাৰ নাম গুণ কীৰ্ত্তন কৰি লোক সকলে ভৱ বন্ধন নাশ কৰি বৈকুণ্ঠ পায়। আকাৰ বিহীনক চিন্তা কৰিবৰ উপায় নাই দেখি পৰম ব্ৰহ্মই আকাৰ ধাৰণ কৰে।'

শঙ্কৰদেৱে জীৱনৰ শেষ হোৱালৈকে নৰনাৰায়ণ ৰজাৰ অনুৰোধত, হাতীৰ, কাঁৰা চিত্ৰিত হাতী, বাঘ, মানুহৰ, সন্নিকৃষ্ট আদিৰ ধৰ্ম্ম সংক্ৰান্ত মনোনিবেশ কৰিছিল। অৱশেষত ৰজাই কৃষ্ণপ্ৰেমত আকৃষ্ট হৈ শঙ্কৰদেৱৰ পৰা শৰণ লোৱাৰ ঐকান্তিক আগ্ৰহ প্ৰকাশ কৰিছিল। ৰাজকাৰ্য্যত বিঘ্ন হোৱাৰ আশঙ্কা দেখি শঙ্কৰদেৱে প্ৰথমে ৰজাক শৰণ দিবলৈ অনিচ্ছা প্ৰকাশ কৰিছিল যদিও পিছত ৰজাৰ আগ্ৰহ দেখি সন্মতি প্ৰদান কৰিছিল। কিন্তু শৰণ দিয়াৰ আগতেই শঙ্কৰদেৱে ১৪৯০ শকত শুক্লা দ্বিতীয়া তিথিত নশ্বৰ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰিছিল।

শঙ্কৰদেৱৰ নিৰ্দেশ ক্ৰমে মাধৱদেৱে তেওঁৰ সকলোৰ মনত শঙ্কৰ গুৰুৰ স্থান পালে কাৰণ, শঙ্কৰে ৰমানন্দ ঠাকুৰক কৈছিল, 'মাধৱক তুমি পিতা তাই বুলি নাজানিবা গুৰু বুলি মানিবা।' তুমি তেওঁক মোৰ প্ৰতিনিধি বুলি তেওঁৰ পৰাই ভক্তিধৰ্ম্ম শৰণ উপদেশ লভিবা।

+দামোদৰ দেৱে ইতিমধ্যে প্ৰচাৰ কৰিলে মাধৱদেৱে যেনেকৈ শঙ্কৰদেৱৰ ধাৰাত ধৰ্ম্মাধিকাৰ পাইছে তেনে। বিতৰ্ক চৰম পৰ্য্যায় পালে। অৱশেষত দামোদৰে মহাপুৰুষ মাধৱদেৱৰ সম্প্ৰদায়ৰ পৰা বিচ্ছিন্ন হৈ নিজকে ধৰ্ম্মাধিকাৰ বাপে প্ৰচাৰ কৰিবলৈ ধৰিলে। শঙ্কৰদেৱৰ আদেশ স্মৰণ কৰি মাধৱদেৱে শুনবীনিয়াত বহি শ্ৰুতি, স্মৃতি, ভাগৱত, গীতা আদি শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি জীৱৰ মুক্তিৰ নামঘোষা নামঘোষা গ্ৰন্থ ৰচনা কৰিছিল।

ইয়াৰ বিষয়ে বৰগীতৰ আদি হাতিৰ, নামঘৰ আদি সকলোৱে নাটক ৰচিছি, ভাওনা আদিৰ মাধ্যমেৰে কৃষ্ণ মাহাত্ম্য প্ৰচাৰ কৰি উত্তৰ কৰিছেহিঁত হৈ মহাআনন্দত সময় কটাইছিল।

জীৱনৰ শেষ ভাগত ৰজা— লক্ষ্মীনাৰায়ণৰ অনুৰোধত মাধৱদেৱে কোচবিহাৰৰ ৰাজসভা অলংকৃত কৰিছিল। ৰজা, ৰাজকুমাৰ আৰু ৰাজমাতাই তেওঁক স্বাধীনভাৱে কোচবিহাৰত ৰাখিবলৈ সকলো ব্যৱস্থা কৰি দিছিল আৰু শৰণ দিবৰ কাৰণে মাধৱদেৱক অনুৰোধ কৰিছিল। কিন্তু হঠাৎ তেওঁৰ মৃত্যু হোৱাত শৰণ দিয়া কাম অসম্পূৰ্ণ হৈ থাকিল। তেওঁৰ নশ্বৰ ± কাকতবুৰ্হাৰ পাৰত মাধৱদেৱৰ সমাধি কৰা হৈছিল। ইয়াৰ আগতে শঙ্কৰদেৱৰো এই নশ্বৰ শৰীৰতেই দাহ কৰা

+ মাজে নগৰত জামি শৰণ লোৱাই দামোদৰে দেৱে সংস্থাপক হৈছিল— নাগৰ লগত ভূমি শৰণ কৰাইছা, এতিয়ালৈ তাৰ মূৰ্ত্তি, ভাগৱত দিলা, দামোদৰ দেৱ নাম লৈ দিলা হৈলা॥

* কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণে মাধৱ আত্মগোপন কৰি আছিল বৈৰ পাৰিয়া জীৱন ৰক্ষাৰ কাৰণে তেওঁ নিৰ্দেশ দিছিল। এই কোচবিহাৰত অৱস্থাতে মাধৱদেৱ কোচবিহাৰত প্ৰাণ ত্যাগ কৰিছিল।

± শঙ্কৰদেৱৰ কাৰণে নৰনাৰায়ণ ৰজাৰ দ্বাৰা সজোৱা কাকতকুটা নামক ঠাইত ১৪৭০ শকত তেওঁৰ বৈৰ বাসখনি হঠাৎ বাঢ়ি আহি কাকতকুটা সবিশেষ জিলেদি সোমাই দি সেই ঠাইত অৱস্থা বনাই দিছিল।



হৈছিল। মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছতো তেওঁৰ সমাজ আছিল। তেতিয়া তেওঁৰ বৈৰেী সেই সত্ৰ খনাই দিছিল তেতিয়া গোবিন্দ অধিকাৰে খেৰাক জনাই মধুপুৰত সত্ৰ স্থাপন কৰিছিল। শঙ্কৰ মাধৱে জীৱনৰ শেষাৰ সময়ত এই মধুপুৰতেই বাস্তৱ কিবাকি লৈছিল আৰু মধুপুৰত কৃষ্ণ হৈ ঠাইখন ভক্তিযুক্ত বিখ্যাত হয় বুলি মন্তব্য কৰিছিল।

চৰিত পুথি সমূহৰ বৰ্ণনা অনুসৰণ কৰি গুৰু দুজনাৰ জীৱনী আলোচনা কৰা হ'ল। কাৰণ, এই চৰিত পুথি বিলাকৰ বাহিৰে গুৰু দুজনাৰ বিষয়ে জনাৰ এনে কোনো প্ৰামাণ্য গ্ৰন্থ নাই।

উপৰোক্ত আলোচনাৰ পৰা এনে সিদ্ধান্তত আহিব পাৰো। সিদ্ধান্ত সমূহ হ'ল—

(ক) শ্ৰীমন্ত শঙ্কৰদেৱ বঙ্গদেশৰ শ্ৰীচৈতন্যদেৱৰ দৰে ভাগৱতৰ অনুসৰণকাৰী আছিল যদিও মহাপুৰুষ দুজনাৰ মাজত মতৰ, উদ্দেশ্যৰ মিল থাকিলেও পথ অনুসৰণত যথেষ্ট বিভিন্নতা লক্ষ্য কৰা যায়। দক্ষিণ ভাৰতীয় আচাৰ্য্য সকলৰ দাৰ্শনিক ভাব ধাৰাৰে পৰিপুষ্ট ভাগৱত প্ৰমুখ শাস্ত্ৰৰ সাৰ গ্ৰহণ কৰি ভাৰতৰ লোকৰ আধ্যাত্মিক ভাবৰ বৈশিষ্ট্যৰে নতুন ৰূপত ভাগৱতৰ নতুন ৰূপত গঢ়াই মহাপুৰুষ দুজনে প্ৰচাৰ কৰিছিল। এই কাৰণে দুয়ো জনৰ মৌলিক দৃষ্টিভঙ্গী সুস্পষ্ট। শ্ৰীচৈতন্যদেৱ কান্তা ভাৱৰ (মধুৰ-ভাৱ) মাজেদি ভগৱানৰ লগত সাযুজ্য সমাপ্তি লক্ষ্য কৰিছিল আৰু শ্ৰীমন্ত শঙ্কৰদেৱে দাস্যভাৱৰ (সেৱা-সেৱকৰ ভাৱ) মাজেৰেই ভাগৱতোক্ত চৰম পথৰ সাৰ্থকতা উপলব্ধি কৰিছিল। যদিও দুজনৰ মত আছিল অভিন্ন, 'একশৰণ তত্ত্ব' বা (আত্ম সমৰ্পণ)। বহু দেৱ দেৱীৰ স্বাৰ্থপৰ প্ৰকোপৰ বাদত পৰিবৰ্ত্তিত আৰু একমাত্ৰ যে ভাগৱতৰ চৰম প্ৰাপ্তি এই কথা সমসাময়িক কালৰ কবীৰ, নানক, ৰামানন্দ প্ৰভৃতি সন্ত সকলৰ দৰে শ্ৰীমন্ত শঙ্কৰেও বিশ্বাস কৰিছিল।

(খ) ভাৰতীয় অন্যান্য সাধক সকলৰ দৰে যোগাদি প্ৰবৃত্তি (যেনে বিহিত পূজা বিধি, দানে ধ্যান, জীৱ সেৱা প্ৰভৃতি) শ্ৰীমন্ত শঙ্কৰে অস্বীকাৰ কৰা নাছিল কিন্তু প্ৰবৃত্তি মাৰ্গৰ উপাসনাত বহু বাহুল্য আৰু বিলাসিতা বিশেষকৈ বলি দান প্ৰথা, জাতিভেদ প্ৰথা প্ৰভৃতি কু-সংস্কাৰমূলক বিষয়ত তেওঁৰ ঘোৰ আপত্তি আছিল।

(গ) ব্ৰাহ্মণ সকলক শৰণ দি যেনেকৈ এককেন্দ্ৰিক ব্ৰাহ্মণ্য শাসনৰ বিৰুদ্ধে (ব্ৰাহ্মণ সকলৰে একমাত্ৰ গুৰু হোৱাৰ অধিকাৰ, শূদ্ৰৰ অধিকাৰ মাথো সেৱা কৰাৰ, অধস্তন ব্ৰাহ্মণ হোৱা) শঙ্কৰদেৱে মাত মাতি নিজে সেই প্ৰথাৰ বিৰুদ্ধে আচৰণ কৰি দেখুৱাইছিল। সি কাম মহাপুৰুষৰ পৰিপ্ৰেক্ষিতত নিঃসন্দেহে আছিল বৈপ্লৱিক। 'সহিষ্ণুতা' তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ— প্ৰধান বৈশিষ্ট্য আছিল। জোৰ কৰি ধৰ্ম্মান্তৰিত কৰা কাৰ্য্যক বাস্তি স্বাধীনতাত অনধিকাৰ হস্তক্ষেপ বুলি ভাবিছিল। শঙ্কৰদেৱত বিশ্বাসী শঙ্কৰদেৱে জীৱিত কালতেই গুৰু মনোনীত কৰি দিছিল।

(ঘ) ভাগৱত পুৰাণৰ যথাৰ্থ অনুসৰণকাৰী আছিল শ্ৰীমন্ত শঙ্কৰদেৱে। ভাগৱতত উল্লিখিত গোপী সকলৰ মাজত গৌড়ীয় বৈষ্ণৱ বিলাকৰ দৰে ৰাধাৰ অধিকাৰৰ চেষ্টা তেওঁ কথা নাছিল। ভাগৱতত বৰ্ণিত কৃষ্ণ গোপী সকলৰ মাজতেই তেওঁ সকলো অৰ্থ বিচাৰি পাইছিল আৰু ভাগৱতৰ সেই শিক্ষাকেই যথাৰ্থভাৱে অনুসৰণৰ উপদেশ দিছিল। সিহঁতো প্ৰকৃততা ভাৱৰত যাৱতী অন্যান্য ধৰ্ম্ম সম্প্ৰদায়ত লক্ষ্য কৰা নেযায়।

(ঙ) শংকৰদেৱৰ তিৰোধানৰ পিছত তেওঁৰ আদৰ্শ অগ্ৰত ৰাখি শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰ দেৱ, শ্ৰীহৰিদেৱ প্ৰভৃতি ভক্ত সকলে স্বতন্ত্ৰ-ভাৱে মহাপুৰুষীয়া ধৰ্ম্ম সম্প্ৰদায় গঠন কৰিছিল। আৰু এইবোৰ সম্প্ৰদায়ক লক্ষ্য কৰি আৰু কিছুমান উপ সম্প্ৰদায় (যেনে, বামুণীয়া পথ, মিশ্ৰপথ, কালজাৰ পথ প্ৰভৃতি নামৰ) সৃষ্টি হৈছিল। শংকৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম দৰ্শন তেওঁৰ মৃত্যুৰ আগে নাপেই বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন দৃষ্টিকোণৰ দ্বাৰা প্ৰচাৰিত হৈছিল। আৰু সেইটো প্ৰচাৰ আজিও চলি আছিছে।

বিশ্বৰ প্ৰতিটো ধৰ্ম্ম সম্প্ৰদায়ৰ স্বকীয় মত আৰু পথ আছে। সেইটো প্ৰতিটো সকলৰ বিভিন্ন স্থানীয় বৈশিষ্ট্যৰ ওপৰত সদায় নিৰ্ভৰশীল। যদিও সকলো ধৰ্ম্ম মূলে এক আৰু অভিন্ন। ধৰ্ম্মৰ বাহ্যৰূপ (সাম্প্ৰদায়িকৰূপ) স্থান কাল ভেদে বিভিন্ন হবলৈ বাধ্য। শংকৰদেৱৰ মৃত্যুৰ পিছতেই উক্ত ভক্ত সকলে শংকৰৰ প্ৰচাৰিত আদৰ্শৰ লগত সামঞ্জস্য কৰি কিছুমান নতুন মতবাদ প্ৰচাৰ কৰিবলৈ লৈছিল। শ্ৰীচৈতন্যদেৱৰ মৃত্যুৰ পিছতো গৌড়ীয় সম্প্ৰদায় কিছুমানে শ্ৰীচৈতন্য দেৱে প্ৰচাৰ নকৰা মতবাদ প্ৰচাৰ কৰা দেখা যায়। যেনে, সখী (সখী ভাৱৰ সাধনা) ভাৱৰ সাধনা শ্ৰীচৈতন্যই প্ৰচাৰ কৰা নাই কিন্তু শ্ৰীচৈতন্য পৰৱৰ্ত্তীকালত স্থাপিত গৌড়ীয় সম্প্ৰদায়ৰ ভক্ত সকলেহে প্ৰচাৰ আৰু অনুসৰণ কৰি আহিছে। তদ্ৰূপ শংকৰদেৱৰ পৰৱৰ্ত্তী অনুসৰণকাৰী ভক্ত সকলে বিশেষকৈ শ্ৰীমাধৱদেৱে তেওঁৰ মতে মহাপুৰুষীয়া ধৰ্ম্ম সম্প্ৰদায়ত মূৰ্ত্তিপূজা আৰু প্ৰতিষ্ঠা সম্পূৰ্ণভাৱে নিষিদ্ধ কৰিছে।

শংকৰদেৱে বিষ্ণুমূৰ্ত্তি প্ৰতিষ্ঠা আৰু পূজা কৰিছিল এনেকি তীৰ্থ দৰ্শনৰ সময়ত তেওঁক কামিনী দেৱী মূৰ্ত্তি দৰ্শন, গঙ্গা দেৱীৰ (দেৱ) আবাহন আৰু প্ৰণাম, আমৰ বট বৃক্ষক দেৱতা জ্ঞানে আলিঙ্গন কৰা লক্ষ্য কৰা যায়। অন্য দেৱদেৱী মূৰ্ত্তি প্ৰতিষ্ঠা দূৰৰ কথা, বিষ্ণুদেৱ মূৰ্ত্তিৰ প্ৰতিষ্ঠা কৰি পূজাৰ্চনা কৰাৰ পক্ষত মাধৱদেৱে বিৰুদ্ধ আছিল। ধৰ্ম্মাচৰণত নাৰী সঙ্গিনীৰ প্ৰয়োজনৰ কথা মাধৱদেৱে উলঙ্ঘি দিয়া দেখা যায়। শংকৰদেৱে কিন্তু ধৰ্ম্মাচৰণত নাৰীৰ (সহধৰ্মিণীৰ) সম অধিকাৰ স্বীকাৰ কৰি লৈছিল। ধৰ্ম্মক লৈ ব্যৱসায় কৰা ভক্তসকলৰ উগ্ৰ বাবে, মাধৱদেৱে প্ৰচলিত গুৰুপ্ৰথাৰ ঘোৰ বিৰোধী আছিল। সত্ৰাধিকাৰে যাতে অধিকাৰ বিতাকক পৰম লিয়াৰ পৰা বিৰত থাকিবলৈ নিৰ্দ্দেশ দিছিল। সন্ন্যাসী, শৈৱ আৰু কালী-প্ৰত্যক্ষ গমন দিয়াৰ দোষ সূচি মাধৱদেৱে বিধান কৰিছিল।

(চ) শংকৰদেৱ, মাধৱদেৱৰ পৃষ্ঠপোষকতা কৰিছিল যথাক্ৰমে কোচবিহাৰৰ দুই বিখ্যাত ৰজা নৰনাৰায়ণ আৰু তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণে। এই ৰাজসভাতেই উক্ত গুৰুদ্বয়ে নিজকে প্ৰতিষ্ঠিত কৰি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল।

কোচবিহাৰৰ মদনমোহন মন্দিৰত ৰাধা বিহীন মদনমোহনৰ মূৰ্ত্তি প্ৰতিষ্ঠা আৰু পূজা গৌড়ীয় সম্প্ৰদায়ৰ বাহ্যৰূপ প্ৰচাৰৰ মাজত সুদীৰ্ঘ পাঁচশ বছৰৰ অধিক কাল ধৰি শ্ৰীমন্ত শংকৰৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্ম দৰ্শনৰ চিহ্নৰ দৃষ্টান্ত বহন কৰি আছিছে। আৰু বৰ্ত্তমান কামৰূপৰ কামাখ্যা মন্দিৰৰ তন্ত্ৰ সাধনা বা পূজা শাক্ত পন্থী কোচৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভাই চিলাৰায়ৰ তন্ত্ৰ সাধনাৰ আদৰ্শ আশ্ৰিত প্ৰচাৰ কৰি আহিছে। শংকৰ-মাধৱৰ সমসাময়িক আৰু শাক্ত পন্থী ৰজা নৰনাৰায়ণে কামাখ্যাদেৱীৰ প্ৰায় ধ্বংসপ্ৰাপ্ত কামাখ্যা মন্দিৰ সংস্কাৰ কৰি সন্ন্যাসী ব্ৰাহ্মণৰ দ্বাৰা যি শাক্তিপূজা পদ্ধতিৰ প্ৰচলন কৰিছিল আজিও কামাখ্যাৰ পূজাৰী সকলে সেই আদৰ্শকেই প্ৰচাৰ কৰি আহিছে।

বিশেষকৈ মাধৱদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত* সত্ৰত আৰু মাধৱদেৱৰ তিৰোধানৰ পিছত প্ৰতিষ্ঠিত সত্ৰ (মধুপুৰ সত্ৰ) সমূহতো শংকৰ পৰৱৰ্ত্তী কালত সৃষ্ট মহাপুৰুষীয়া ধৰ্ম্ম সম্প্ৰদায়ৰ মতাদৰ্শ প্ৰচাৰিত হৈ আহিছে।

কোচবিহাৰৰ মদনমোহন মন্দিৰৰ পৰা + মধুপুৰ সত্ৰৰ দূৰত্ব একেবাৰে কম হলেও উক্ত দুই তীৰ্থস্থানৰ মনোগত ভাৱৰ দূৰত্ব যথেষ্ট বেছি। এই দুটা দেৱতীৰ্থ যাত্ৰীসকলৰ দৃষ্টি যুগে যুগে আকৰ্ষণ কৰি আহিছে। শংকৰদেৱৰ আদৰ্শৰ অনুসৰণ কোনে সাৰ্থকভাৱে কৰিব পাৰিছে? মধুপুৰ সত্ৰই? নে ৰজা নিৰ্মিত মদনমোহন বাৰী তীৰ্থক্ষেত্ৰই?

লক্ষ্মীনাথ বেজবৰুৱা ৰচিত মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ নামৰ গ্ৰন্থখনিত কেইটামান তত্ত্ব ব্যাখ্যা পৰিবেশিত হৈছে। গ্ৰন্থখনিত আলোচিত 'মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত' শিৰোনামত প্ৰকাশিত প্ৰবন্ধটো (যাৰ লিখক শ্ৰীকমলাকান্ত বৰুৱাদেৱ) কিছুমান আশ্চৰ্য্য আমাৰ দৃষ্টি গোচৰ হোৱা বুলি আলোচ্য প্ৰবন্ধটিৰ ভূমিকাত আমি উল্লেখ কৰিছিলো।

গ্ৰন্থৰ উল্লিখিত বিতৰ্কিত পাতীবোৰৰ কেইটামানৰ যথাযথ উদ্ধৃতি দিয়া হ'ল;

(ক) 'মহাপুৰুষ শংকৰদেৱে [illegible] ঈশ্বৰ বুদ্ধি কৰি উপাসনা কৰাৰ বিৰুদ্ধে শিক্ষা দিছিল।' পৃঃ ১

(খ) '......এইবাৰে গুৰু দুজনাই আন দেৱ-দেৱীৰ পূজা একেবাৰে মানা কৰিছিল আৰু [illegible] শিকাই এই নিষেধ মানাইছিল নিৰ্দ্দয়ক একেবাৰে পৰিত্যাগ কৰিছিল। ইয়াৰ প্ৰায় উদাহৰণ [illegible] বাপু...... দেখত হাতৰ অনুনয় বিনয় কৰা সত্বেও শংকৰে তেওঁক ক্ষমা নকৰিলে।' পৃঃ ৩০৭

সনাতন ধৰ্মত অস্ত্ৰোপাসনাৰ ঠাই নাই। হিন্দু হিয়াক বিশ্বাস কৰে, সকলো (জড় আৰু জীৱ) ± পদাৰ্থত এক অনাদি অনন্ত পৰমেশ্বৰ বিৰাজমান। সেই কাৰণে, প্ৰতিটো বস্তুত পৰমেশ্বৰৰ অধিষ্ঠান জানি বস্তু মাত্ৰকে অৱলম্বন মাত্ৰ জ্ঞানে তেওঁকে উপাসনা কৰা উচিত। যি প্ৰকাৰেই নহওক মানৱ ঈশ্বৰত চিত্ত সংযোগ কৰিব পাৰিলেই ঈশ্বৰৰ উপাসনা সাৰ্থক হয়। শংকৰদেৱৰ বিৰচিত 'ভক্তি ৰত্নাৱলী' এই কথাৰে সুস্পষ্ট অভিব্যক্তি ঘটিছে।

জল বায়ু অগ্নি মহী নক্ষত্ৰ আকাশ।
বৃক্ষ নদী সমুদ্ৰ উত্তৰ দিশ পাশ॥
যাতে আছে সংসাৰত বস্তু যত যত।
কৃষ্ণৰ দেখিব যাৰ মনে সমস্ততো॥
হৰিৰ শৰীৰ ইটো হেন বুদ্ধি কৰি।
সবাকৃতে নমস্কাৰ কৰিব সাদৰি॥

— ভক্তি ৰত্নাৱলী

অতিৰেক, মহাপুৰুষ শংকৰদেৱে জড় মূৰ্ত্তিত ঈশ্বৰ বুদ্ধি কৰি উপাসনা কৰাৰ বিৰুদ্ধে

* কোচবিহাৰৰ ৰজা লক্ষ্মীনাৰায়ণৰ মাধৱ অনুমোদন নপাই [illegible] গোৱা তোৰণা মৈথ গাঁৱৰ কেলাপুৰাৰ শাসত ঠাইত মাধৱদেৱৰ কালকে সত্ৰ পাতি দিছিল। এই সত্ৰকেই গোৱা সত্ৰ নামে জনাজাত হৈছিল।

+ মাধৱদেৱৰ প্ৰয়াণৰ পিছত কোচৰজা [illegible] দেৱা সত্ৰ পুনৰ দিয়ে [ [illegible] ] গোবিন্দ আতৈকহে সত্ৰক [illegible] মধুপুৰত [illegible] কৰিছিল। ইয়াৰ পিছত পুৰুষোত্তম ঠাকুৰ [illegible] সত্ৰ পাতি [illegible] প্ৰচাৰ কৰিছিল।

± বৰ্ত্তমান বিশ্বৰ বৈজ্ঞানিকৰ 'পৰমাণু বিভাজন তত্ত্ব' মতে জড় বস্তু জীৱ শক্তিৰ, এটি শক্তিৰেই বিভিন্ন প্ৰকাশ মাত্ৰ।

কেতিয়াও দিক্ষা দিয়া নাছিল। জড় উপাসনা আৰু পৌত্তলিকতা বিষয় দুটা পৌত্তলিক সাহেব দিলাকৰ অৱদান।

মানৱতাত বিশ্বাসী, ধৰ্মাচাৰত ব্যক্তি স্বাধীনতা আৰু নাৰী-পুৰুষ জাতি-ধৰ্ম নিৰ্বি-শেষে সকলো মানুহৰ সম অধিকাৰ সাব্যস্ত-কাৰী, গুৰুৰ ঐকান্তিক আগ্ৰহ সত্বেও অৱাৰ বিহুতে শৰণ লোৱাৰ সন্দৰ্ভত শ্ৰীমন্ত শঙ্কৰ গুৰুৱে, ব্যাস কলাই বাপুক যিদৰে প্ৰত্যাখ্যান কৰিছে বুলি দিহাকে মত্ত্বা কৰিছে সেই মন্তব্য সাম্প্ৰদায়িক সংকীৰ্ণতা মানৰ দৃষ্টি বুলি আমাৰ বিশ্বাস কৰাৰ থল আছে। বিষয়টো বিচাৰৰ ভাৰ আমি জ্ঞানী সকলৰ হাতত দিলো।

উপসংহাৰত, মোৰ চৰিশ বছৰীয়া জীৱনত মই মহাপুৰুষ দুজনক যিখিনি জানিব আৰু বুজিব পাৰিছো সেইখিনি কুদ্ৰ জ্ঞানেৰেই তেওঁলোকৰ বিষয়ে যথাসাধ্য আলোচনা কৰাৰ চেষ্টা কৰিছো। প্ৰকাশিত অজ্ঞানিত ভুল ত্ৰুটিৰ বাবে মই ক্ষমা বিচাৰিছো। সকলো গুৰুৰ শ্ৰীচৰণত নতশিৰ হৈ মই প্ৰবন্ধৰ সামৰণি মাৰিলো।

॥ ওঁ শ্ৰীশ্ৰীকৃষ্ণাৰ্পণমস্তু ॥

---

জীৱনটোৱেই হ'ল মানুহৰ আটাইতকৈ হেপাহৰ আৰু মৰমৰ বস্তু। কিন্তু মানুহে জীৱনটো মাথো এবাৰহে পায়। সেই কাৰণে তেওঁ জীৱনটো এনেভাৱে যাপন কৰা উচিত— যাতে অতীতৰ অৰ্থহীনতা আৰু কাপুৰুষতাৰ অৱমাননাকৰ স্মৃতিয়ে তেওঁৰ অন্তৰ ক্ষত-বিক্ষত কৰিব নোৱাৰে, যাতে উদ্দেশ্যহীনতাৰে অসচ্ছ কৰা বৰুৱৰ স্মৃতিয়ে তেওঁক লজ্জা দিব নোৱাৰে। যাতে তেওঁ মৰিবৰ সময়ত এই বুলি কৈ মৰিব পাৰে : 'পৃথিৱীৰ আটাইতকৈ ডাঙৰ কামটো অৰ্থাৎ মানৱ জাতিৰ মুক্তিৰ কাৰণে মই মোৰ সমস্ত জীৱন আৰু শক্তি-সামৰ্থ্য উছৰ্গা কৰিছিলো।'

— লেনিন।



# কবি গণেশ গগৈৰ কবিতাৰ ওপৰত এটি আলোকপাত।

□ বংকিম তালুকদাৰ।

একজন সমালোচকে কবি গণেশ গগৈৰ ওপৰত কৰা সমালোচনাত লিখিছিল "লোকপ্ৰিয় কবিতাই যে কেৱল শ্ৰেষ্ঠ কবিতা তাক ধৰা টান। গগৈৰ কবিতাৰ বিষয়বস্তু তেওঁৰ ব্যক্তিগত জীৱনৰ পৰা পাইছে, তেওঁৰ কবিতা বিলাক স্বাৰ্থ চিন্তাযুক্ত আৰু বাস্তিগত। গগৈ পঢ়া-শুনা কৰা কামটো ভাল নেপাইছিল। আমি ভাবো এই কাৰণেই গণেশ গগৈৰ কবিতা শ্ৰেষ্ঠ কবিতা নহয়।"

ওপৰোক্ত মনোভাৱ ব্যক্ত কৰা সমালোচক সকলে এখাৰ কথা মনত ৰখা উচিত যে গণেশ গগৈয়ে অসমৰ সৰ্বশ্ৰেষ্ঠ কবি হবৰ আশা কৰি "ভাল ভাল গ্ৰন্থ পঢ়ি মানসিক চৰ্চা বৃদ্ধি কৰি বা অতীন্দ্ৰিয় অতি মানসিক ভাৱৰ কবিতা লিখা নাছিল। তেওঁ লিখিছিল চকুৰ দেখা জগত খনৰ কথা, মানুহে লোৱা-দিয়াৰ হৃদয়ভিত্তিক কথা।"

গণেশ গগৈ আছিল তেজ-মাংসৰে গঠিত আমাৰ চিনাকি একজন মানুহ। তেওঁ কেতিয়াও অতীন্দ্ৰিয়, অতি মানবিক বা বিজ্ঞান সম্মত কল্পনা কৰি নিজক ফাকি দি কবিতা লিখা নাছিল। তেওঁক কোনো ইংৰাজী, বঙালী বা আন ভাষাৰ কবিয়ে প্ৰভাৱান্বিত কৰা নাছিল। নিজৰ জীৱনত ঘটা ঘটনা বোৰকে তেওঁ কবিতা দলিৰ চাৰা গাঁথি গৈছে।

কলেজত প্ৰবেশ কৰা দিনাৰে পৰাই গগৈৰ কবিতাৰ মাধ্যম লোৱাইছিল প্ৰণয়ৰ্থী জনসমাজ আপনাই পাওঁতৰে। গগৈয়ে তেখেতক খুব ভাল পাইছিল। মানুহে যাক ভাল পায় তাক অমৰ কৰি ৰাখিবলৈ বিচাৰে। ছাত্ৰৱাসত সমৰ্থক জনসমূহ পৰা ভাল পাইছিল যাৰে সমাৰ দিহঁতো তাওঁসমস্ত সকলোই সমৰ্থনৰ স্মৃতি যুগমীয়া কৰিলে। গগৈয়েও সেই কাৰণ ৰহস্য গোটেই প্ৰকৃতিৰ বুকুত বিচাই দিয়ে আৰু হৃদয়ৰূপী এটা সুকীয়া আদৰ্শৰে গঢ়ি তুলিলে। আপোন জনক কবিতাৰ মাজেৰে চিৰজীৱী কৰিলে। খেদিয়া গগৈৰ সোণৰ সপোন সমাজৰ প্ৰৱো-চনাত আৰু নিয়তিৰ কুচক্ৰতো ভাগি গ'ল, তেতিয়া তেওঁ গোটেই জগত খনকে এন্ধাৰ দেখিলে, জীৱনৰ মমতা নোহোৱা হ'ল আৰু তেওঁৰ কাপৰ মাজেৰে কান্দোন আহি অশ্ৰু-সিক্ত কৰিছিল হৃদয়।

'পাপৰি' গণেশ গগৈৰ কাব্য জীৱনৰ প্ৰথম প্ৰকাশ খণ্ড। ইয়াত গগৈৰ সৃষ্টি শক্তিৰ অসীম ক্ষমতা পৰিলক্ষিত হৈছে। বহুতেই ভাবে যে 'পাপৰি' গণেশ গগৈৰ এটি অৰ্থহীন

প্ৰেমৰ কবিতা। কিন্তু ইয়াৰ প্ৰত্যেক কবিতা কবিতা স্বাৰ্থপূৰ্ণ। 'পাপৰি'ত আছে গণেশৰ জীৱনৰ প্ৰতি ধাৰণা, তেওঁৰ ধৰ্ম আৰু জীৱন দৰ্শন ইত্যাদি। সঁচা কথা কবলৈ গ'লে 'পাপৰি' গণেশৰ অপূৰ্ব সৃষ্টি আৰু অসমীয়া সাহিত্যত ইয়াৰ তুলনা নাই।

'পাপৰি' কাব্যগ্ৰন্থৰ পৰা শেষ ফালিলৈকে কবি গণেশৰ গভীৰ জ্ঞান আৰু কল্পনা শক্তিৰ স্পষ্ট পৰিচয় পোৱা যায়। 'পাপৰি' যিখিনিতেই পঢ়া যায় সিখিনিতেই তাত নতুনত্ব পোৱা যায়। সেই গতিকে এজন সমালোচকে লিখিছে, "গণেশৰ পাপৰিৰ প্ৰতিখিলা পাততে কাহানিও নমৰহা নতুন ভাব-ভাষা আৰু মাধুৰ্য্যৰ অভাৱ নাই। পাপৰি এক উদ্দেশ্যলৈ লিখা আৰু গোটেইবোৰ কবিতা একেডাল সূতাৰে গঁথা বুলিব পাৰি।

কবি গণেশৰ কাব্য জীৱনত অধিকাংশ যোগাইছিল এটি নাৰীমূৰ্তিয়ে। তেওঁ সেই ভাগ্যৱতী নাৰীক পাবলৈ বিচাৰিছিল— কায়িক সংযোগ বা ভোগ বিলাসৰ বাবে নহয়, মনৰ শান্তিৰ বাবে। কবিয়ে বিশ্বাস কৰিছিল যে যিহেতু মানুহ মৰণশীল, গতিকে মৃত্যুৰ পিছত মানুহৰ কোনো স্মৃতি নেথাকিব। কিন্তু স্মৃতি নথাকিলে জগতৰ কথাৰ কোনো অৰ্থ নাথাকে। সেই কাৰণে তেওঁ এটি বিশেষ নাৰীক বিচাৰিছিল, তেওঁৰ স্মৃতি ৰূপায়িত কৰিবৰ বাবে— তেওঁৰ লগত দিনে দিনে ক্ষয় হৈ যোৱা জীৱনত মানসিক শান্তি লাভ কৰিবৰ বাবে। তেওঁৰ আশা শেষত নিৰাশাত পৰিণত হ'ল তেতিয়া তেওঁৰ বন্ধুৰ অনুৰোধত 'পাপৰি' ৰচনা কৰে। 'পাপৰি'ত আছে তেওঁৰ জীৱনৰ সকলো অনুভূতি, জীৱনৰ ঘাত-প্ৰতিঘাতৰ সকৰুণ ছবি।

মানুহৰ জীৱন দিনে দিনে ক্ষয় প্ৰাপ্ত হয়, মৃত্যুৰ মুখলৈ লাহে লাহে আগবাঢ়ি যায়। যুগে যুগে মানুহৰ জন্ম হৈছে আৰু ধৰাত আৰু লয়ও হৈছে এই ধৰাতে কিন্তু ৰৈ গৈছে মাত্ৰ প্ৰেম-প্ৰীতিৰ অপূৰ্ব টানেকি। এই ক্ষণ-ভংগুৰ জগতত সকলো প্ৰেমে কালক জয় কৰি জগতত স্থিতি লাভ কৰে। ঠিক যেনেকৈ জগতত সুঘ্ৰাণ বিলোৱা পদুম ফুলেও কালক নমৰা শুদ্ধ কৰি পৰাজয় স্বৰূপ কৰি ধৰাহি যায়। শান্তি সৰি পৰে, লেপু উৰি যায়। কিন্তু পাপৰিবিলাক ঠাইত লাগি থাকে, সেই দৰে মানুহৰ দুদিনীয়া সংসাৰত দুদিনৰ স্মৃতি স্থায়ী হৈ ৰয়। কবিয়ে বিশ্বাস কৰে যে পদুমৰ পাপৰি যেনেকৈ শান্তি আৰু বেণুকলৈ কিছুদিন স্থায়ী হয়, সেই দৰেই তেওঁৰ জন্মৰ 'পাপৰি' অৰ্থাৎ প্ৰীতি প্ৰণয়ৰ অপূৰ্ব কাহিনী মৃত্যুৰ পিছতো কিছুদিনৰ বাবে থাকি যাব। এয়েই পাপৰি ৰচনা কৰা আৰু নামকৰণৰ সৰল উদ্দেশ্য।

পাপৰিৰ ছন্দ, ৰচনা ৰীতি সম্পূৰ্ণ নতুন। গোটেই কাব্যখন একেটা ছন্দতে লিখা কিন্তু এই ছন্দ পূৰ্বতে অসমীয়া সাহিত্যত পোৱা নাযায়। কবি আৰু সেটাকে যুটীয়া মিলনত এই নতুন ছন্দৰ সৃষ্টি হৈছে।

পাপৰিৰ এটা বিশেষত্ব হৈছে ইয়াত গণেশে শব্দৰ কেইখনমান ৰং ধুনীয়া ছবি আঁকিছে। সেই কাৰণেই তেওঁক শব্দৰ যাদুকৰ বোলা হয়। পাপৰি যদিও গণেশৰ জীৱনৰ শ্ৰেষ্ঠ কবিতা নহয়, ই অসমীয়া জাতীয় জীৱনৰ শ্ৰেষ্ঠ কবিতা। আন আন অসমীয়া কবিতাতকৈ ইয়াৰ এটি সুকীয়া বৈশিষ্ট্য আছে। সেয়া হ'ল ইয়াৰ অনবদ্যতা। ইয়াতো কোনোবাই ক'ব পাৰে যে পাপৰি হ'ল প্ৰেমৰ কবিতা, গতিকে ই শ্ৰেষ্ঠ হ'ব নোৱাৰে। কিন্তু উক্ত মনোভাৱ পোষণ কৰা সকলৰ জনা উচিত যে প্ৰেম হ'ল স্বৰ্গীয়। আদিম যুগৰ পৰাই মানুহ জীয়াই আছে কেৱল প্ৰেমক আধাৰ হিচাপে লৈ। মানুহৰ জীৱনৰ বিভিন্ন ৰূপ, সাজ পোচাক প্ৰকৃতি আদি তেওঁৰ কবিতাৰ মাজেদি প্ৰকাশ পাইছে। জীৱনত মুহূৰ্ত্তে মুহূৰ্ত্তে মানুহৰ মনত যিমান বিলাক ভাৱৰ সমাৱেশ আৰু পৰিৱৰ্ত্তন হয় সেই সকলোবিলাকেই গগৈয়ে পাপৰিত খুপ খুৱাই থৈছে। গগৈয়ে আদিৰ পৰাই সংগীত বৰ ভাল পাইছিল আৰু এটা কবিতাত তেওঁ লিখিছে—

"সংগীতেই সখী মোৰ সিয়ে বান্ধে প্ৰাণ মোৰ
সিয়ে দিয়ে মৰমত শান্তি সুধা দান।"

সংগীতৰ আছে প্ৰাণ-মুহিব পৰা শক্তি। ঠিক তেনেদৰে নাৰীও সৌন্দৰ্য্যশালী, নাৰীৰো প্ৰাণ মুগ্ধ কৰিব পৰা ক্ষমতা আছে। সেই গতিকে নাৰীকো প্ৰকৃতি বোলা হয়। প্ৰকৃতিৰ কৰুণ আৰ্ত্তনাদৰ পৰাই যেনেদৰে আদি কবি বাল্মীকি ব্যাকুল হৈছিল আৰু সেই ব্যাকুলতাৰ পৰাই জন্ম হৈছিল ৰামায়ণৰ, ঠিক তেনেকৈ প্ৰকৃতি স্বৰূপা নাৰীৰ কৰুণ বিননিৰ সুৰেই কবি গণেশ গগৈৰ হৃদয় আকুল কৰি তুলিলে আৰু উক্ত সুৰৰ সন্ধানতেই হ'ল পাপৰিৰ জন্ম। গগৈয়ে নাৰীকণ্ঠৰ এটি সকৰুণ গীত শুনিলে। ঠিক সেই সময়তে কবিৰ চকুৰ আগত দেখিলে সৃষ্টিৰ বিকাশ, সৃষ্টিৰ মাহাত্ম্য আৰু স্ৰষ্টাৰ অপৰিসীম কৌশল—

"বিলত তিৰবিৰাই পদুমৰ পাহি ঐ।
কোনে গায় মৰ্ত্তসনা সুমধুৰ গান,
কোন সিটি দেৱবালা গানৰ সুৰেৰে তানে
কৰিলে আকুল মোৰ বিহ্বাকুল প্ৰাণ।"

মানুহৰ যৌৱনত কল্পনা শক্তি বাঢ়ে, সৌন্দৰ্য্য সাধনাৰ ভাব প্ৰখৰ হয়। সৌন্দৰ্য্যশালিনী নাৰীৰ সেই সকৰুণ সংগীতৰ সুৰে তেওঁৰ সুপ্ত হিয়াক জগাই তুলিলে। আদিমৰ পৰাই তেওঁ সেই সুৰ শুনিছিল যদিও যৌৱনৰ এই সুৰটোৱে তেওঁক যেন বৰ আকৃষ্ট কৰিছে।

প্ৰেম বা ভালপোৱাই মানুহৰ জীৱনত অযাচিতে আহি নয়। কোনে কেতিয়া কাক ভাল পায় আৰু কাৰ কাৰণে কেতিয়া মৰমৰ ধাৰ ধাৰে তাক কোনেও নাজানে। ভাল পোৱাই বিচাৰ নকৰে ধনী-দুখীয়া উচ্চ-নীচ আৰু আপন। ভালপোৱা কিয় কেনেকৈ বিয়পি পৰে তাক ভাল পাইছিল তাক তেওঁৰ বাহিৰে আন কোনেও নাজানে। কবিয়েও সেই নাৰীৰ সৌন্দৰ্য্যৰ পৰশত পৃথিৱীখনক নতুন নতুন দেখিছিল—

"তোমাক আপত দেখি আন কৰি আজি মই
পৃথিৱী জগতখনি দেখিছোঁ নতুন।"

গগৈ আছিল মূলতঃ মানুহৰ কবি। সেই গতিকে নেদেখা ঈশ্বৰতকৈয়ো তেওঁ মানুহৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। মানৱ পূজাৰী গগৈয়ে মানৱীয়া নাৰীৰ ৰূপ যিমানখিনি বখানিছে তেনেকৈ কোনো অসমীয়া কবিয়ে নাৰীৰ ৰূপ অংকিত কৰি প্ৰকাশ কৰা নাই। গগৈয়ে নাৰীৰ বিপক্ষে থকা প্ৰচলিত প্ৰাচীন ধাৰণাৰ বিপক্ষে মত পোষণ কৰিছিল। প্ৰাচীন বিলাক কবিয়ে নাৰীক পুৰুষৰ চিৰদিনা আৰু ভোগ বিলাসৰ সামগ্ৰী বিশেষ বুলি ধৰা কথাটোত এটা অমানৱীয়তাৰ প্ৰতিধ্বনি দেখিবলৈ পাইছিল। কিন্তু গগৈয়ে সেই নাৰীক দেৱীৰূপা, শক্তিৰূপা বাবে বৰ্ণনা কৰিছে। ইয়াতেই কবিৰ নাৰী-পুৰুষৰ সাম্যবাদৰ ধ্বনি প্ৰস্ফুটিত হৈছে। তেওঁ জানিছিল যে নাৰীৰ মহিমা অসীম। নাৰীয়েই পুৰুষৰ শৈশৱত মাতৃ, যৌৱনত অৰ্ধাঙ্গিনী আৰু বৃদ্ধকালত সহধৰ্মিণী। সেয়েহে গগৈয়ে মাতৃসম নাৰীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। অৰ্জুনে প্ৰিয় সখা শ্ৰীকৃষ্ণৰ মাজত বিশ্বৰূপ দেখাৰ দৰে কবি গগৈয়েও নাৰীৰ মাজত প্ৰকৃতিৰ সকলো ৰূপ দেখা পাইছিল। সেয়েহে অন্য কবিৰ দৰে তেওঁ নাৰীক পিশাচিনী, নিয়তি বোলা নাছিল, বুলিছিল দেৱী। সেই দৰে নাৰীৰ প্ৰতি থকা শ্ৰদ্ধাৰে কবিয়ে পূজা উপাসনা নাৰীৰ আৰ-

কাবেৰে বিভূষিত কৰি প্ৰেমৰ পবিত্ৰতা আৰু বৃদ্ধি কৰিছে—

"ভাল পোৱা অন্তৰত মিঞ্জলি চেনেহ আছে
মহাৰ্ঘ ৰতন মোৰ সেয়ে তোমালৈ।
সেয়েই তুলসী মোৰ সেয়ে গঙ্গাজল
তাতেই দুবৰি আছে তাতে বেলপাত"

কিন্তু হঠাৎ কবিৰ চকুৰ আগত নাৰীৰ জাগতিক ৰূপ মূৰ্ত্তমান হ'ল। তেওঁ ধৰিব পাৰিলে নাৰীৰ প্ৰকৃত ৰূপ আৰু মূল্যহীন লাৱণ্য। স্থিতপ্ৰজ্ঞ কবিয়ে কিন্তু ইয়াৰ বাবে জীৱনৰ লক্ষ্যৰ পৰাও অৰ্থাৎ সৌন্দৰ্য্য সাধনাৰ পৰাও বিৰত নাথাকে—

"কিজানি ভাবিছা তুমি তুমি এৰি গুচি গ'লে
সোণৰ হৰিণী মোৰ যাব ভাল কালি,
কিজানি ভাবিছা তুমি তোমাক নেপাই মই
হেৰুৱাম জীৱনৰ সেন্দুৰীয়া আলি।"

মানুহৰ ভাগ্য নিয়ন্ত্ৰণ কৰে বিধিয়ে। মূঠৰ ওপৰত গণেশ গগৈ হ'ল মানুহৰ কবি। তেওঁৰ কবিতা কল্পনাৰ কাচ-ঘৰ নহয়—সম্পূৰ্ণ বাস্তৱিক। ৰূপ-ৰস, শব্দ-গন্ধেৰে পৰিপূৰ্ণ এই নিত্য বৰ্তমান পৃথিৱীখনৰ তেওঁ কবিতা লিখিছিল। পাপৰি চৌষষ্ঠিটা ফাকিৰ এটা কবিতা যদিও ইয়াক পঢ়িলে সদায় নতুনত্ব পোৱা যায় আৰু প্ৰথম শাৰীৰ পৰা শেষৰ শাৰীলৈকে ইটোৰ লগত সিটোৰ সম্বন্ধ স্পষ্ট হৈছে। 'পাপৰি' পঢ়িলেই কব পাৰি যে ই অতি কম সময়ৰ ভিতৰতে লিখি উলিওৱা কবিতা। ইমান কম সময়ৰ ভিতৰত এজন কবিৰ মনত কিমান বিলাক ভাবৰ উঠা নমা কৰে, তাক লক্ষ্য কৰিবলগীয়া।

গণেশ গগৈয়ে পাপৰি ১৯৩৪ চনতে লিখে আৰু সেই একে চনতে স্বপ্ন নামৰ এটি দীঘলীয়া কবিতা পাপৰিৰ পৰিপূৰক হিচাবে লিখিবলৈ ধৰে যদিও কুৰি ফাকি লিখি এৰি দিয়ে। আকৌ ১৯৩৪ চনৰ শেষৰ ফালে 'পাপৰি স্বপ্ন' বুলি আন এটা কবিতা লিখিবলৈ আৰম্ভ কৰিলে যদিও মুঠতে আঠোটা ফাকি লিখিয়েই এৰি দিয়ে। ইয়াৰ ঠিক ডেৰ বছৰ পিছত অৰ্থাৎ ১৯৩৬ চনত গগৈয়ে 'স্বপ্ন ভংগ' বুলি আকৌ এটা কবিতা লিখে। কিন্তু ইয়াত তেওঁ স্বৰ্গৰ কল্পনা কৰা নাই, কৰিছে মৰ্ত্তৰ কথাহে।

মানুহ মাত্ৰেই জীৱনত সুখী হোৱাৰ কল্পনা কৰে। গগৈয়েই নিশাৰ সপোনৰ নিচিনাকৈ মায়া-জালেৰে আৱৰা সংসাৰত এটা ৰঙ ধুনীয়া কল্পনা কৰিলে—

"স্বপ্নৰ মাজত বহি সপোন ৰচনা
মানুহে নিতৌ কৰে মইও কৰিছিলো
সেন্দুৰীয়া সপোনৰ সোণালী কিৰণ
মাৰ গ'ল আজি মাথো ভুকিছো চকুলো
স্বপ্ন ভংগ স্বপ্ন মোৰ নিলাজ প্ৰাণৰ
সুৰহীন ঐকতান বিৰহ গানৰ।"

এয়াই হ'ল গগৈৰ 'স্বপ্ন ভংগ' লিখাৰ ব্যাখ্যা। ইয়াৰ মাজেৰেই গগৈয়ে মিলনৰ পিছত বিৰহৰ কথা কৈ আত্মসন্তুষ্টি লাভ কৰিছে।

স্বপ্ন ভংগ কবিতাৰ প্ৰথমতেই তেওঁ লিখিছে যে তেওঁৰ প্ৰেম অতি পবিত্ৰ। শ্ৰীকৃষ্ণই ৰাপৰ মুলত যেনেকৈ ৰাধা আৰু অন্যান্য গোপীসকলক বিচাৰিছিল আৰু তেওঁলোকৰ কাৰণে অপেক্ষা কৰিছিল, ঠিক তেনেদৰে গগৈয়েও প্ৰিয়জনৰ কাৰণে অপেক্ষা কৰিছিল—

"আজি অত দিন একেটি ভাৱতে
একে কদমৰ তলত ৰই
বাট চাই সখি আছিলোঁ তোমাকে
মনৰ পিয়াহ মনতে লই।"

প্ৰথম ফাকি কবিতাৰ পৰাই গগৈৰ প্ৰেমৰ পবিত্ৰতাৰ কথা জনা যায়। কিন্তু কবিৰ প্ৰেম যেন বিধিয়ে সহ্য কৰিব পৰা নাই। সেয়েহে ভাৰতীয় দৰ্শনৰ ওপৰত অগাধ বিশ্বাস থকা অদৃষ্টবাদী কবিয়ে লিখিছে—



"তুমি ভাল পোৱা, মইো ভাল পাওঁ
বিধিয়ে সহিব নোৱাৰে তাকে,
মধু মিলনৰ মোহিনী পটত
চিৰ বিৰহৰ ছবিটি আঁকে।"

কবি গণেশ গগৈৰ পাপৰিৰ পাচত লিখা এই 'স্বপ্নভংগ' নামৰ কবিতাটোত কবিয়ে হিন্দু ধৰ্মৰ দৰ্শনৰ মাজলৈ সোমাই গৈছে আৰু মানৱৰ ক্ষুদ্ৰ প্ৰেমক ঐশ্বৰিক প্ৰেমলৈ ৰূপান্তৰিত কৰিছে। গণেশ গগৈৰ 'স্বপ্নভংগ' যদিও 'সুৰহীন' ঐকতান বিৰহৰ গান বুলি কৈছে তথাপিও সেই সুৰ আমাৰ মানুহৰ কৰুণ সুৰ যি সুৰটো মানুহে এই জাতিস্মৰ পৃথিৱীৰ বুকুৰ পৰা মেলানি মাগে। সেই সুৰ প্ৰেমৰ নহয়, বিৰহৰ নহয়, সেই সুৰ মানুহৰ জীৱনৰ সুৰ।

১৯৩৮ চনত গগৈৰ মৃত্যুৰ পিছত তেওঁৰ বন্ধুবৰ্গই মিলি তেওঁৰ অপ্ৰকাশিত কবিতা বিলাক থূপ খুৱাই 'ৰূপজ্যোতি' নামৰ এখন কবিতা পুথি ৰচনা কৰে আৰু ১৯৪৫ চনত ইয়াৰ প্ৰথম সংস্কৰণ প্ৰকাশ হয়। 'ৰূপজ্যোতি'ৰ কবিতা বিলাকো বহলভাৱে পাঁচ ভাগত ভগাব পৰা যায়। যেনে— প্ৰকৃতিমূলক, দেশপ্ৰেম মূলক, বিৰহৰ আৰু খুহটীয়া কবিতা। কবিতা পুথিখন পঢ়িলে এনে লাগে যেন আমি কোনোবা ছন্দৰ যাদুকৰৰ হাতৰ পুতলাহে। তেওঁ জীৱনত কোনো কবিতাৰ ভাঙনি কৰা নাছিল বা লিখনি বিলাকতো ছাঁ পৰা নাছিল।

অসমীয়া কাব্য সাহিত্যত জাতীয় কবি হিচাবে গণেশ গগৈৰ এখন সুকীয়া আসন আছে। তেওঁৰ ৰোমাণ্টিক কবিতাৰ জনপ্ৰিয়তাৰ কাৰণে পাঠকে জাতীয় কবিতাৰ লিশটোলৈ মন নকৰে। তেওঁৰ কবিতাবোৰত দেশপ্ৰেমৰ স্পষ্ট ছবি পোৱা যায়। শিশুৱে যেনেকৈ জন্মদাত্ৰী মাতৃক 'তই' বুলি সম্বোধন কৰে, ঠিক তেনেকৈ গগৈয়েও নিজৰ জন্মধাত্ৰী মাতৃক 'তই' বুলি সম্বোধন কৰিছে—

"অসম অসম অ' আই অসম জন্মভূমি তীৰ্থ ঠাই
ধন্য আমাৰ জন্ম জননী পুণ্য পদৰ পৰশ পাই
সোণৰ অসম নহ'ব আই তই
ৰূপৰ অসম নহ'ব"

ঠিক এনেদৰে আৰু বহুতো কবিতাৰ মাজেৰে তেওঁ তেওঁৰ দেশপ্ৰেমৰ প্ৰকৃত প্ৰতিচ্ছবি দাঙি ধৰিছে। অসমৰ পুৰণি বীৰত্বব্যঞ্জক কাহিনীৰ অৱতাৰণা কৰি তেওঁ উত্তৰ পুৰুষলৈ 'সাহসৰ সুধা' এৰি থৈ গৈছে।

মূঠৰ ওপৰত গণেশ গগৈ হ'ল মানুহৰ কবি আৰু অসমৰ জাতীয় কবি। অতি কম দিনৰ ভিতৰতে গগৈয়ে যিখিনি সাহিত্য সম্ভাৰ আমালৈ বুলি এৰি থৈ গ'ল তাক কোনো অসমীয়া সাহিত্যিকৰ দ্বাৰা সম্ভৱপৰ নহয়। তেওঁৰ অকাল বিয়োগত অসমীয়া সাহিত্যৰ ভঁড়ালৰ যিখিনি ক্ষতি হ'ল তাক কোনেও আজিলৈকে পূৰাব পৰা নাই।

---

প্ৰবন্ধটি যুগুতোৱাত তলত উল্লেখ কৰা পুথি কেইখনৰ সহায় লোৱা হৈছে—
১। গণেশ গগৈ আৰু তেওঁৰ কবিতা—যতিনাৰায়ণ শৰ্মা।
২। অসমীয়া সাহিত্যৰ ৰূপ-ৰেখা—মহেশ্বৰ নেওগ।
৩। গণেশ গগৈৰ 'শকুনিৰ প্ৰতিশোধ' নাটকৰ পাতনি আৰু অন্যান্য আলোচনী।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত মুক্তি-পথৰ নিদৰ্শন।

□ অৰবিন্দ নাথ।

জয় জয় শঙ্কৰ    সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণক    ৰেণু শত কোটি
বাৰেক কৰোহো প্ৰণাম।

শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি ধৰ্মটো বৈদিক বৰ্ণাশ্ৰম ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত বুলি কিছুমানে নিয়াকে কৰলৈ প্ৰয়াস কৰিছে। আগৰ কালত বৈদিক যুগত মানুহৰ জীৱন সময়ভিত্তিক চাৰিটা স্তৰত ভাগ কৰিছিল— (১) ব্ৰহ্মচৰ্য, (২) গাৰ্হস্থ্য (৩) বানপ্ৰস্থ আৰু (৪) সন্যাস। সেই যুগত ল'ৰাৰ পাচ বছৰ বয়স হলে সৰু লৰাই দেখিলা ভালেগৈ শিক্ষাৰ্থে গুৰুৰ ওচৰলৈ শিক্ষা পঢ়াৰ কাৰণে পঠাই দিছিল। উক্ত কাৰ্যক উপনয়ন বোলে। ২৫ বছৰলৈকে গুৰুৰ আশ্ৰমত থাকি বিদ্যা উপাৰ্জন কৰিছিল। এই সময়-ছিনিত মাক-বাপেকৰ লগত কোনো সম্পৰ্ক নাৰাখিছিল। এই সময়ছিনিক ব্ৰহ্মচৰ্যকাল বোলে। এই কালছোৱাত সম্পূৰ্ণ সংযমী হৈ থাকিব লাগে। কিন্তু আজি কালি ব্ৰাহ্মণ শিশুক বৈদিক উপনয়ন কাৰ্যটো কৰণ দিয়া কাৰ্যতেই সীমিত কৰি ৰাখিছে। তাৰ পিছত বিদ্যা উপাৰ্জন কৰি গুৰুৰ আশ্ৰমৰ পৰা উভতি আহি বিয়া বাৰু কৰাই গাৰ্হস্থ্য আশ্ৰমত প্ৰৱেশ কৰি গৃহস্থী হয়। গাৰ্হস্থ্যাশ্ৰমত থাকি মানুহে সন্তান জন্ম দি ধন সম্পত্তি টকা পইচা ঘটাত লাগি থাকে। সিহঁতৰ ল'ৰা-ছোৱালীবোৰ যেতিয়া ব্ৰহ্মচৰ্য্যকাল শেষ কৰি উভতি আহে তেতিয়া সিহঁতকো গৃহস্থী কৰি উপযুক্ত হলে ঘৰৰ সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰি ঘৰ বাৰী এৰি পিতৃসকল বানপ্ৰস্থী হৈছিল। বনতে সন্ন্যাসীৰ নিচিনা থাকি ঈশ্বৰ চিন্তাপৰায়ণ হৈ ব্ৰহ্ম চিন্তা কৰি সময় অতিবাহিত কৰিছিল— এইদৰে ব্ৰহ্ম চিন্তা কৰি বনতে দেহ ত্যাগ কৰি ব্ৰহ্মলোক প্ৰাপ্ত হয়। এইয়েই হ'ল বৈদিক যুগৰ চতুৰ আশ্ৰমৰ ব্যৱস্থা। সেই সময়ত ভাৰতবৰ্ষত বনে বনে জনপূৰ্ণ আছিল, যানা ভাৰতৰ সকলো যুগৰ হৈছে সেই বনবিলাক ভৰি আছিল আৰু দেশত বিশুদ্ধ পানী, বিশুদ্ধ বায়ু আছিল কিন্তু আজি কলিৰ দোষে তেনেকুৱা ঠাই পাবলৈ নাই। এতিয়া অৰণ্য—লোকাৰণ্য হৈছে। সেয়েহে বৰ্তমান যুগত বৰ্ণাশ্ৰম ধৰ্ম নাই। এইবোৰ জানিয়েই আমাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কলিযুগত বৰ্ণাশ্ৰম ধৰ্ম বাদ দি সংসাৰত থাকি সংসাৰ কৰি গৃহস্থী হৈ হৰি ভক্তি কৰি মুক্তি পোৱাৰ সুগম পথ আমাক দি থৈ গৈছে। সেয়েহে গুৰুজনাই কীৰ্তনত লিখিছে এনেদৰে—

উদ্ধৱক সম্বোধি মাধৱ কৃষ্ণে কহে।
কৰ্মবন্ধ এৰাইবে প্ৰবন্ধ বাৰ আছে॥
বিষ্ণুৰ সম সিটো যি অধমত।
মোহক চৰিত্ৰ শুনিবেক ভকতত॥
মোৰ নাম কীৰ্তন কৰিব সৰ্বক্ষণে।
সম্পদত মোৰ পাপ ছিণ্ডিব সহজে॥

[কীৰ্তন]

আকৌ মাধৱদেৱে গুৰুৰে ঘোষাত লিখিছে এনেদৰে—

যদি নিগমৰ্ষি মনুস্মৃতি ৰাম, ৰাম ৰাম ৰাম ৰাম,
কিনো তৃষ্ণা লোক কৰিবাক নাৰায়ণ।
সেয়ো দুৰ্জন আচিৰায়, ৰাম, ৰাম, ৰাম,
ৰাম ৰাম
দুহতে থাকিয়া দেখিলো প্ৰভু চৰণ॥

[নাম ঘোষা]

আকৌ গীতা আৰু ভাগৱতত সুন্দৰভাৱে প্ৰবৃত্ত কৰ্ম আৰু নিবৃত্ত কৰ্মৰ তাৎপৰ্য বুজাই দিছে— অৰ্থাৎ বৈদিক কৰ্ম দুবিধ— এবিধ প্ৰবৃত্ত আৰু আনবিধ নিবৃত্ত কৰ্ম। প্ৰবৃত্ত কৰ্ম কৰি আবৰ্তন হয়, অৰ্থাৎ পুনঃ পুনঃ কৰ্মফল ভোগাৰ্থে জন্ম মৃত্যু ভোগ কৰিবলৈ ঘূৰি ঘূৰি আহি থাকিব লাগে। কৰ্মৰ উৎকৃষ্টতা অনুসাৰী স্বৰ্গ নৰক ভোগ কৰি থাকে। কিন্তু নিবৃত্ত কৰ্ম কৰা লোক সকলে অমৃতত্ব লাভ কৰে। অৰ্থাৎ মুক্তি লাভ কৰি পুনঃ ঘূৰি আহিব নালাগে। সেইদৰে কৰ্মফলৰ তাৰতম্য অনুসৰি নিবৃত্তি মাৰ্গীলোকক প্ৰবৃত্তি মাৰ্গৰ কৰ্ম কৰিব নোৱাৰে, পুনঃ গীতাত কৈছে— যি বুদ্ধিৰে প্ৰবৃত্ত আৰু নিবৃত্ত কৰ্মৰ বিষয়ে মানুহে জানে যে প্ৰবৃত্ত স্বৰ্গ ভয়ানক সংসাৰ বন্ধনৰ কাৰণ— এতেকে ত্যাজ্য আৰু নিবৃত্ত কৰ্ম অভয়জনক মুক্তিৰ প্ৰতি কাৰণ, এতেকে কাৰ্য্য, অৰ্থাৎ— অৱশ্য কৰ্তব্য। এই কথাখিনি যি বুদ্ধিৰে জানিব পাৰে, হে পাৰ্থ সেই বুদ্ধিক সাত্বিক বুদ্ধি বোলে।

মহাপুৰুষ শঙ্কৰদেৱৰ মতে তাৎপৰ্য এইয়ে হ'ল যে প্ৰবৃত্ত কৰ্ম সংসাৰ বন্ধনকাৰী জন্ম মৃত্যু আৰু ভয়জনক— এতেকে অকাৰ্য্য বা ত্যাজ্য। নিবৃত্তি কৰ্ম অভয়জনক, জন্ম মৃত্যু নাশকাৰী মোক্ষৰ প্ৰতি কাৰণ। এতেকে কাৰ্য্য বা অৱশ্য বুলি মানুহে জানিব পাৰে যি বুদ্ধিৰে, তাকে সাত্বিক বুদ্ধি বোলা হয়। এই কাৰণে মোক্ষকামী লোকে প্ৰবৃত্তি পথৰ কৰ্ম কৰা অনুচিত সেয়েহে গুৰুজনাই "নিমি নৱ সিদ্ধ সংবাদ"ত নৱ সিদ্ধই নিমি ৰজাক কোৱা কথা লিখিছে এনেদৰে—

প্ৰবৃত্তিৰ পথত বেদৰ মত নাই।
কৃষ্ণত বিমুখ হৱা অধোগতি যাই॥
অধমমূঢ় হৱা বোলে ধৰ্মৰে পণ্ডিত।
বেদে যেন কহি আছে তাকো নাহি চিত॥...
...বুদ্ধিহীন চিত্ত ভ্ৰান্তি    কামুক লম্পট আতি
সৰ্পৰ সদৃশ নাৰ ক্ৰোধ।
দম্ভ ভকতক দেখি    কৰে অতি উপহাস।
সিটো মহা পাতকী নুবোধ॥

[নিমিনৱ সিদ্ধ]

আকৌ গুৰুজনাই দশম স্কন্দত লিখিছে এনেদৰে

ব্ৰাহ্মণ ক্ষত্ৰিয় বৈশ্য যিটো হিনি জাতি।
নুশুনিবে হৰি ভকতিৰ কোন পাতি॥
শূদ্ৰ যত আনেক কৈৱৰ্ত আদি কৰি।
অন্ত্যজ পৰ্যন্ত তৰিবেক নাম স্মৰি॥
ভাগৱতে নহিব ঐশ্বৰ্য সম্মান।
এতেকে কহিলো শূদ্ৰ কৈৱৰ্ত প্ৰধান॥

[দশম স্কন্দ]

কিন্তু আজি কালি ব্ৰাহ্মণ মানুহে গুৰুজনাই দিয়া হৰি নামত বিশ্বাস ভেটিভোৰাৰ সম্পূৰ্ণ নাই। সেয়েহে বেদৰ্ভোৰ তপ, জপ, যজ্ঞ, তীৰ্থ আৰু যোগত বিশ্বাস। গুৰুজনাই ভাগৱতৰ একাদশ স্কন্দত কৃষ্ণদেৱে উদ্ধৱক কোৱা কথা লিখিছে এনেদৰে—

ষষ্ঠ বিনে বেদে কিছু আন নকহানে ।
চারিও বেদর তত্ত্ব অর্থ এহি মানে ॥
যার যেন মতি করে বেদক ব্যাখ্যান ।
নিজ অর্থ শুকদেবে তেহি বুঝে আন ॥

[ একাদশ ]

শ্রীমাধবদেবে পুরুষে ঘোষাত লিখিছে এনেদরে—

বেদর বিহিত যত আছে ধর্ম সংসারত
সবে হরি নামর কিঙ্কর ।
যেনজানি বিচারিলে নামর কীর্তন করে
সেহিসে পরম সাধু নর ॥

[ নাম ঘোষা ]

অতএব আমরা দেখিলাম নিত্য নৈমিত্তিক কর্ম বাদ দিবার তার ব্যাখ্যাও মহাপুরুষ শ্রীমন্ত শঙ্করদেবে তনত দিয়া ধর্মে দিছে এনেদরে—

যেতিয়া ভকতে ভকতর সঙ্গ নাইবা ভকতর সঙ্গত হরি কথার রত থাকে সেই সময়ত সেই ভকত বা ভকতক এবি নিয়মিত প্রসঙ্গ, গুরু সেৱা বা উপাসনা বা হরি নামিবলৈ দি নিত্য ক্রমাগত যোগ দিয়ার আৱশ্যক নকৰে। নিত্য কর্মবোর হরির প্রতি ভক্তি প্রীতি জন্মোৱাৱে কারণ স্বরূপ। সেই ভক্তি প্রীতি যদি যদি ভকতর সঙ্গত বা ভকত সমত আস্বাদ আলোচনার ছবিতে হৈ থাকে তেনেস্থলে তার পরা উঠি গৈ পুনকে কোনো নিত্য নৈমিত্তিক কর্ম করার প্রয়োজন সেই সময়ত বা সেই দিনত নাথাকে— বা আৱশ্যক নকরে। এইদরে হ'ল মহাপুরুষীয়া সম্প্রদায়র নিত্য নৈমিত্তিক কর্ম।

শ্রীমাধবদেবে পুরুষে গুরু ভটিমাত লিখিছে এনেদরে—

অহঃ নিশি চারি বেদ বিচারি
দেখত কর হরি নাম ।
যাকেরি মহলে মিলাহি গাম
পাপ মলোহব কাম ॥

[ গুরু ভটিমা ]

অর্থাৎ— অহ ( দিন ) নিশি ( রাত্রি ) চারি ( বিচার এবি ) অর্থাৎ দিনে রাতিয়ে অবিরাম চারি বেদ বিচারি দেখত যে পরম ধর্ম 'হরি নাম' ক'ত আছে তাক তন্নতন্নকৈ বিচার করি চাই হরি নাম স্বরূপ পদ্মরাগ মণি যাহির করি আনি জগতত মুক্ত ভাবে প্রকাশ করি দি তরিব জীৱর গতিপথ দেখুৱাই দিলে— মহাপুরুষ শ্রীমন্ত শঙ্করদেৱে। যিজনে এই হরিনাম কীর্তন করি সুরে ভেৱৰ সকলো প্রকার করি যুগর আমাষনীয় কামাকল লাভ হয় এইক মাধৱদেৱৰ পদটির তাৎপর্য।

মহাপুরুষে আরো কৈছে— সৃষ্টি কর্তা গোবিন্দ ভগৱান হরির সত্যর পৰত ভাগ— বান্ধি আছি, দেৱতা সকলে লুকাই থোৱা "হরি নাম" বাণ মৌক্তাখনি আৱিষ্কার করি বেদত বহুত তাৰে লুকাই মনুষ্যলোকক আহ্বান করিছে। যেনেকৈ মারবীয়াই নদী পার হোৱা ইচ্ছা ধরা মানুহক দিবিয়াই, দিবিয়াই মাতি নাওখন ওচর চপাই আনি থাকে সেইদরে হরিনামে নিজর নাম স্বরূপ নৌকাত উঠি সংসার সাগর পার হবলৈ ইচ্ছুক সকলো আহ্বান জনাই আছে। মহাপুরুষ শ্রীমন্ত শঙ্করদেৱে এই বৈদিক সূক্তির অর্থ একে আষারতে কৈছে এনেদরে—

সত্য যুগে প্রথমত ব্রহ্মা আদি দেৱ সর্ব
হরি নাম করিলা প্রযুক্ত ।
বিনো দয়াময় হরি নামক যেনত করি
কলি পাপ করিলা মুক্ত ॥...
"—ইটো কলি কাল ঘোর পাপর নাহিকে ওর
আত হিত চিন্তিয়া প্রভাৱে ।
উপজরে কাল হৈব কয়বলে নিস্তারি কাক
যেন নাম করিলা প্রচারে ॥

[ কীর্তন ]

শ্রীমন্ত শঙ্করদেৱর ধর্মত কোনো প্রকারর হরি মূর্তির স্থান নাই। কারণ মহাপুরুষীয়া ধর্মত জগন ধর্ম গ্রন্থ করোতে যি কৃষ্ণরূপ স্বরূপ তাক অন্তরে বুজাই দিয়া তবে সগুণ মূর্তির কোনো দিন নাই এই জগন্নাথর স্বরূপ লক্ষণ ৩২ টি আহ্ক স্বরূপত ৬২ অলংকার আছে। সেয়েহে শাস্ত্রত কৈছে—

শঙ্খ নাভিঃ পদ্মসুক্তঃ সঞ্চৰন্তঃ মধুনতঃ ।
ত্রিভুবন পৃথু গম্ভীরো মাধ্বিদেশৎ লক্ষণো মহান্ ॥

ইয়ার অর্থ শ্রীমাধৱদেৱে ঘোষাত লিখিছে—

ঈশ্বর কৃষ্ণর শুনিযোক মধ্য
সুক্ষ্ম লক্ষণ সার ।
ত্রিপঞ্চাশ সপ্ত রক্ত পঞ্চ দীর্ঘ
উন্নত ছয় প্রকার ॥ ইত্যাদি

[ নাম ঘোষা ]

এই প্রভুর ৬২ সক্ষণযুক্ত স্বরূপ। এই স্বরূপর কথা মহাপুরুষ গুরুয়ে ভেৱর লিখিছে মাত্র— বোৱত সুবিধা পালেই উল্লেখ করি থৈ গৈছে। সেয়েহে তেওঁর ধর্ম দিয়া সমস্ত গুরুরে বস্তু কেউ আছে তার স্থানাবোৱ স্পষ্ট বুজি লৈছে সাধনাত নামিব আগে অন্যথাই কদাপি সাধনার ফল লাভ নহয়। দ্বিতীয়তে বিগ্রহ স্বরূপ মূর্তির আর ধারণা বা কল্পনা করি মিছা সাধনা করিলে একো ফল নধরে। সেয়েহে গুরুজনাই "আসক্ততাক পদ্ম চৰণাৰে প্রাপনাত নথার নিয়ম করিছে"

তাই মুখে বোলা নাম হৃদয়ে ধরা যাক
একেবারে মুকুতি পাইবা কহিলো স্বরূপ

[ কীর্তন ]

এইটোরে হৈছে গুরুজনার সিদ্ধান্ত বাক্য।

সকলো পানীক তীর্থজ্ঞান করিলেও সেই পানীয়ে জীৱক মুক্তি দিব নোৱারে। যদি মুক্তি দিব পরা শক্তি গঙ্গাৰ পানীত থাকিলেহেঁতেন তেনেহলে গঙ্গার দাঁতত থকা সকলো জীৱর গতি হ'লহেঁতেন সদায়ে গঙ্গার পানীত থকা মাছ, কাছ আদিবোৰ গতি হ'লহেঁতেন। কিন্তু সেইবোৰবোৰ গতি হোৱা নাই। ভারতবর্ষর অনেক গাঁও, ভূঁই, নগর, মহানগরীত আবর্জনা— গু, মুতবোর গঙ্গাতেই পেলাই দিছে। গতিকে সেই পানীক কোনোৱাই যদি মুক্তির পথ প্রদর্শক বুলি ভাবে তাৰ বাবে একো ফল নধরে। মহাপুরুষ শ্রীমন্ত শঙ্করদেৱর মতে— গঙ্গা গঙ্গাটো মানুহর কামত সকার লাগে সঁচা বিষ্ণুর স্মরণ হ'ব লাগিব। গঙ্গা নোৱার লাগে লগে বিষ্ণুর নাম স্মরিলেহে কিবা ফল আশা করিব পারে। সেয়েহে মহাপুরুষ শ্রীমন্ত শঙ্করদেৱে কীর্তনত লিখিছে এনেদরে—

যমুনাক কেশরে আপুনি অবতরি ।
গঙ্গাক করিলা যার কীর্তি নিত করি ॥

[ কীর্তন ]

আরো গুরুজনাই কীর্তনর পাষণ্ড মর্দনত লিখিছে যথা—

শরীর পরক মই বোধে চিত্ত ।
মমতা করে পুত্র ভার্য্যা বিত্ত ॥
তীর্থ বুলি করে জলত বুদ্ধি ।
প্রতিমাত করে দেৱতা বুদ্ধি ॥
বৈষ্ণৱত নাই ই সব মতি ।
সেহিতো অধম কৃষ্ণ বদন্তি ॥

[ পাষণ্ড মর্দন ]

অর্থাৎ, শরীরটো শরীরটোক মই বুলি ভাবে, পুত্র, ভার্য্যা বা নিজর ঘোৰ ভার্যা, ঘোৱ ডিঙোটা, মোর ধন বুলি ব্যৱহার করে। মানুহে সাজি দিয়া মাটি, কাঠ বা শিল কিম্বা ধাতুর মূর্তিক দেৱতা বুলি বোধ করে, এই চারি প্রকার বুদ্ধি কোনো সাধু বৈষ্ণৱত দিয়ালে আছোঁর করে সেইজন পণ্ডিতক অধম। ইয়ার উপনিষদ মহাপুরুষ শ্রীমন্ত শঙ্করদেৱর আরু শ্রীমাধৱদেৱর পুরুষে অমৃতো চন্দ্র বুলি কৈছে। শ্রীতাত ভগৱন্তই নিজে অসৎ প্রথা বলরূপ বুলি কৈছে। যথা—

অন্নাৎ ভবন্তি ভূতানি পর্জ্জন্যাদ অন্ন সম্ভবঃ ।
যজ্ঞাদ্ ভবতি পর্জন্যো যজ্ঞ কর্ম সমুদ্ভবঃ ॥

কৰ্ম ব্ৰহ্মোদ্ভৱং বিদ্ধি ব্ৰহ্মাক্ষৰ সমুদ্ভৱম্ ।
তস্মাৎ সৰ্বগতং ব্ৰহ্ম নিত্যং যজ্ঞে প্ৰতিষ্ঠিতম্ ॥

অৰ্থাৎ— অন্নৰ পৰাই জীৱদেহবোৰ উৎপন্ন হৈছে । আকৌ অন্নবোৰ বৃষ্টিৰ পৰাই উৎপন্ন হয় । বৃষ্টি আকৌ যজ্ঞ ( সূৰ্য্য মণ্ডল মধ্যৱৰ্ত্তী বিষ্ণু )ৰ পৰাই উৎপন্ন হৈছে । পুনঃ সেই যজ্ঞপুৰুষ বিষ্ণু জীৱ বিলাকৰ কৰ্ম বাসনাৰ পৰাই হৈছে । সেই জীৱ ব্ৰহ্ম আকৌ অক্ষৰ নিত্য-নিৰঞ্জন পৰমব্ৰহ্ম ভগৱন্তৰ পৰা হৈছে । এতেকে পৰম ব্ৰহ্ম ভগৱন্তই আদি মূল ৰূপে প্ৰতিষ্ঠিত হৈ সৰ্বত্ৰ ব্যাপী থাকি বিশ্ব সৃষ্টি কৰিছে । সেইহেতু অন্নকো ব্ৰহ্ম বোলা হয় । ভগৱন্তই বেদশিৰোবল্লত কৈছে এনেদৰে—

অহমন্নম্ অহমন্নম্ অহমন্নাদোঽহমন্নাদোঽহ,
হমন্নাদঃ ।

অৰ্থাৎ ( ভগৱন্তই কৈছে ) মই অন্ন, মই অন্ন, মই অন্নভোক্তা, মই অন্নভোক্তা, মই অন্নভোক্তা । গতিকে প্ৰভু অন্ন ৰূপেও আছে, অন্নভোক্তা ৰূপেও আছে । জীৱই দাস ভাৱে কেৱল প্ৰভুৰ সেৱাহে কৰিছে । জীৱ অন্ন কৰ্ত্তাও নহয় আৰু অন্নভোক্তাও নহয় । সেই কাৰণে পাককৰ্ত্তাই পাক কৰ্ম দাস ভাৱে কৰি সমুদায় পাক কৰ্ম প্ৰভুত অৰ্পণ কৰিলে সকলো অপৰাধৰ পৰা মুক্ত হব পাৰিব । পুনঃ অন্নভোক্তাৰো প্ৰভুৰ প্ৰসাদ ৰূপে দাস ভাৱে গ্ৰহণ কৰি প্ৰভুৰ ইচ্ছানুৰূপ শৰীৰত লয় কৰিব, যেনেকৈ দাসে প্ৰভুৰ ( মালিকৰ ) ইচ্ছানুৰূপ খেতিৰ ৰুক্ষাদিত সাৰ পানী নিয়মিত ভাৱে দি কৃষি পুষ্ট কৰে ঠিক সেই দৰে শৰীৰ পুষ্ট কৰি ৰাখিব । তাত প্ৰভু সন্তুষ্ট হয় আৰু নিজেও নিৰ্দোষ হব পাৰিব । জাতি কুল সকলো ৰক্ষা পৰিব । এইয়ে হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱে কৰা অৰ্থ ।

সেইদৰে মহাপুৰুষ গুৰুৱে ধৰ্মনত বা প্ৰায়শ্চিত্ত হৰি নামৰ দ্বাৰাই মুক্তি লাভ হোৱা বুলি কৈছে । সেয়েহে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে অইন পুথিবোৰৰ উপৰিও মূল সংস্কৃত ভক্তি ৰত্নাকৰত ত্ৰয়ত্ৰিংশ মাহাত্ম্যত কৰ্মকাণ্ডিয় প্ৰায়শ্চিত্ত নিন্দা কৰি হৰি নামৰ দ্বাৰা প্ৰায়শ্চিত্তৰ নিজা মন্তব্য প্ৰকাশ কৰি কৈছে—

ইত্যাদি বচনানুসাৰেণ কৃষ্ণৈক শৰণতয়া
ভক্তেৰ সৰ্ব পাপোন্মূলক প্ৰায়শ্চিত্তম্ ভৱতি
মোক্ষশ্চ ভক্তিং বিনা অন্যৎ প্ৰায়শ্চিত্তঞ্চ ন
পুনাতি ইতি নিৰ্ণীতম্ ।

অৰ্থাৎ ইত্যাদি প্ৰমাণৰ দ্বাৰা বুজা গ'ল যে হৰি নামেহে প্ৰকৃত প্ৰায়শ্চিত্ত আন প্ৰায়শ্চিত্ত কৰিত নিষ্ফল । এতেকে মহাপুৰুষীয়া বা বৈষ্ণৱ মাত্ৰেই যি কোনো পাপৰ প্ৰায়শ্চিত্ত হৰি নামৰ দ্বাৰাইহে কৰিব লাগে কীৰ্ত্তনৰ অজামিল উপাখ্যানত লিখিছে এনেদৰে—

ব্ৰহ্ম বধ পিতৃ বধ সুৰাপান
অগম্য গমন কৰে ।
গুৰু তিৰি মাৰে সুবৰ্ণক হৰে
মিত্ৰৰ দ্ৰোহ আচৰে ॥
সংসাৰত যত আনো অসংখ্যাত
আছে মহা পাপ গণ ।
সবাৰো এহিসে মুখ্য প্ৰায়শ্চিত্ত
হৰিৰ নাম কীৰ্ত্তন ॥
[ অজামিল উপাখ্যান ]

আকৌ বৰগীতত—

কাকু শঙ্কৰ কৰ কৰহু কৰুণা নাথ
মোনো চাৰহু ৰাম বাণী ।
সব অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহো জানি ॥

গতিকে দেখা গ'ল যে কলি যুগত মানুহৰ একমাত্ৰ মুক্তিৰ পথ হ'ল হৰিৰ নাম কীৰ্ত্তন । গতিকে এই বিষয় সুখৰ কথা পৰিত্যাগ কৰি হৰি নাম শ্ৰৱণ কীৰ্ত্তন কৰি তাৰ মধুপান কৰিব পৰাটোৱেই উত্তম পন্থা সেয়ে মহাপুৰুষ মাধৱদেৱে লিখিছে—

দুৰ্লভ মনুষ্য তনু লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা ।
সন্তৰ সঙ্গত বসি সুখে হৰি গুণ গায়া
সন্তোষ অমৃত পান কৰা ॥
[ নাম ঘোষা ]

এইদৰে ঈশ্বৰৰ প্ৰতি ভক্তি ৰাখি মায়াময় সংসাৰৰ পৰা পৰিত্ৰাণ পাব পাৰি । সেই কথা মহাপুৰুষ সকলৰ লিখিত শাস্ত্ৰীয় পুথি অধ্যয়নৰ জৰিয়তে জানিব পাৰি । গতিকে মহাপুৰুষ সকলৰ তাত্ত্বিক লিখনিৰ পৰা আমি কব পাৰো যে প্ৰকৃত সত্য ভগৱানক মায়া নামৰ এক মিছা কুহেলিকাৰ যি আৱৰণৰ দ্বাৰা মানৱ সমাজক যিদৰে আৱদ্ধ কৰি ৰাখিছে তাৰ পৰা মুক্তি পোৱাৰ কলি যুগৰ একমাত্ৰ উপায় হ'ল হৰি নাম গুণানুকীৰ্ত্তনহে মাথোন ।

প্ৰবন্ধটি যুগুত কৰোতে সহায় লোৱা পুথি—
১। ডঃ হেমন্ত কুমাৰ শৰ্মা— অসমীয়া সাহিত্যত দৃষ্টিপাত ।
২। কালিৰাম মেধি— মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্মমত, গ্ৰন্থ আৰু কেইখনমান অন্যান্য ধৰ্ম পুথি ।

কোনো অসমীয়াৰে দ্বিতীয় পৰিচয় নাই; আৰু সময়ে-অসময়ে তেনেকুৱা মিছোৰ দ্বিতীয় পৰিচয় দাঙি ধৰা হয়, সেই সকলোবোৰ সময়ৰ ধূলিৰে মলিন । লুইতৰ ঘণ্ডুৱা পানী চাই তাৰে একলহ আনি কোনে ক'ব পাৰে, সেইখিনি আচলতে ক'ৰ পানী— দিহিঙৰ মদকধা পানী, নে ধনশিৰীৰ ৰূপালী পানী, নে সোণকোষৰ সোণোৱালী পানী ! সেয়া লুইতৰ পানী ।

ড° মহেন্দ্ৰ বৰা ।

এখন চুটি উপন্যাস

# এন্ধাৰৰ সীমাৰে

□ প্ৰতাপ দাস।

অৰ্পণা, জীৱনটোৰ কোনোবাখিনিত কেনা লাগি গ'ল। সপোনবোৰ হয়তো আৰু সঁচা নহব। নহব মানে নহয়েই। কোনো দিনে ভবা নাছিলো জীৱনে মোক এনেকৈ বিশ্বাস-ঘাতকতা কৰিব বুলি !.......

তোমাৰ ভিতৰি ভিতৰি খং উঠিছে হবলা ! ভুল নুবুজিবা অৰ্পণা ; মই তোমাক জনাম বুলি এইবোৰ লিখা নাই। মই মোৰ হৃদয়ত জ্বলি থকা জুইকুৰাহে নুমাব খুজিছোঁ। অসহ্য পীড়াত কিমান চট্‌ফটাই থাকিম। মইটো হীৰুদাৰ দৰে কব নোৱাৰো— 'যি দুখকে দিয়া মই বহন কৰি যাম সেই সহন।'

এন্ধাৰবোৰক জানো সহজে আনৰি লব পাৰো ?

সঁচা অৰ্পণা, পৃথিৱীত জীয়াই থাকি এনেকুৱা এটা জীৱন উপহাৰ পাম বুলি কেতিয়াও ভবা নাছিলোঁ।

সঁচাকৈ পৰাটো দুখ কাক বোলে অনুভৱ কৰিবকে পৰা নাছিলোঁ। খোৱা-বোৱা, পঢ়া-শুনাত কতোৱেটো অভাৱ পোৱা নাই। কিন্তু এতিয়া ভালকৈয়ে বুজিছো জীৱনে মোক বিশ্বাস-ঘাতকতা কৰিলে, নিষ্ঠুৰ ভাৱে।

বিচিত্ৰ আমাৰ জীৱন ধাৰা। বিচিত্ৰ পৃথিৱী, মানুহ, আৰু...... ।

কেতিয়াবা বৰ মন যায় অ' তোমালোকক আঁতৰৰ পৰা চাবলৈ। কিমানদিন যে, দেখা নাই তোমাক, বন্ধুবোৰক। ইয়াত অকলে অকলে থাকি কিবা খিংখিঙীয়া হৈ উঠিছো জানা। একোৱে ভাল নালাগে। গতানুগতিকতাত কিবা জানো আমেজ আছে ? একো নাই। এনেকৈ একেটা কোঠাৰ, এখন নিৰ্দিষ্ট বিছনাত জানো একেলগে ইমান দিন কটাই দিব পাৰি ? সঁচাকে অসহ্য হৈ পৰিছোঁ। আজিৰ সময়, প্ৰান্তিক, প্ৰকাশ তাতো আনন্দ নাই। মাথো, মাথো কিবা নিৰস প্ৰচ্ছায়া।

কেতিয়াবা ভাবো নিজকে হত্যা কৰি দিও। এনেকৈ জীয়াই থকাৰটো কোনো অৰ্থ নাই। কি লৈ জীয়াই থাকো ? এই পংগু জীৱনটোৰে ভৱিষ্যতে কিবা জানো কৰিব পাৰিম ! সেয়ে ভাবিছিলোঁ আত্মহত্যাকে কৰো। নাই নোৱাৰি। বহু চেষ্টা কৰিও নোৱাৰিলো— নিজক হত্যা কৰিবলৈ যিমান সহজ বুলি ভাবিছিলো সিমানে কঠিন দেখোন ! অথচ কলোৱেই নহয়, মোৰ জীয়াই থকাৰো কোনো অৰ্থ নাই।

০ ০ ০ ০

তুমি চাগে এতিয়া বেছ সুখতেই আছা। থাকা উপৰানে মোৰ সুখ বলো তোমাক দিলোঁ, তাকেই কামনা কৰিছোঁ। তুমি সুখী হোৱা।

আমাৰনো কি সুখ-দুখ ?

আগৰ মুক্ত মনটো এতিয়া এটা মৰা শিলৰ দৰেই নিথৰ। নিজকে কেতিয়াবা আচৰিত আচৰিত লাগি যায়। কি আছিলো— কি হবলগা হ'ল ! ভাগ্য, ভগবান, নিয়তি এইবোৰৰ প্ৰতি বিশ্বাস হেৰাই গৈছে। ক'ত ভগবান ? কাৰ ভাগ্য ? কোন নিয়তি ? দুখবোৰকে সহজ কৰি লব বিচাৰিছো এতিয়া।

আগৰ কথাবোৰ প্ৰায় মনত পৰে। বৰপেটাৰোডৰ পৰা কলেজলৈ অহা-যোৱা কৰা সুগন্ধি স্মৃতিবোৰ। কলেজৰ সেউজীয়া সেউজীয়া পৰিবেশ, তোমাৰ কথাবোৰ। জহৰা, উষা, বীণা, জন্টী, সুনীতি, ৰীণা, ছন্দা, জুপ্ৰিয়া, হিতেশ হঁতলৈ বৰকৈ মনত পৰে। সিহঁত এতিয়া চাগে বহু কিবা কিবি হৈ গ'ল।

তোমাৰ মনত পৰেনে কলেজ সপ্তাহৰ সেই দিনটোলৈ। যিটো দিনেই আমাৰ প্ৰেমৰ পাতনি মেলিছিল। কলেজ সপ্তাহৰ শেষ সন্ধিয়াটো। সাংস্কৃতিক সন্ধিয়া। চাৰিওফালে উখল-মাখল। গুৱাহাটীৰ পৰা অহা ভালে কেইজন নামজ্বলা শিল্পীয়ে মঞ্চত গীত পৰিবেশন কৰিব। সন্ধিয়া হৈ অহাৰ লগে লগে সকলোৰে মনত যেন বিপুল আনন্দ। প্ৰকাশ কৰিব নোৱাৰা।

সেইখন কলেজ সপ্তাহ তোমালোকৰ কাৰণে প্ৰথম আৰু আমাৰ বাবে শেষৰখন আছিল। অৰ্থাৎ আমাৰ কলেজীয়া জীৱনৰ শেষত তোমালোকক দেখাৰ সুবিধাকন নাই বুলিয়েই কব পাৰি। সেইদিনা তোমালোকৰ আনন্দৰ সীমাৰে আমিও আনন্দত ব্ৰতী হৈ আছো।

তুমি দৰ্শকৰ মাজত বহি আছা। তোমাৰ দুয়োফালে বান্ধৱী কেইজনী— হেলেন, নিৰুপমা, মিঠু, ভানু, বিভা, অৰ্চনা, বন্দনা, ৰুমীহঁত। অন্য লৰা-ছোৱালীতকৈ তোমালোকৰ আনন্দৰ পৰিধি কিছু বিস্তৃত হবই তোমালোক আটাইকেইজনীয়েই আছিলা নৱাগত। তোমালোকৰ এই পৰিবেশটো আমাৰো খুব ভাল লাগিছিল আমাকো তোমালোকৰ দৰে নৱাগত যেনে লাগিছিল।

সেই সময়ত তোমালোকৰ দলটো আমাৰ মাজত এটা হিত-টপিক। তুমি আমাৰ মাজত যেন কিবা এটা অন্য ধাতুৰে গঢ়া পদাৰ্থ। তোমাৰ কথা প্ৰত্যেকজন ল'ৰাৰ মুখে মুখে। আমিও প্ৰায় তোমালোকৰ কথাবোৰক লৈয়ে আলোচনাত সময়বোৰ কটাইছিলো।

তোমাক মোৰ খুব কিবা এটা যেন লাগিছিল। সত্যটো ডাঙৰ কথা, তোমাক চাবলৈকে ভয় লাগিছিল। তুমি এখন সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ ছোৱালী আছিলা বাবেই মোৰ এনেকুৱা লাগিছিল বোধ হয়।

তোমাৰ ভিতৰৰ মানুহজনীৰ এটা অহংকাৰ-বোধ আছিল। ভাবিব নোৱাৰাকৈ তুমি লোকৰ ওচৰত তোমাৰ সেই অহংকাৰ খিনি দেখুৱাইছিলা। তোমাক পোৱাৰ আশা আৰু তোমাক মাতিব নোৱাৰাৰ অপৰাধবোধে প্ৰায় ল'ৰাৰ মনত তোমালৈ এক বিৰূপ মনোভাৱৰ সঞ্চাৰ হৈছিল। মোৰো তোমাৰ এইবোৰ ভাল লগা নাছিল, তাৰ মাজেৰেই হয়তো মই তোমাক ভাল পাই পেলাইছিলো। যাক তুমি কোনো দিনে স্বীকাৰ নকৰিলা।

সেই দিনাখনে তোমাক মোৰ লগত কল্পনাই পৰিচয় কৰাই দিছিল, সাংস্কৃতিক সন্ধিয়াৰ কিছুপৰ আগতে। কল্পনাৰ একান্ত ইচ্ছা নাছিল। মোৰ কথা এৰাব নোৱাৰিয়ে তাই তোমাক মোৰ ওচৰত পৰিচয় কৰাই দিলে সিদিনাখন।

ঃ অৰ্পণা মই যে কৈছিলো বিপুলদা, এইজনে।

ঃ অ' নমস্কাৰ। আপোনাক মাজে মাজে

দেখা পাওঁ। ভাল লাগে।

মই মূৰ দুপিয়াই তোমাৰ কথাখিনি শুনি গৈছিলো গভীৰ আন্তৰিকতাৰে। সেই সময়খিনিত মই হ'ত আছিলো কণ লোৱাৰো। কেতিয়াও আগতিয়াকৈ কোনো দিনে তোমাক ইমান সহজ সৰল লগা নাছিল মোৰ।

— তাৰ পিছত তুমি আৰু কিবা কিবি কৈছিলা। মই একান্ত মনে শুনি গৈছিলো। মুখেৰে 'হুঁ' শব্দ এটাও কৰা নাছিলো। মাথো শুনিছিলো। তোমাৰ মাতটোত এটা দখল আছে। তোমাৰ মাতটো এতিয়াও মোৰ কাণত বাজি উঠে সময়ে অসময়ে। তোমাৰ নিচিনা তোমাৰ মাতটোও ধুনীয়া।

তুমি যোৱাৰ পৰ হৈ চাইছিলা। তোমাৰ চাৰিনিত মিঠা মিঠা সুবাসত মই নিজকে পাহৰি গৈছিলো। বহুদিন ধৰি মনতে সাঁচি ৰখা কথাবোৰ তোমাৰ সন্মুখত অভিব্যক্ত কৰিবলৈ লৈ পোহৰাই তোলাত মই যেন বন্দিত হৈ উঠিছিলো। 'তোমাক মই ভাল পাওঁ অৰ্পণা, তোমাক মই ...... ...' ঃ মোৰ কঁপা মাতটোৱে তোমাক আচৰিত কৰা নাছিল। এটা মৌন হাঁহিৰে তুমি মোৰ কথাবোৰ আদৰি লৈছিলা মইহে আচৰিত হৈছিলোঁ। কেৱলা ইমান সময় নীৰৱেই আছিল।

০ ০ ০ ০

তাৰ পাছত......

তাৰ পাছত প্ৰায় তোমাক লগ পাইছিলো। আচ নগৰৰ সময়খিনি তোমাৰ লগত কটাই দিয়াত ব্যস্ত হৈ পৰিছিলো। নাগেনদাৰ কেন্টিন, লাইব্ৰেৰী ভৱন। কলেজৰ ফিল্ডৰ চিৰু গছৰ তলত বহি ... বিৰাট দিয়া কথাবোৰ বাৰুকৈ মনত পৰে।

তোমাৰ উপস্থিতিয়ে মোক সকলোবোৰ কথা পাহৰাই দুৰিছিল। সমনীয়াবোৰ কেনেকৈ পাৰ হৈ গৈছিল গমেই কৰ পোৱা নাছিলো। গণেশ, প্ৰদীপ, অনিল, অৰূপ, মধু, উদয়কে আদিৰ তোমাৰ কথাবোৰ কি প্ৰায় জোকাইছিল। নিৰ্জন কক্ষত ইয়াত বাদে মোৰ অন্য উপায় নাছিল। মই মাথো হাঁহিৰে নিৰ্জন কথা-খিনিৰ সঁহাৰি জনাইছিলোঁ। নিৰ্জনতাই জনাবলৈ কি বাকী থাকিল।

তুমিও কি আচৰিত অভিনয় কৰিব জানা! ভাবিলেই লাগে। কলেজলৈ আহোতে মাজতে তুমি তোমালোকৰ প্ৰধানৰ ঘৰলৈকেই অহা-যোৱা কৰিছিলা। মোৰ লগত চিনাকি হোৱাৰ পাছত, মোক অন্য-গোপন পাইছ, তুমি এখন চিঠি বাহক অহা-যোৱা কৰিবলৈ আৰম্ভ কৰি দিছিলা। মই তোমাৰ প্ৰাণ কাৰ্তিক আপ্লুত হৈ পৰিছিলোঁ। মইও কলেজলৈ অহা-যোৱা বন্ধ কৰি চিঠিবাহকতে আহিব আৰম্ভ কৰিলো। চিঠিবাহকত প্ৰায় তোমাক লগ পোৱা সুবিধাজনক ঘটিছিল যাতেই কণ্ঠ অনুভৱ কৰিবলৈ পাহৰি গৈছিলো।

হঠাৎ যাবিৰ লোৱা পৰিবৰ্তন এটা তোমাৰ মাজত দেখা পাইছিলো মই। তোমাৰ সেই অনুভৱ-যাতং মলা মুখখনত ক'ব পৰা যে এটি হাঁহি উঠি থাকিছিল। কৰুণ কোমলভাৱে।

ঃ বিপুলদা, তোমাক যদি পাওঁ যেন সকলো পাহৰি যাব পাৰি। সঁচা। তুমি কিবা আচৰিত মৰ-চঞ্চ জানা হবলা।

মই মনে মনে হাঁহিছিলো। এবা। মই নহ'লে তোমাৰ দৰে ছোৱালীক জানো ইমান ওচৰত মাৰ পাৰিলো হয়। মনৰ ভিতৰতে ভাবিছিলো।

ঃ কি ভাবিছা? বাৰু তোমাৰ ওপৰত তুমি সদায় মোক ভালো আনাক ৰাখিবা?

তোমাৰ ওচৰত মোৰ এটা সংকোচ বোধ আছিল তাক তুমি নিশ্চয় লক্ষ্য কৰিছিলা। মই তোমাৰ কথাখিনিত মাথো নীৰৱে মূৰ দুপিয়াইছিলোঁ।

কিবা এক আচৰিত ভাবে তুমি মোক নিজৰ কৰি লৈছিলা। তোমাৰ ভালপোৱা আৰু অন্তৰঙ্গতাত মই মগ্ন হৈ পৰিছিলোঁ। তোমাৰ মিঠা মিঠা কথাবোৰ, চঞ্চল পৰা দেহাটি ধুনীয়া চাৰিশিলাৱণ্য মই উতলা হৈ পৰিছিলো। এতিয়া মোৰ একান্ত প্ৰত্যাশা আছিল তোমাক মই নিজৰ কৰি লম।

ঃ তোমাক মই বৰ ভাল পাওঁ অৰ্পণা। কেতিয়াবা খুব ভয় লাগে তুমি যদি মোক এৰি থৈ যোৱা আন কাৰোবাৰে। মোৰতো সামৰ্থ নাই যে, মই তোমাক অকালে মাত্ৰ পৰাও বিচাৰি আনিব পাৰিম।

ঃ তুমি ভয় কৰিব নালাগে বিপুলদা। মই কেৱল তোমাৰে। আনৰ কেতিয়াও নহওঁ। কথাখিনি কৈ তুমি হাঁহিছিলা। সেই হাঁহিৰ অৰ্থ বিচাৰি যোৱাটো প্ৰয়োজনবোধ কৰা নাছিলো।

০ ০ ০ ০

অকস্মাত তুমি কলা। সেইদিনা, চুটিকৈ ধুনীয়া ছোৱালীজনী। তোমালোকতকৈ এটা ক্লাচ চিনিয়ৰ আছিল। তাইৰ নম্ৰ ব্যৱহাৰ আৰু সহজ সৰল কথাবোৰ মোৰ খুউব ভাল লাগিছিল। সকলোৰে মাজত খুব কম সময়ৰ ভিতৰতে সহজ হৈ যাব পৰা তাইৰ এই মানসীয় গুণটোৱে মোক মুগ্ধ কৰি তুলিছিল। সঁচাকৈ খুব মৰমিয়াল ছোৱালী তাই।

অকস্মাত আমি 'অঙ্ক' বুজিবলৈ যাওঁছিলো। আমাৰ ঘৰৰ পৰা প্ৰায় এক কিলোমিটাৰমান দূৰত অৰুন্ধতীৰ ঘৰ। তাই আমাৰ ঘৰলৈ প্ৰায় আহিছিল। সপ্তাহটোত দুই-তিনিদিন আহিছিলেই।

মই তাইক খুউব মৰম কৰিছিলো। 'বৰ মৰমিয়াল ছোৱালী তাই। ইমান ধুনীয়া।' আইয়ে কৈ থাকে অকস্মাতে কথা।

মই যাওঁতে থাকোঁতে নিৰ্জনতা সদায় আহিছিলোঁ। আমাৰ পুৰোহিতৰ মাজত আলোচনা বিষয় বস্তু আছিল বিভিন্ন কলেজ, চিনেমা, ল'ৰা-ছোৱালী, টিটি হোৱাৰ যাত্ৰা, অগমিছ্, ফ্ৰেণ্ড, শৰেণ, তুমি ইত্যাদি।

অকস্মাত ঘৰৰ উপাৰ্জনাখিনিৰ অৰ্থ মই আজিলৈ বুজিব নোৱাৰিলো। তাই এনে কিছুমান সঁথৰৰ দৰে কথা কৈছিল যে মই তাক বুজিবলৈ সময় সঁচাৰি পাব লগা হয়। সেয়ে তাইৰ প্ৰায় কথাতে মই ভুকুটি দিছিলো।

তাই তোমাৰ কথাৰে মোক প্ৰায় জোকাই-ছিল। জোকাই আনন্দ বিষাদ লগতে আথানিত কৰিছিল। 'অৰ্পণা বেছ ধুনীয়া নেকি জিনয়। তাইৰ কথাবোৰ বৰ মিঠা। ইমান মিঠা কথা-বোৰ তুমি কেনেকৈ শুনি থাকিব পাৰা মই ভাবি নাপাওঁ।' — মই তাইৰ কথাৰ কোনো প্ৰত্যুত্তৰ দিয়া নাছিলো। কিয়েবা লাগে কি?

এদিন হঠাতে অৰুন্ধতীয়ে মোক সুধিলে— খংকে ছিনদা, তোমাক কথা এটা সুধিব পাৰো নেকি?

ঃ নাই কি দোষ পাব, সোধা।

ঃ অৰ্পণাই সঁচাকৈ তোমাক ভাল পায় নে জানা?

ঃ কেনেকৈ কিয় সুধিছা আৰু? মই কিছু অপ্ৰস্তুত হৈছিলো। মোৰ প্ৰশ্নৰ উত্তৰ অৰুন্ধতী লোক-পৰিচয়ৰ দিব খোজা নাছিল। তাই মোৰ ওচৰত এটা ভাষণৰ ফাঁকি মাৰি এনেকৈ কৈছিল— তাৰ মানে কি জানা জিনদা। অৰ্পণা অত্যন্ত ধনী মানুহৰ ছোৱালী। তাইক মোৰ সঁথৰ যেন লাগে অ'। আৰুনো ধেমালি ধুনীয়া কি? তুমি জানা ধুনীয়া মানুহৰ ল'ৰা। তথাপি তাইক মোৰ বিশ্বাস নহয়। তুমি মোক ভুল নুবুজিবা কিন্তু।

অৰুন্ধতীৰ কথাখিনি শেষ হোৱাৰ মোৰ খং উঠিছিল। তাইৰ কথাৰ উত্তৰ মই দিয়া নাছিলো। ছোৱালী মানুহে লোকৰ সমালোচনা কৰি ভাল পায়। অকস্মাত তাৰে এটা চৰিত্ৰ

বুলি ভাবিছিলো মাত্ৰ।

মই বাৰু কেনেকৈ ভাবি লও তুমি অৰুণাই কোৱাৰ দৰে এজনী অভিনেত্ৰী। প্ৰেম নামৰ অভিনয়েৰে মোক মাথো থগিব খুজিছা। হ ?...

০ ০ ০ ০

খুব চেষ্টা কৰিছিলো— তোমাক পাহৰি যাওঁ। পাহৰি যাওঁ সেই দিনবোৰ— নগেন-দাৰ কেন্টিন, ৰাধাচূড়া জোপা, কলেজ ফিল্ডৰ চাৰিওফালে থকা চিচু গছৰ সেউজীয়া অনুভূতি। নাই পাহৰিব নোৱাৰিলো। দীপালীয়ে, কৰবাত লিখিছিল— পাহৰি যাম বুলি ভবাটোৱে মনত থকাৰ সহজ উপায়। সঁচা! মইও তাকেই উপলব্ধি কৰিছো অৰ্পণা।

কতোৱে ভাল নালাগে। ইমান নিৰস হৈ পৰিছে দিনবোৰ!

তুমিটো এতিয়া বেচ সুখী! হবাই তোমাৰটো এতিয়া একোৰে নাই হৃদয়ত। ভাল লগা, ভাল পোৱা, আন্তৰিকতা, কৰুণা, মায়া, আকুলতা। তুমি সুখী হবাই। মই আৰু এইবোৰৰ মাজতে হেৰাই যাব লাগিছো। নিজক বিচাৰি পাওঁ ক'ত — উপলব্ধিকে কৰিব নোৱাৰো। মদ, চিগাৰেট আনিব নিচাইও তোমাৰ স্মৃতিক পাহৰাব নোৱাৰিলে। এই-বোৰ মিছাতে খাইছো জানা। একো লাভ নাই। তথাপি মদ আৰু চিগাৰেটৰ মাজতেই যেন অসপ শান্তি লুকাই আছে। আৰু মই তাক বিচাৰি ফুৰিছো সময়ে অসময়ে।

এতিয়াও মনত আছে সেই দিনটোলৈ। যিটো দিনে মোক উপহাৰ দিলে এই পংগু জীৱনটো। মদ, চিগাৰেট আৰু তুমি। এক বিষাক্ত অনুভূতি।

এবা! তুমি আচৰিত ভাৱে মোক বিশ্বাসঘাতকতা কৰিলা।

০ ০ ০ ০

অৰুণা এদিন ৰাতিপুৱাতে আমাৰ ঘৰলৈ আহিছিল দিদিনা দেওবাৰ আছিল বাবেই মই ঘৰতে কিবা এটা কৰাত ব্যস্ত আছিলো।

: অৰু ৰাতিপুৱাতে যে ওলালিহি?

: তোমাৰ লগত এটা জৰুৰী সকাম আছে। খুব গম্ভীৰ ভাৱে তাই কৈছিল। অইন দিনৰ দৰে তাইৰ ওঁঠত সেই সেউজীয়া হাঁহিটো লাগি থকা নাছিল। আছিল এটা মৰুভূমি যেন শুকান হাঁহি। হাঁহি মানে হাঁহি বুলি কব নোৱাৰি। জোৰ কৰি হাঁহিৰ খোজা এক বৃথা প্ৰচেষ্টাহে। মই ভিতৰি ভিতৰি মূক হৈ পৰিছিলো। বুকুখন গধুৰ গধুৰ যেন লাগিছিল। মই আগতে কাহানিও অৰুক এনে ৰূপত দেখা নাই। আজি তাই এনে ৰূপত উভত হল কিয়? কি হৈছে বাৰু তাইৰ! মোৰ ডিঙিটো শুকাই গৈছে যেন লাগিল। তাইও কিছু অ-প্ৰস্তুত যেন হৈছে। বাৰে বাৰে উশাহ লবলৈ চেষ্টা কৰা মৃত্যুক প্ৰতীক্ষাৰত এজনী নাৰীৰ দৰে। মই অসহ্য হৈ পৰিছো,—'কি হ'ল অৰু তোৰ? ইমান.... ।'

..............................

: মোৰ একো হোৱা নাই। হ'লে হব তোমাৰ। মোৰ কথা শেষ নহওঁতেই অৰুৱে কৈ উঠিল।

মই একো বুজা নাই অৰুৰ কথা। মই যেন শুনা নাই তাইৰ কথা। কি কব খুজিছে তাই।

: তাৰ মানে তুমি কি কব বিচাৰিছা?

: জানা জীৱন! মোৰ কথা শিনিত তুমি দুখ পাবা। পালেওটো উপায় নাই। তোমাক মই জানি-শুনি ঘবিব দিব নোৱাৰো।

অৰু বৈ গৈছিল। তাইৰ কথা শিনিত কিবা এটা বেদনা ভৰা সুৰ বাজি উঠিছিল। মই তাইৰ মুখ খনলৈ থৰ লাগি চাইছিলো। কিছু সময়ৰ নীৰৱতা ভাঙি অৰুণাই আকৌ কবলৈ আৰম্ভ কৰিছিল।



: তোমাৰ পৰীক্ষাৰ সময়ত এনেবোৰ কথা কৈ তোমাৰ মনত বিশৃংখলতা আনি-বলৈ মোৰ মনে নধৰে। কালি ওৰে নিশা কথাটো ভাবিছো তোমাক কম নে নকওঁ। শেষত কোৱাটোকে স্থিৰ কৰিছো। কথাটো তোমাক নকলে ভুল কৰা হব। আজি শুনা যি, কালি শুনাও সেই একেই নহয় জানো?

: তুমি কি কব বিচাৰিছা অৰু? সোন-কালে নোকোৱা কিয়? মই প্ৰায় উত্তেজিত হৈ সুধিছিলো।

অৰুনাই মোৰ কথাটো ভ্ৰূক্ষেপ কৰা নাছিল। তাই আগৰ দৰে শান্ত হৈ থাকিল। তাইৰ সুকোমল দৃষ্টিৰে মোক ধুৱাই দিলে। মই স্পষ্টকৈ বুজিলো অৰুণাই তোমাৰ কথাকে কব।

এবা! তোমাৰ কথাকে কৈছিল। যিটো কথাৰ বাবে মই পৃথিৱীৰ চাৰিওফাল এন্ধাৰ দেখিলো। ভৰিৰ তলত শূন্যতা অনুভৱ কৰিলো। চৌপাশে হাহাকাৰ শুনিলো। ঠিক তেনে এটা কথাকে অৰুণাই মোক ক'লে।

: মই জানো, অৰ্পণাক তুমি খুউব ভাল পোৱা। কিন্তু তুমি হয়তো নাজানা, অৰ্পণাই প্ৰকৃততে তোমাক ভাল নাপায়। পোৱা নাছিল। তাই আন এজন ল'ৰাকহে......

: কি? মোৰ শব্দটো কোঁঠাৰ পৰা বহু দূৰলৈ ছিটিকি পৰিছিল।

: শুনাচোন শুনা, তুমি ইমান উত্তেজিত হৈছা কিয়? মানুহে শুনিলে কি কব। কি ডাঙৰ কথা হৈছে যে, তুমি বলিয়া হব লগা হ'ল! তুমি জনা-শুনা ল'ৰা এজনে এনেকৈ বলিয়ালি কৰাটো শোভা নাপায়। অৰ্পণাই মনোজক ভাল পায়। অকল ভাল পোৱা নহয়, কিছুদিন আগতে তাই মনোজৰ লগত কোৰ্ট-মেৰেজো কৰিছে। তুমি এইবোৰ কথা শুনি বলিয়ালি কৰিলে পিছত তুমিহে ঠগ খাবা। পঢ়া-শুনাৰ ক্ষতি হলে আধ্যা পৰিব। অৰুণাই এটা উশাহতে কথাখিনি কৈছিল।

মই এটা বোবা শিশুৰ দৰে তাইৰ ধূনীয়া মুখখনলৈ চাই আছিলো। তাইৰ চকু দুটা পৰিমাণতকৈ বেছি বডা হৈছে। গাল দুখন গোলপীয়া হৈ উঠিছে। তাইৰ যেন বৰ ভাগৰ লাগিছিল কথাখিনি কওতে।

: তুমি ভাগি নপৰিবা জীৱন। মই এদিন তোমাক এই কথাটো খুব সংক্ষেপে কব খুজিছিলো, কিন্তু তুমি গুৰুত্ব দিয়া নাছিলা। অৰ্পনাই তোমাৰ ওচৰত মাত্ৰ অভিনয়হে কৰিছিল। কথাটো তুমি নাজানিলেও, আন সকলো ল'ৰা-ছোৱালীয়ে জানিছিল তাই মনোজকো ভাল পায়।

অৰুণাই কথাখিনি কৈ আমাৰ ঘৰৰ পৰা গুচি গ'ল। মই তাই যোৱাৰ ফালে চাই ৰ'লো।

এজনী ডেউকা ভগা চৰাইৰ দৰে যন্ত্ৰণাত ভাৰাক্ৰান্ত মোৰ হৃদয়।

০ ০ ০ ০

মই কেতিয়াও ভাবিব নোৱাৰো— তুমি মনোজৰ দৰে ল'ৰা এজনক বিয়া কৰাব পাৰিলা।

মই ভিতৰি ভিতৰি মৰি যোৱা যেন লাগিল। তুমি মোক এনেকৈ ঠগিলা কিয় বাৰু? মইতো তোমাৰ একো ক্ষতি কৰা নাছিলো। তুমি যদি মোক কলাহেঁতেন তুমি মনোজক ভাল পোৱা, মই তোমাৰ পিছ কেতিয়াও নললোহেঁতেন। মইটো বলিয়া কুকুৰ নহয়।

মনোজক বিয়া কৰাই তুমি মোক বিশ্বাস-ঘাতকতা কৰিলা! চাবা অৰ্পণা তুমি মনোজক লৈ যিমান সপোন ৰচনা কৰিছা, মনোজে সিমান সপোন নেদেখে। মদ আৰু ব্যভি-চাৰিতাৰ ধোঁৱাৰ মাজত বন্দী হৈ থকা মনোজৰ

সৰ্বশ্ৰেণি নাগৰিক পাৰা। অত্যন্ত সম্পত্তিশালী মানুহৰ লগত মানেজে তোমাৰ আগত বহু ডেস্কাৰীৰ প্ৰেমৰ অভিনয় কৰি বহু কিবা কিবি কৰিব পাৰিছিল। তুমিও তাক মানুহৰ এজনী হৈ যাব পাৰা'।

সিদিনা সাঁজিয়া খুব পথ খাইছিলো। মই ঘৰৰ ফালে গতি কৰিছিলো। মোৰ হৃদস্পন্দ অনাহাৰে এনেবোৰ কথাকে ভাবিছিল বাটে বাটে। সন্ধিয়া হৈ আহিছিল। অন্ধকাৰ নিঠাই মোক আক্ৰমণ কৰিছিল। কুটাৰখন কিমান জোৰে গতি কৰিছিল মোৰ মনত নপৰে। পাৰ্থ-সপা গছগছনিৰ কিন্তু ধুমুহা বতাহ যেন লাগিছিল মোৰ। ৰাতিৰ পৰা প্ৰাচীৰ কুটাৰখন পৌঁচিছিল।......

চোৱা অৰ্পনা তুমি মোক কেনেকৈ নিৰ্যাতন কৰিলা। কিন্তু এনে এটা প্ৰতিশোধ লব পাৰিবা মোৰ ওপৰত। কিয়া যদি ভুল হৈছিল তাকটো তুমি কেতিয়াও প্ৰতিবাদৰ সুৰেৰে কব নোৱাৰিলা। অথচ হাঁহি হাঁহিয়ে তুমি মোক এই এনাৰ সীমাৰ সিপাৰে পেলাই দিলা।

মোৰ চকুৰ পৰা ধাৰাসাৰে চকুলো নিগৰি আহিছিল। অন্ধকাৰ নিঠাই মোক উন্মত্ত কৰি তুলিছিল। কুটাৰৰ বেগ আগোতকৈ বাঢ়ি গৈছে। তোমাৰ স্মৃতিবোৰে মোক ইংগিত কৰিবলৈ আৰম্ভ কৰিছিল। মই সন্মুখৰ বস্তুবোৰ ধোঁৱা ধোঁৱা যেন দেখিছিলো। তাৰ পাছত...... তাৰ পাছত........

তাৰ পাছত।


হস্পিটালৰ এই কোঠাটোত মোক নিজকে বিচাৰি পাইছিলো। মোৰ দেহৰ তলৰ অংশ খাৰী খাৰী যেন অনুভৱ কৰিছিলো। দেহৰ মধ্যভাগ কিছু কমি গোৱা যেন লাগিছিল। পাৰ 'ওপৰত' ধৰা। লগা কাপোৰখন দাঙি মই চিঞৰি উঠিছিলো— 'মোৰ ভৰি দুখন'...... মোৰ দুখোলন ভৰি হেৰাই গ'ল 15 দিনৰ বাবে।

এতিয়া মই হস্পিটালতে আছো। হস্পিটালৰ এই একাৰ কোঠাটোত যকলগতে। তুমি কেনেকৈ বৰ্তমানলৈ নতুনক খেলিছা মই ঠিক তোমাৰ বিষয়ে পুৰণি (স্মৃতি)ৰ সৈতে খেলিবলৈ গৈছো। তুমি প্ৰেমৰ পাইছা? মই আজি গৰিছো। তুমি যেনেকোৱা কিন্তি লোক নহৈ ঘাঁহ গাঁৱী অৰ্পনা। মই হাৰি গ'লো।........

পৃথিৱী কেতিয়াও নিজে সফল নহয়। সফল কৰিব লাগিব। নতুন দিশৰ সম্ভাৱনাৰ বাবেই পুৰণি দিশ একোন একোটাক ভাঙিব লাগিব।

— ক্ৰমণ চন্দ্ৰ

## সম্পাদনা সমিতি (১৯৮৬-৮৭)ৰ সদস্যসকল



বহি : (বাওঁফালৰ পৰা) — অধ্যাপক অতুল চন্দ্ৰ বৰ্মন, অধ্যাপক সুজন চন্দ্ৰ নাথ, উপাধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ দাস, অধ্যক্ষ সত্যনাথ দাস (সভাপতি), অধ্যাপক ৰবীন্দ্ৰ ভট্টাচাৰ্য্য, অধ্যাপক ধৰ্মেশ্বৰ নাথ (তত্বাৱধায়ক), অধ্যাপিকা স্বৰ্ণকুমাৰী কলিতা।

থিয় হৈ : (বাওঁফালৰ পৰা) — প্ৰতাপ দাস, ধ্ৰুৱ কুমাৰ তালুকদাৰ (সম্পাদক, আলোচনী)

ছবিত অনুপস্থিত : অধ্যাপক সুনীন্দ্ৰ নাৰায়ণ গোস্বামী, অধ্যাপক অমল ভৌমিক আৰু মোঃ আব্দুচ চামাদ (সহঃ সং আলোচনী)

# বি, এইচ্ কলেজ ছাত্ৰ একতা সভাৰ কাৰ্য্য নিৰ্ব্বাহক (১৯৮৬-৮৭)




বহি (বাওঁফালৰ পৰা) : প্ৰতাপ দাস (সাধাৰণ সম্পাদক), নিৰ্ম্মল বৈশ্য (ভাঃ অঃ লঘু খেল বিঃ), ভূপেন ডেকা (ভাঃ অঃ সাংস্কৃতিক বিঃ), ৰাধাচৰণ ৰাভা (ভাঃ অঃ সমাজসেৱা বি.), উপাধ্যক্ষ গিৰীন্দ্ৰ কুমাৰ দাস (ভাঃ অঃ একতা সভা), অধ্যক্ষ সত্যনাথ দাস (সভাপতি, একতাসভা), দিলীপ ৰঞ্জন দত্ত (ভাঃ অঃ তৰ্ক বিঃ), খৰ্গেশ্বৰ নাথ (ভাঃ অঃ আলোচনী বিভাগ), ফুলকুমাৰী কলিতা (ভাঃ অঃ ছাত্ৰী জিৰণী কোঠা), অধ্যাপক হৃদয়ৰঞ্জন চৌধুৰী।

থিয় হৈ (বাওঁফালৰ পৰা ১ম শাৰী) মোঃ (উপসভাপতি, একতা সভা) ৰমেশ বৈশ্য (সঃ লঘু খেল বি.), সন্দীপ চৌধুৰী (শ্ৰেঃ প্ৰঃ), মনোজ দাস (শ্ৰেঃ প্ৰঃ), দ্বিজেন্দ্ৰ পাটগিৰি (সঃ তৰ্ক বিঃ), পদ্ম বৈৰাগী (সঃ গুৰুখেল বিঃ), কায়ুমা খানম (শ্ৰেঃ প্ৰঃ), সুপ্ৰিয়া মজুমদাৰ (শ্ৰেঃ প্ৰঃ), মুকুন্দ দাস (সঃ ছাত্ৰ জিৰণী কোঠা), ধৰ্মেশ্বৰ মেধি (শ্ৰেঃ প্ৰঃ), বিনয় বড়ো (সমাজসেৱা বিঃ)

থিয় হৈ (বাওঁফালৰ পৰা ওপৰৰ শাৰী) — অৰূপ বায়ন (শ্ৰেঃ প্ৰঃ), বিকাশ সাহা (সঃ ব্যায়াম বিঃ), ধ্ৰুৱ কুমাৰ কাশ্যপ (সঃ আলোচনী).

# কবিতা



"হেজাৰ নক্ষত্ৰ হ'ত ফুলি পুৰি শেষ হৈ যায়
মন হ'ব খোজে পখী । পাখি নাই । হায় পাখি নাই ।
সূৰ্যৰ বিপুল জ্বলে, গোহৰৰ নিয়ে সানে নীলাৰ আভাস,
তোমাৰ আকাশ সেয়ে । মোৰো সি আকাশ ।"

— নৱকান্ত বৰুৱা ।

# দুঃসময়ৰ কবিতা

□ দিলীপ চৌধুৰী ।

এনেদৰে কতবাৰ নামি আহে
মোৰ আইৰ বুকু কঁপাই
ঘন ঘোৰ অৰ আঁউসী।
তেজৰ— চকুলোৰ
সময়ে মাথোঁ বৰিয়াল লিখে
দেখা নোপোৱাল।
এনেদৰে কতবাৰ পাৰ হৈ যায়
মোৰ আইৰ বুকু ভেদি
তীক্ষ্ণ বুলেট—
জীৱনৰ বাট বুলি ভাৰাক্ৰান্ত
সময় নদীৰ সৰা অঞ্জলীয়াত নিষ্ঠা
মোৰ আইৰ হেৰাই যায়
জোনাকী সাধু, চিনাকি কণ্ঠ......
তেজৰ নৈত ঢৌটি ধুৱায়
লোমলাগা শপত,
আণৱিক অস্ত্ৰৰ কি নিৰ্মম উপহাৰ।
ছবিৰ দৰে পৃথিৱী
চকুত ভাহি উঠে মাথোঁ
সোণৰ পৃথিৱীৰ এখন মৃত ছবি,
এনেদৰে জানো বিদায় মাগে—
তুমি শুনিছানে ?

●

# ব্যৰ্থতা

□ শিশিৰ দাস ।

পদূলিৰ গোলাপ জোপাত
চকু পৰিলেই
এৰি অহা দিনবোৰে
মনত পাৰেহি 'অযুত যোৱা বৰে
বুকুত অনুভৱ কৰো
কাৰোবাৰ সুৰভি সুৰ

কুঁহিবোৰ ফুলে
বুকুখন কঁপে
উৰি দি উঠে
বুকুৰ পুৰণি বিষটো

কাৰ হাতত দিম পঠিয়াও
বতা গোলাপ ফুলৰ
খবৰ ●●

●

# এই সময়

□ কমল কুমাৰ দাস ।

আকাশৰ বা-বাৰণীত মগজুৰ
মগজু
ক'তনো এৰ সাঁচি
আবেগৰ সপোনৰ সোণোৱালী
সপোন

নাই, জোনাকো নাই
এতিয়া নাই ॥

●

# অখ্যাত কবিৰ কবিতা পঢ়ি

□ জ্যোৎস্নাৰাণী বৰ্মন ।

তোমাৰ কবিতাৰ উতনুৱা শব্দত
বুকুৰেদি বৈ আছে তেজৰ
নদী
মোৰ গীতত শুনো তোমাৰ সুৰৰ
অক্ষয় ঝংকাৰ
হৃদয়ত অনুভৱ কৰো তোমাৰ
অস্তিত্ব
কবিতাৰ চলে উটুৱাই নিয়ে মোক
তোমাৰ 'মাজলৈ'
মই মোক বিচাৰি পাও তোমাতে ॥

# গাওঁৰ হেৰোৱা সুৰ

□ বিভা দাস ।

কি নাম আছিল জানো
        সেই গাওঁখনৰ—
ঢেঁকীৰ মাতেৰে
গৰুৰ হিৰিঙাৰে
শিপিনীৰ তাঁতৰ শবদেৰে
গৰখীয়া বাঁহীৰ সুৰেৰে মুখৰিত
সেই গাওঁখন
কি নাম আছিল জানো—
আজিও মোৰ বুকুত অঁকা আছে
সেই গাওঁৰ চিনাকি ছবিখন
কি নাম আছিল জানো—
আছেনে এতিয়াও
গৰখীয়া বাঁহীৰ সুৰেৰে মুখৰিত
সেই গাওঁখন
ঢেঁকীৰ মাতত পুৱতি নিশাই
সাৰ পাই উঠেনে এতিয়াও
সেই গাওঁখন—

# সংকল্প

□ শিৱিৰাণী দাস ।

আই তোৰ স্নেহ বিগলিত
কোলাত সুৰ দৈ
বৰ্ষাস্নাত নিশা আমি
টোপনি যাও ।
মৃত্যুঞ্জয় শ্বহীদৰ সবল কণ্ঠত
সাৰ পাই উঠো
সময়ৰ ৰুদ্ধ প্ৰবাহত
বিপ্লৱৰ জোঁৱ তৈ
আমি সংকল্প লওঁ ঃ
নিৰ্য্যাতনৰ অৱসান ঘটাই
বিজয়ৰ সৌধ সাজিম ॥







# কবিতা

□ মৃন্ময় কুমাৰ দাস

তোমাৰ বুকুতো আছিল
জোনাকৰ হাঁহি

এতিয়া কিয় জানো নেদেখো
চকুত তোমাৰ চিনাকি
মৰম

মই দেখো পাহৰি পাহৰিও
পাহৰিব নোৱাৰো
তোমাক ॥

# তোমালৈ

□ মধু দাস

তুমি সুন্দৰৰ গান গোৱা
বৈ যাওক মোৰ ক্ৰোধ ভৰা চকুপানী
তুমি বিপ্লৱৰ গান গোৱা
হৃদয় উজাৰি হাঁহো
শুভাশীষ মোৰ
প্ৰতিটো পলে পলে
তোমালৈ ।

# চিৰৰুদ্ধ

□ দেৱান নজৰুল কাদিৰ

আৰু নো কিমান দিন
অম্লান নিশাবোৰে এইদৰে
মোৰ দুৱাৰত টুকুৰিয়াব ।

দুৱাৰ খোলাৰ সমৰ্থতা
মোৰ নাই
কোনো দিনেই মই নোৱাৰিম

কাৰণ
কবৰ দুৱাৰ যে চিৰৰুদ্ধ

মাথো
বিচাৰৰ ( কিয়ামত ) দিনৰ শেষতহে
হয়তো শান্তিৰে শুব পাৰিম ।

# স্বপ্নৰ উদ্যানত

□ অৰূপ ৰায়ন

মই মোৰ মৰমৰ নতীন পখিলাটো
প্ৰেমৰ সাগৰত তুই ফুলাবলৈ,
মেলি দিলো সেউজীয়া পথাৰৰ দলিচাত
শইচৰ বুকুত সজোৰে আঘাত কৰি
পখিলাটো উৰি গ'ল
পখিলাটো এতিয়া স্বপ্নৰ উদ্যানত ।

# এতিয়া মোৰ সুতীক্ষ্ণ দুচকুত

( ভেলেণ্টাইনী মুক্তি যোদ্ধাৰ সমীপেষু )

□ বেণুধৰ দাস
( প্ৰাক্তন ছাত্ৰ )

এতিয়া মোৰ সুতীক্ষ্ণ দুচকুত
আকাশ-মাটি, পথ–উপপথ,
আৰু –
উন্মেষিত নেত্ৰে আজুৰি অনা
একোটি প্ৰবল বিপ্লৱ।
এজাটি প্ৰবল ধুমুহা।

আকাশলক্ষ্মী সৱলৰ উদাৰতাৰ দৰে
মোৰ দৃষ্টি প্ৰতি ঘৰৰ দুৱাৰে-দুৱাৰে
ৰাস্তাই-গলিয়ে ... ...
বিক্ষুব্ধ জীৱনৰ চেপাত নৈ থকা
প্ৰচণ্ড যন্ত্ৰণাই
এতিয়া জড়তা ভাঙি থিয় হৈছে ৰাজপথত
প্ৰতিঘৰ মানুহৰ বাবে
সূৰ্যমুখী ফুল ফুলাব।

এতিয়া মোৰ অনিমেষ দৃষ্টি
প্ৰতিজন মানুহৰ মুখে-মুখে।
মানুহবোৰৰ হাঁহি বতাহৰ দৰে
মুক্ত হৈছে নে? নে মানুহৰ হিয়া
আকাশৰ দৰে বিশাল .... ... ?

মোৰ সুতীক্ষ্ণ দুচকুত
পৃথিৱীৰ সন্তান সন্ততি মাতৃবোৰ
পৃথিৱীৰ বাস্তৱ ছবিহে বৰ্তমান!
এতিয়া মোৰ সুতীক্ষ্ণ দুচকুত
আকাশ-মাটি, পথ-উপপথ
আৰু
উন্মেষিত নেত্ৰে আজুৰি অনা
একোটা প্ৰবল বিপ্লৱ।
এজাটি প্ৰবল ধুমুহা।

●

# নিজৰেই

□ টংকেশ্বৰ কলিতা


সুখে দুখে
মোৰ ভগা পঁজাত
ভুমি থাকে সেউজীয়া
নদীৰ স্মৃতি

তথাপি,
নিঃসংগ মোৰ প্ৰেম
জীৱনৰ পৰিচাত গঢ় লিও
মই মোক
সূৰ্যোদয়ৰ সময়
সূৰ্যাস্তৰ সময়
চিনাকি
অচিনাকি
নিজৰেই ৰূপ ॥


●




## স্বকীয় প্ৰতিভাৰে পৰিচিত এওঁলোক




মিঃ বি. এইচ. চি '৮৬-৮৭
পৰেশ দাস



শ্ৰেষ্ঠ অভিনেতা
ধনজিৎ দাস




শ্ৰেষ্ঠ গায়ক
মহেশ হাৰলালকা




শ্ৰেষ্ঠ পৰিচালক
গবিন্দ কলিতা



শ্ৰেষ্ঠা খেলুৱৈ
মিচ. ছোফিয়া বেগম




শ্ৰেষ্ঠ সমাজ সেৱক ( কৰ্মী )
ৰমণী কান্ত পাঠক



১৯৮৭ ইং চনত ৰাষ্ট্ৰীয় সেৱা আচঁনিত যোগদান কৰি বিশেষ পুৰস্কাৰ বিজেতা
মোঃ আমিৰ হুছেইন

# গল্প



"অলীক কল্পনা আৰু অবাস্তৱ বিষয়ৰ সহায়ত আধুনিক পাঠকৰ মনত ৰসৰ সঞ্চাৰ সম্ভৱ নহয়। মানুহৰ যুক্তিবাদী মনে সকলো কথাকে যুক্তিৰ মাপকাঠীৰে জুখি চাবলৈ ইচ্ছা কৰে। গল্পৰ ক্ষেত্ৰতো যুক্তিৰ আৱশ্যকতা অস্বীকাৰ কৰা নাযায়। কিন্তু গল্পত থাকে কল্পনাৰে অধিক প্ৰাধান্য। গল্প হ'ল যুক্তিৰ ভেটিৰ ওপৰত নিৰ্মাণ কৰা কল্পনাৰ সৌধ।"

— ত্ৰৈলোক্য নাথ গোস্বামী।

# এটা নগ্ন নাৰীদেহ, এজনী গাভৰুৰ লাজ আৰু মোৰ গল্প

□ ভাস্কৰজ্যোতি দাস

জীৱন কালত যিজনী নাৰীক কোনেও অকণমান সময় কৰিব নোৱাৰিলে সেই নাৰীক মৃত্যুৰ পিছতো দুটা চকুৰে একেথৰে সময় কৰিব ইচ্ছা কৰে, মুখা ঘৰে, নাৰী। একেই নাৰী, একেই নগ্ন দেহ, একেই নগ্নতা। এজনী সম্পূৰ্ণ নগ্ন [illegible]। অথচ লাজ! ভয়! লাজ, ভয় যে মনত? আৰু যামতলী কাপোৰ পিন্ধিব নাই।

তেতিয়াও আমাৰ মৰিছিল এটি গল্প।

এটি ভাবেৰিৰ গল্প

ৰাজপথৰ মাটিৰ বুকুৰ এটি গল্প,

ৰাজপথৰ স্মৃতিৰ এটি গল্প।

ৰাজপথৰ স্মৃতিৰ সেইদিনা আপুনিমানৰ প্ৰত্যেক মতেই প্ৰেয়সী আবেলি আমি, মানে মই আৰু মোৰ প্ৰেয়সী জীপখনেৰে অহা ৰাজপথলৈ গৈছিলো। মোৰ জীপখনে এটা ৰং-চাপৰ শিল দিয়া ৰাস্তাৰে আগবাঢ়ি গৈছিল। সেই সময়ত জীপখনে আগবাঢ়ি গৈছিল। মোৰ ভাব হৈছিল মই যেন কোনোবা সপোন-মোৰ প্ৰেয়সী। শিল পুৰণি হৈ আছো ওচৰতে মোৰ প্ৰেয়সী। আহি থাকোতে দিয়া ৰং-চাপৰ আলিবাটেৰে আহি থাকোতে সোণালী পখিলাবোৰ, চেতনাৰ ৰং-সোণালী পাখিবোৰ উৰুৱাই আৰু এক ৰং ৰং পাখিবোৰ মনত নাই। তেতিয়া এনে আছিলো মোৰ মনত নাই। কেতিয়া এই অৱস্থা পাৰ হৈ আহি কেতিয়া এই সময়ত হৃদয়শূন্য অৱস্থা পাইছিলো সেয়াও মোৰ মনত নাই। যাওঁ মনত আছে মই আৰু মোৰ নিচেই কাষত মোৰ প্ৰেয়সী। দুয়ো কথাৰ সাগৰত ওপঙি ওপঙি নিজান মৰীন সপোন ৰচিছিলো। তেতিয়া মোৰ ভাব হৈছিল যেন গৈৰিকত যেন এটা কাপচকুৱা কথা আৰু হাঁহিৰ নিজৰা।

ৰাজপথ— এয়া অতীতৰ কোনো ৰজাৰ ৰাজপ্ৰাসাদৰ ধ্বংসাৱশেষ। অতীতৰ কোনো নজাই ৰাজ্যতেই বহি ৰাজ্য পৰিচালনা কৰিছিল। অতীতৰ ৰজা-ভাৰৰেই এয়া মাথো স্মৃতিচিহ্ন। অতীতৰ ৰজা-ৰাণী, নটী, নৰ্তকী-বিলুপ্তীৰে পৰিপূৰ্ণ এই ৰাজপথত এতিয়া কোনো মানুহ নাথাকে। ৰাজপথৰ কিলোমিটাৰ নিলগত জলাশয়ৰ পৰা আঠ-দহ কিলোমিটাৰ নিলগত এই ৰাজপথ থিয় হৈ এতিয়াও সৌন্দৰ্যৰ কোনোবা ৰহস্যৰ স্থাপত্য আকৰ্ষণ কৰা শিল্পৰ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ, এটা শিল্প সুলভ প্ৰতি এক দুৰ্বাৰ আকৰ্ষণ এই মনৰ কথা। কিন্তু সংৰক্ষণৰ অভাৱত এই

সুন্দৰ ৰাজপ্ৰাসাদটো এতিয়া ভগ্নাৱশেষত পৰিণত হৈছে। য'ত এতিয়া গছ, বনলতা ঢেঁকীয়া, সাপ, বাদুলিৰ বাহিৰে আন একো বিচাৰি পোৱা নাযায়। এয়াই অতীতৰ ৰাজগাৰ— যাৰ দুৰ্বাৰ আকৰ্ষণক নেওচা দিব নোৱাৰি গুচি আহিছিলো।

জীপৰ পৰা নামি দুয়ো খোজ কাঢ়ি আগ বাঢ়িছিলো। সমুখত এটা প্ৰকাণ্ড অট্টালিকা, জহি-খহি পৰিছে তাৰ দুৱাৰ-খিৰিকি, বেৰ খোৰ। গছ-লতা ঢেঁকীয়াই আবৰি থকা ৰাজপ্ৰাসাদটোলৈ দুয়ো সোমাই গৈছিলো। মোৰ ডিঙিত কেমেৰা, হাতত টৰ্চ লাইট এটা। মই আগে আগে, পিছে পিছে মোৰ প্ৰেয়সী অন্তৰা। এফালৰ পৰা মোৰ কেমেৰাটোৱে কেবাখনো ছবিক বন্দী কৰিলে তাৰ কেঁচা বিলত। ৰজাঘৰীয়া কোনো কাৰুকৰ-ধনিকৰে নিপুণ হাতেৰে শিলত কটা মূৰ্তি। বেৰত থকা বহুধৰণৰ মূৰ্তিৰ অৱয়ৱ যাক আৰু এতিয়া নিৰ্ণয় কৰিব নোৱাৰি সেয়া কিহৰ চিত্ৰ, কাৰ চিত্ৰ আছিল? ইয়াৰ পিছৰ কোঠাটো কিছু পৰিষ্কাৰ আছিল। তাতেই ঘটিছিল ঘটনাটো। কোঠাটোত সোমাই মোৰ প্ৰেয়সীয়ে চিঞৰি উঠিছিল। অন্তৰাৰ চিঞৰত ঘূৰি চাইছিলো— এটা নাৰীদেহ! চিত হৈ পৰি আছিল এটা সম্পূৰ্ণ নগ্ন নাৰীদেহ। মই আগবাঢ়ি গৈছিলো— মোৰ ডিঙিত ওলমি থকা কেমেৰাটোৱে বিভিন্ন এংগোলৰ পৰা নাৰীদেহটোৰ কেবাখনো ফটো তুলিলো। এইবাৰ মই নাৰীদেহটো একেবাৰে ওচৰৰ পৰা নিৰীক্ষণ কৰিব ধৰিলো। মোৰ মনত নানা ধৰণৰ চিন্তাই কোবাই যাব ধৰিলে .........

প্ৰথমতে ভৰি, তাৰ পিছত কঁকাল, তাৰ পিছত বুকু, তাৰপিছত মুখ (দুদিনমান হোৱা মৃতদেহটোৰ পৰা এটা গোন্ধ ওলাইছিল) সকলোতে স্পষ্ট চিন আছে— নাৰী কোনোবা কামাতুৰ মানুহৰ কামাগ্নিত দাহ গ'ল। তাইৰ মুখ, ডিঙি, হাতত দাঁতৰ কামোৰৰ ক'লা পৰি ফুলি উঠা চিন। তাইৰ স্তনটো তেনে দাগ। তাইৰ হাত ভৰি সকলোতে আঁচোৰৰ চিন ......

তাই বাৰু কোনোবা ধনীৰ দুলালী আছিল নেকি? কিন্তু তাৰ একো চিন চাব নাই। তাইৰ দেহত কোনো ধৰণৰ অলংকাৰ নাই। তাইৰ কাপোৰ কানিবোৰ মোৰ চকুৱে দুকি পোৱালৈ বিচাৰিলে কিন্তু নাই, নাছিল।

তাই বাৰু বিবাহিতা আছিলনেকি? কিন্তু তাৰো চিন কপাল বা শিৰত নাছিল। নাইবা কোনোবা মুছলমান ছোৱালীও হব পাৰে নাইবা কোনোবা বিধবা ছোৱালীও হব পাৰে!

নাৰী সুন্দৰী আছিল নেকি? যাৰ সুন্দৰতাই কোনোবা যুৱকক আকৰ্ষণ কৰিছিল। আৰু... কিন্তু সেয়াও জানিবলৈ তেতিয়া উপায় নাছিল।

হয়তো নাৰী কোনোবা দুখীয়া ঘৰৰ একমাত্ৰ আশ্ৰয় আছিল। তাই হয়তো চাকৰি কৰিছিল! কোনোবা অফিচৰ টাইপিষ্ট! হয়তো তাই কোনোবা যুৱকৰ প্ৰেমত পৰিছিল আৰু তাৰেই শেষ দশা এয়া! নাইবা কোনোবা নিৰ্মোহী গুণ্ডাৰ হাতত পৰি দেহা-মান-সন্মান সকলো হেৰুৱাইও তাই জীয়াই থাকিব নোৱাৰিলে।

হয়তো নগ্ননাৰী কোনো বেশ্যালয়ৰ বেশ্যা আছিল আৰু সেই অতি সজ্জিতে কোনোবাই ইয়ালৈ আনি তাইক হত্যা কৰিছে। তাইৰ একমাত্ৰ ভায়েকটোৱে হয়তো এতিয়া খাবলৈ নাপাই চিঞৰি চিঞৰি কান্দিছে আৰু ওচৰতে থকা অন্ধ বাপেকে হয়তো তাক আকৌ দুটামান ধাপ্পৰ দিছে।

হয়তো কোনোবা মাতৃৰ একমাত্ৰ আঁচলৰ ধন, ছোৱালীজনী ঘৰলৈ নহাত কান্দি-কাটি বাউলীয়া হৈ ওচৰতে থকা পুলিচ থানালৈ আহিছে নিজৰ থানাৰ একমাত্ৰ জীয়েকক বিচাৰি দিব কবলৈ।



হাত নগোৱা চকীত বহি মনৰ নিচাত ভোৰ হৈ থকা বাবুজনে ভেকাহি মাৰি উঠিছে আৰু চিঞৰিছে তলতীয়া কৰ্মচাৰীক তিৰোতাজনীক উলিয়াই দিবলৈ— 'ক'ৰ এইজনী পাগলী' বুলি।

ছিঃ ... ...

'ছিঃ ক'ৰ এইজনী নিলাজী বেশ্যা' বুলি মোৰ ওচৰৰ পৰা আঁতৰি যোৱা মোৰ 'অন্তৰা' প্ৰেয়সীৰ চিঞৰত মোৰ চিন্তাৰ আঁত হেৰাই গৈছিল ... ... ... মই ইফালে-সিফালে চাইছিলো ... ... কিন্তু ধৰিব পৰা নাছিলো ক'ৰ পৰা আহিছিল চিঞৰটো ... ... মই কোঠাটোৰ পৰা ওলাই আহিছিলো .... ... 'অন্তৰা হাত-ভৰি আহাৰি থিয় হৈ আছে' মোৰ বুজিবলৈ বাকী নাছিল যে জোকে ধৰিছে। মোৰ প্ৰেয়সীৰ ভৰিৰ পৰা টোপাটোপে তেজ ওলাইছিল। জোক এডালে ভৰিখনত কামুৰি তেজ খাই আছিল। মোক দেখি অন্তৰা কিছু সুস্থিৰ হ'ল, জোকডাল এৰুৱাইছিলো। তেজ খাই জোকডাল বেলুন ফুলাদি ফুলিছিল। সি তেতিয়া লৰচৰ কৰিব নোৱাৰাকৈ পৰি থাকিল। মই ঠাইখিনি কমালেৰে মচি দিলো, তেজ ওলোৱাতো বন্ধ হৈছিল তেতিয়া। এনেতে বাদুলিবোৰে পাখি কোবাইছিল— ওপৰেদি সাপ এডাল বগাই গৈছিল। অন্তৰাই চিঞৰি মোৰ বুকুত কুচি-মুচি সোমাই গৈছিল। সাপডাল লাহে লাহে আঁতৰি গৈছিল কিন্তু অন্তৰা মোৰ বুকুৰ পৰা আঁতৰি যোৱা নাছিল। তাইৰ শাৰীৰ আঁচলটো লাহে লাহে মাটিত বাগৰি পৰিছিল, আমি দুয়ো যেন বহু শতাব্দী পিচলৈ আগবাঢ়ি গৈছিলো।

প্ৰত্যাৱৰ্তনৰ পথত যেতিয়া মই মোৰ প্ৰেয়সীক পুলিচ ষ্টেচনত সোমাই নগ্ন নাৰী দেহটোৰ কথা কৈ যাম বুলি কৈছিলো তেতিয়া মোৰ অন্তৰ শূন্য অন্তৰাই একেবাৰে উঠাই দিছিল— পুলিচে যেনো প্ৰথমতে মোকেই সন্দেহ কৰিব আৰু পিচত মইহে জান্দত পৰিম আৰু তাইৰ হেনো এইবোৰ কথা কবলৈ 'লাজ' লাগে।

জীৱন কালত যিজনী নাৰীক কোনেও অকণমান সহায় কৰিব নোৱাৰিলে সেই মৰাকী নাৰীক মৃত্যুৰ পিছতো দুটা চকুৱে অকণমান সহায় কৰিব ইচ্ছা নকৰে, ঘৃণা কৰে, লাজ লাগে। অথচ! একেই নাৰী, একেই নগ্ন দেহ, একেই নগ্নতা। এজনী সম্পূৰ্ণ নগ্ন আৰু আনজনী কাপোৰ পিন্ধিও নগ্ন। অথচ লাজ! ক'ত? চকুত, দেহত নে মনত?

জীপখনে যেতিয়া ৰাজপাৰৰ বাট এৰি চহৰৰ থানাখনো এৰিছিল ততকেই ধৰিব নোৱাৰিলো।

অস্ত-আকাশত আবক্ত প্ৰহৰৰ মেলা পাতি সূৰ্যটোৱে ডুব দিব ওলাইছিল কিন্তু সূৰ্য্য দুপৰীয়াতে ডুব গ'ল।

এটা নগ্ন নাৰীদেহক এখন কাপোৰেৰে মই ঢাকিব নোৱাৰিলো— এজনী গাভৰুৰ লাজৰ বাবে। হয়তো কাইলৈ অথবা পৰহিলৈ যেতিয়া তাৰ গোন্ধ চৌদিশে বিয়পি পৰি শিয়াল-কুকুৰ, শগুন-কাউৰীবোৰক বলিয়া কৰিব— সিহঁতে নগ্ন দেহটো, মোৰ 'অন্তৰা' প্ৰেয়সীৰ ভাষাত 'আবৰ্জনাটো' আঁতৰাই পেলাব, এজনী গাভৰুৰ লাজও আঁতৰি যাব। কিন্তু মোৰ মনৰ পৰা··· ?

সংযম নৈতিক জীৱনৰ মূল ভেটি। —চক্ৰেটিচ

# নিৰৱে চকুলো সৰে

□ সুনীতি কলিতা

তাইৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। এক্ষণে তাইৰ অন্তৰে প্ৰতিবাদ কৰিবলৈ ধৰিছে— সেই নৰপশু চি, আৰ, পি, দুটাৰ পাশৱিক অত্যাচাৰ আৰু আনফালে মানৱৰ আগমনে তাইৰ অন্তৰত নতুন ভাবৰ খকোৰ তুলি পাৰ ওপচাই পেলাইছে।

বাজি থকা ওৱাল ক্লকটোৱে এক, দুই, তিনি মিনিট কৰি আগবাঢ়ি গৈ আছে। প্ৰতি ঘণ্টাৰ মূৰে মূৰে বাজি উঠা সংকেত ধ্বনিটোৱে অন্তৰখনতো প্ৰতিধ্বনিত কৰে। ইমান কোলাহল পূৰ্ণ পৰিবেশটোৱে মাজে মাজে নিৰৱতাৰ আশ্ৰয় লয় আৰু এই সময়খিনিতে মানসীৰ অন্তৰখনে অতীতৰ ফালে চাপৰি মেলি নিৰাশাক প্ৰত্যাহ্বান কৰে।

তাই যেন আজি স্থিৰেৰে বব পৰা নাই। বাৰে বাৰে অহা ভাবনাখিনিয়ে তাইক বৰকৈ আমনি কৰিব ধৰিলে। তাই বহি থকা ঠাইখিনিত যেন এটি মৃদু কম্পন হ'বলৈ ধৰিছে আৰু সেই কম্পনে তাইৰ অন্তৰৰ আনন্দখিনিক ভাঙি টুকুৰা টুকুৰ কৰিছে। এনেদৰে আৰু কিমান সময় অপেক্ষা কৰিব তাইৰ আগন্তুকৰ বাবে—!

মাক-দেউতাকৰ অতি আদৰৰ মানসীয়ে আজি তাইৰ জীৱনৰ এগছি বন্তি জ্বলাইছে— যি বন্তিৰ আলোকে তাইৰ গোটেই জীৱনটো আলোকিত কৰিব, যাক আশ্ৰয় কৰি তাইৰ অন্তৰাতে বগোৱা আশাৰ লতাখনি এজেৰি আশ্ৰয়ৰ স্থল পাব। তাইৰ ভৱিষ্যতৰ দিনবোৰৰ সুখ-দুখ নিৰ্ণয়কাৰী মানৱৰ ওচৰত জীৱনটো সঁপিবলৈ আয়োজন কৰিছে। যাৰ বাবে ঘৰখনত উখল-মাখল লাগি পৰিছে। ঘৰৰ একমাত্ৰ ছোৱালীজনীক উলিয়াই দিব এজন সম্ভ্ৰান্ত লোকলৈ। সঁচাকৈ ঘৰৰ আটাইবোৰ মানুহৰ মনতে আনন্দ যদিও দুখৰ ক্ষীণ লহৰে মানসীৰ অন্তৰত প্ৰতিধ্বনিত কৰি আছে। দিনত তাইৰ বিয়াৰ কৰ্ম সমূহ সুকলমে চলিছে। এতিয়া মাথো বাকী ৰাতি পৰা অহা সময়খিনি। সকলোৱে ভালদৰে বৰ্ত্ত-বাহানি সজোৱাৰ উপৰিও প্ৰত্যেকেই নিজকেও সজাই তুলিছে।

এফালে ঘৰখনত আটাইবোৰে আনন্দ মনেৰে নতুন সাজপাৰেৰে ধুনীয়াকৈ সজাই তুলিছে আৰু আনফালে মানসীয়ে নিৰৱে চকুলো টুকি আছে। তাইৰ চকু পানীৰ ৰহস্য বুজাটো সকলোৰে বাবে সহজ কাৰণ এইটো সকলো ছোৱালীৰ ক্ষেত্ৰতে হয়। কিন্তু মানসীৰ চকু পানীখিনিত যেন এটি বুজাব নোৱাৰা অতীত স্মৃতি জড়িত আছে, প্ৰতিটোপা লোতকৰ সোঁতে তাইৰ অন্তৰত উটুপনি তোলে। উমি উমি জ্বলি থকা জুইখিনি জ্বলাই দিলে যেনে-দৰে দপ্ দপ্ কৈ জ্বলি উঠে ঠিক তেনেদৰে প্ৰতিটো হুমুনিয়াহে তাইৰ চকুলোৰ সোঁত তীব্ৰ কৰিছে।

ছ-বছৰীয়া আন্দোলনৰ সময়ত তাইৰ জীৱনলৈ অহা এজাতি ধুমুহাই তাইৰ আজি তেনেকুৱা অৱস্থা কৰিছে। মানসী তেতিয়া বি, এ, দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী। এদিনাখন তাই কলেজৰ পৰা বাহিৰে বাহিৰে চিনাই ফুললৈ গৈছিল। তাই ঘৰলৈ উভতি আহোঁতে প্ৰায় সন্ধিয়া ভাগিছে। তাইৰ একমাত্ৰ চিন্তা ঘৰটো কেতিয়া পায়। কিন্তু তাই যিদৰে ভাবিছে সেই ভাবটো ভাব হৈয়ে ৰ'ল। তাই গৈ থকা অৱস্থাতে দুবৈত কাকোবাৰ অস্পষ্ট শব্দই মনটো সেমেকাই তুলিছিল। তাই ইমান বৰকৈ খোজ কাঢ়িছে যে ঘেমেৰে ঘামি জামি ভাগৰত অস্থিৰ হৈ পৰিছে। তাই সেই শব্দখিনি কেনেদৰে পাৰ কৰিব পাৰে তাকে ভাবি থাকোতে তাইৰ সন্মুখত দুটা 'প্ৰাণী' উপস্থিত হ'ল। এই প্ৰাণী দুটাই তাইক বাট আগচি ধৰি যোৱা পথত প্ৰতিবন্ধক ৰূপে থিয় দিলে। তাই আগ-বাঢ়িবও নোৱাৰে পাছ হোঁহকিবও নোৱাৰে। তাই এতিয়া কি পথ অৱলম্বন কৰিব ভাবি অস্থিৰ হৈ পৰিল। তাই কলৈকো যাব নোৱাৰাত পৰিল আৰু সেই প্ৰাণী দুটাই খেলাৰ পুতলাৰ দৰে তাইক চলাব ধৰিলে। সেইখিনি ঠাইত কোনো আশ্ৰয়দাতা বা আশ্ৰয়ৰ স্থল নাছিল। তাইৰ প্ৰতিটো চিঞৰে কেৱল গছে বনে আশ্ৰয় লৈ সিহঁতেও নিৰৱে চকুলো টুকিছিল। এনেদৰে তাইৰ কিমান সময় গৈছিল তাই কব নোৱাৰিছিল। হঠাৎ তাইৰ কাণত পৰিল বিপৰিত ফালৰ পৰা অহা কোনোবা আৰোহীৰ চাইকেলৰ শব্দ, তাই যেন অলপ সকাহ পালে। তাইৰ ওচৰত থকা সেই প্ৰাণী দুটাই শব্দটো শুনাৰ লগে লগে পলাই ফাট মাৰিলে। তাইক যেতিয়া ককা-য়েকে মানসী বুলি মাত দিলে তেতিয়া তাই অ' বুলি উচ্চাৰণ কৰি ঘৰলৈ অগ্ৰসৰ হ'ল। ককায়েকে কেৱল তাইক সুধিলে কি কাৰণত ক'ত পলম হ'ল। তাই মুখেৰে একো কব নোৱাৰি কেৱল কান্দিবলৈ ধৰিলে। ঘৰত যেতিয়া তাইক মাক-দেউতাকে সুধিলে তেতিয়া তাই সকলো কথা কৈ দিলে। এই ঘটনাটোৱে এমাহ মানলৈ ঘৰৰ আটাইবোৰকে চিন্তান্বিত কৰি তুলিছিল। তাৰ পিচত দিন বাগৰাৰ লগে লগে তাইৰ বাহিৰে সকলোৰে অন্তৰৰ পৰা মোচ খাবলৈ ধৰিলে। কেৱল তাইৰ অন্তৰতে মুচিব নোৱাৰা দাঁচ হিচাপে ৰৈ গ'ল। আৰু আজি তাইৰ বিয়া। তাইৰ জীৱনৰ অমূল্য সম্পদ 'সতীত্ব' খিনি হৰণ কৰাৰ পিচত মানৱৰ ওচৰত কেনেদৰে সমৰ্পণ কৰিব তাইৰ সেই চিন্তাটোৱে বাৰে বাৰে ধ্বনিত হ'বলৈ ধৰিলে। তাই কেনেদৰে মুখ খুলি কব কলেজীয়া জীৱনত তাইৰ জীৱনৰ ওপৰেৰে বাগৰি যোৱা ধুমুহা খিনিৰ কথা, মনৰ মাজত ধ্বনিত হোৱা দুখৰ চাবৰোৰে তাইৰ চাৰিওফালে থকা দেৱৰ দিল, ইটা-বোৰত প্ৰতিধ্বনিত কৰিবলৈ ধৰিলে। মাজে মাজে তাইৰ হিয়াত জীৱনৰ মহা সংগীত বাজি উঠিছিল। অস্থিৰ অদম্য চঞ্চলতাত তাই আত্মহাৰা হৈ উঠিছিল। জীৱনৰ তীব্ৰ-গতি দেখি, তাইৰ সৌন্দৰ্য্যৰ প্ৰাচুৰ্য্য দেখি তাই ভীত হৈ পৰিছিল। এক বুজাব নোৱাৰা কিন্তু বুজি পোৱা ছন্দৰ খেলা যে তাই সমাৰ নোৱাৰি ভৱিষ্যতৰ আশা আকাঙ্ক্ষাত থিয়া মন উবুৰিয়াই দি তাই যেন ৰচিছিল দুখনি হৃদয়ৰ এক অনবদ্য সুৰ। যি সুৰে তাইৰ জীৱনত প্ৰথমতে দিছিল প্ৰাপ্তিৰ প্ৰাচুৰ্য্য আৰু অন্তত দি গৈছিল মন প্ৰাণ খান-খান কৰি এটি নুকুটা মাতৰ সককণ

তান। তাইৰ জীৱনৰ ধাৰা মজিয়াতে উদয় হ'বলৈ ধৰা সাতৰঙী কামধেনুৰ ৰশ্মিবোৰ যেন অকালতে মৰহি গৈছিল। আৰু এই জীৱনৰ প্ৰতিটো মুহূৰ্ত্তই তাইৰ বাবে এটি বিৰাট আলোড়ন হৈ ৰৈ গৈছিল।

তাইৰ মনটোৱে এনেদৰে কোনো এক গোপন স্থানত বিচৰণ কৰি থাকোতে তাই দূৰৈত বেণ্ডপাৰ্টিৰ শব্দ শুনিবলৈ পালে তেতিয়া তাইৰ গাৰ নোমবোৰ শিয়ৰি উঠিল। এফালে তাইৰ অন্তৰে প্ৰতিবাদ কৰিবলৈ ধৰিছে সেই নৰপশু টি. আৰ. পি. দুটাৰ পাশৱিক অত্যাচাৰ আৰু আনফালে মানৱৰ আগমনে তাইৰ অন্তৰত নতুন ভাবৰ ঝংকাৰ তুলি পাৰ উপচাই পেলাইছে। ●

"ফুলৰ সুগন্ধৰ গৰাকীজন তোমাৰ ভিতৰতে আছে। হৰিণাৰ নাইটোতে থকা কস্তুৰী পৰি সুগন্ধ গোটেই বনত বিয়পি পৰে; কিন্তু অজ্ঞানতা-বশতঃ হৰিণাটোৱে সুগন্ধ ক'ৰ পৰা আহিছে বুলি বাঁহ-বনবোৰ শুঙি শুঙি গোটেই অৰণ্য চ'লাপাত কৰে। তেনে প্ৰমাদত নপৰিবলৈ তুমি জ্ঞান চকুৰে তেওঁক তোমাৰ মাজতে চোৱা।"

— কাবীৰ।

শক্তি প্ৰয়োগ কৰি মানুহৰ মনক জয় কৰিব নোৱাৰি।
'উড্ডীন উত্তৰীয়'

— ভূপেন শৰ্ম্মা



# ৰুমমেটলৈ

□ জ্যোৎস্না দাস

বেণী, স্বপ্না, ইন্দিৰা সময় পালে খবৰ কৰা। তুমি যেন খুব কষ্ট কৰি কৈছিলা। আৰু মোক, মোকতো এবাৰো মাত নিদিলা। আবেগবিহীন, যন্ত্ৰ-মানৱৰ দৰে মই মাথো মুচকুৰে চাই থাকিলো। বিদায়ৰ চকাৰ গতি দ্ৰুততৰ হ'ল। কেতুকীটো, মিউজিয়াম ··· আৰু নেদেখি।

মৰমৰ বিন্দু,

এয়া তোলা আজি সুদীৰ্ঘ দুটা বছৰ অতিক্ৰম কৰি তিনি নম্বৰ বছৰটোত ভৰি দিছোহি— তোমাৰ মোৰ বিদায় বেলাৰ সেই বৰষুণেৰে ৰুপাই তোলা ৰাতিপুৱাটোৱে। তথাপিও সেই দিনটো সেই দৃশ্যটো মোৰ বাবে নিত্য নতুন ৰূপত মানস পটত বাৰে বাৰে জিলিকি উঠে। সেই যে দিনটো ··· ···

মোৰ প্ৰাণীবিদ্যাৰ প্ৰেক্টিকেল আছে— পইতাচোৰা, গৰৈমাছ, কেঁচু ···· এটা এটাকৈ থাক লুটিয়াই খৰখেদাকৈ চাই গৈছো। এৰা, যাবৰ হলেই, অলপ সময়হে আছে। বিনতা-বাই ক'লে— পঢ়ি থাকা, তুমি নালাগে, মই আছোই নহয়। এটা বেডিং বাকচতে ইমান মানুহ কেনেকৈ? মই জোৰকৈ ক'লো— এনেও নহয় অলপ লাগি দিও। নহয় নহয়, তোমাৰ পৰীক্ষা আছে, পঢ়ি থাকা, আঁতৰা, বেয়া পাম নহলে। মই বাধ্য ছাত্ৰৰ দৰে আকৌ লাগি গলো — কেঁচু, গৰৈমাছ ···· ভেকুলী ···। মই সুধিলো— বিনতা বা বিন্দু কলৈ গ'ল? "আছে বাহিৰলৈ গৈছে।" হে বিন্দু, মোৰ ভাগত বা আকৌ কি পৰে! পইতাচোৰা পৰিলেই ভাল পাম। হওঁক গোটেটো বেয়া, শুদ্ধকৈ কৰিব পাৰিম। আৰু মাত্ৰ ৪৫ মিনিট আছে। হস্— হোষ্টেলৰ পৰা কলেজলৈ ৫ মিনিটৰহে ৰাস্তা। এৰা, ডন্ড হোষ্টেলৰ ছোৱালীবোৰৰেই সুবিধা। ··· ··· "বিদেকি যাই চিঠি দিবা দেই, বিয়াত মাতিবলৈ নাপাহৰিবা" কাৰোবাৰ অচিনাকি মাতত মোৰ চিন্তাৰ আঁত হেৰাল। চিৰিচ্‌কৈ খংটোও উঠি আহিল। ইমান চিঞৰিব লাগেনে? পৰীক্ষা আছে নাজানেনেকি? কি বুজিব এই বুদ্ধুকেইটাই, আমিহে পাইছো Science কি বস্তু। পঢ়িছও Arts, পৰীক্ষাও আগতেই শেষ, ঘৰলৈ যোৱা পৰ্ব'ও আগে ভাগে, আকৌ

চিঞৰ-বাখৰখন সিহঁতৰেই বেছি। ছেঃ কাঠপেঞ্চিলডালো জোঙাৰ আছে।

আছিলি বিজু? হ'বনে, সকলোকে মাতিলি? চুপাৰ বাইসেউক? তুমি চুটিকৈ উত্তৰ দিছিলা — ঙ। বিজ্ঞাখন আহি পাইছেহি। যাদৱক কওঁতে হোষ্টেলৰ দুখনকেই দিলে। হঠাৎ মই তোমাৰ ফালে চাই তোমাক আগৰ দৰেই নিৰ্ব্বিকাৰ দেখিছিলো। এবা, বিজুৱেতো মোক মাত দিয়া নাই ... ... "যাদৱ হৈছেনে তোমাৰ? বিনতা বাৰ মাত কানত পৰিল। কিন্তু মোৰ, মোৰ কি হ'ব? মোৰ মূৰটো ঘূৰোৱা যেন লাগিছে, শিৰা-উপশিৰা বোৰতযেন কিবা বিচ্যুতি ঘটিছে ... ... Practical ৰ box টো লৈ মই বহি পৰিলো। জিনা, ভালদৰে পৰীক্ষা দিবা ... ... আৰু বাকীখিনি মই শুনা নাছিলো। নিজকে সংযত কৰি তোমাক আৰু বিনতা বাক আগবঢ়াই দিবলৈ গেট পালোগৈ। কাৰো মুখত মাত নাছিল— তথাপি দেখিছিলো তুমি মোৰ পৰা লুকুৱাব খুজিছা তোমাৰ হৃদয়খন মুচৰি থৈ গুলাই অহা দুটি সৰু সৰু নিজৰা তোমাৰ দুগালেদি ছিল্‌দল্ ভাঙি বাগৰি পৰা দৃশ্যটি। তুমি মোৰ ফালে নোচোৱাকৈ বিজ্ঞাখনৰ ওচৰলৈ আঁতৰি গৈছিলা। কাষতে সেইডিংটো তুলি দিলে বিজ্ঞাত। এখনত তুমি আনখনত বিনতা বা বহি পৰিলা। বিজ্ঞাৱালাৰ ভৰি দুখন থৈ পেডেলত উঠিল। দেবী, অথা, ইন্দিৰা সমস্ত পালে খবৰ কৰা। তুমি যেন খুব কষ্ট কৰি কৈছিলা। আৰু মোক, মোকতো এষাৰো মাত নিদিলা। আবেগ বিহীন, যন্ত্ৰ-মানৱৰ দৰে মই মাথো দূৰৈকৈ চাই থাকিলো। বিজ্ঞাখনৰ চকাৰ গতি দ্রুত-তৰ হ'ল। কেঁকুৰিটো, মিউজিয়াম ... আৰু নেদেখি। পিছফালে ঘূৰি চালো ... কোনো নাই। মোৰ বামন ফালে আগবাঢ়িলো দুৱাৰমুখ দুৱাৰখন খুলি দেখিলো খালী বিছনা এখনে মোৰ ফালে টি টি কৈ চাই যেন মোৰ মনৰ বেদনাখিনি যেন ডাঠ কৰি তুলিছে। খালী, বেকটো, খালী আইনাখন ... ... আৰু মই সহ্য কৰিব নোৱাৰিলো— সমস্ত দুখ-বেদনা উলিয়াই পেলাবলৈ যেন মই হুক্ হুক্‌কৈ কান্দি পেলালো। মই বাৰু এইবোৰ আগত লৈ কি দৰে ইয়াত থাকিম— বিজু, তুমি মোক শঁচাকৈয়ে এৰি থৈ গ'লা নেকি? লগে লগে ইন্দিৰা আহি মোক বুজাবলৈ চেষ্টা কৰিলে— মই তাইৰ লগতেই কলেজ পালোগৈ। জানা বিজু, মোৰ ভাগত পইতাচোৰাই পৰিছিল। কি কাটিলো, কি লিখিলো একো কব নোৱাৰিলো— মাথো অনবৰত তোমাৰ বিদায় দৃশ্যটোইহে আমনি কৰিছিল।

পৰীক্ষা দি ভাবিলো তোমাক লগপোৱাৰ ৰাস্তা এটাই— যদিহে দুয়োৰে বিজাল্ট ভাল হয় আৰু একেলগে পঢ়িম, কমমেট হ'ম। আশাবোৰ বহু সময়ত আশা হিচাবেই থাকি যায়। হোষ্টেলৰ পৰা ওচি আহি প্ৰথত বহুত দিন সপোনত তোমাক দেখিছিলো। সাৰ পাই ভগৱানক খাটিছিলো দুয়ো লগ হোৱাৰ সুবিধাটো যাতে মিলে। আৰু কেতিয়াবা কান্দিছিলো— বহু উজাগৰি নিশা কটাইছিলো। কোনেও নজনাকৈ কোনেও নেদেখাকৈ। কিন্তু আমি দেখাদেখি হোৱাৰ সুবিধাটো নাপালো। result ৰ পাছত আকৌ এবাৰ নতুন বাজাত সোমাই পৰিলো। Science বাদ দি দিলো। English ত Major লৈ Arts ত ভৰ্তি হ'লোহি। জানা বিজু, মই যেতিয়া কান্দো ঘৰৰ মানুহে ভাবে আশা কৰা মতে result নোহোৱা বাবে কন্দা বুলি। কিন্তু মই অকল সেই কাৰণেই কন্দা নাছিলো। তুমি মোৰ কান্দোনৰ উৎস তুমিও আছিলা। তুমি পৰীক্ষাৰ এমাহ আগতে Delhi লৈ N. C. C



কেম্প কৰিব নগ'লে তোমাৰ ইংৰাজীৰ পৰীক্ষাও ভালেই হ'লহেঁতেন।

এতিয়া মোৰ ৰুমমেট জনী বড়াইগাওঁৰ। এইখন হোষ্টেলতে থকা গীতাযণিৰ ঘৰো ফকিৰাগ্ৰামত। তাইৰ লগত তোমাক বিচাৰি যাম বুলি ভাবিছিলো। পিছে যৱলৈ লৈ ছোৱালীজনী বেলেগ কলেজত এডমিশান ল'লে। গতিকে যোৱা নহ'ল। ইয়াত মোৰ কেনে লাগিছে তোমাৰ চাগে জানিবৰ মন যায় নে? অনুভৱবো অতীত ইয়াৰ নিৰ্জনতা খিনি। তথাপি কিয় জানো ভাল হয় মই যেন ইয়াকেই বিচাৰিছিলো। তুমিতো জানাই এনে পৰিৱেশ মই খুব ভাল পাওঁ। এনে এটা পৰিৱেশত, এটা সন্ধিয়াত তোমাক এবাৰ, মাথো এবাৰ যদি লগ পালোহেঁতেন। ইমান দিনে সাঁচি ৰখা কত যে তিতা-কেঁহা অভি-জ্ঞতা হিয়া উজাৰি এটা এটাকৈ কৈ গলো-হেঁতেন। তোমাক বিমলৰ কথা ক'লে মুখ খন ওফোন্দাই পতা ভেমখিনি আকৌ এবাৰ চাবৰ মন গৈছে। খঙতে তুমি মোক "নেহাৰজী" বুলি কৈ আচ্ছাদিত মৰা হাঁহিটো ... ...। বিমল চাগে এতিয়া ডাক্তৰ হৈ গুলাল। বিবেক এতিয়া ২য় বাৰ্ষিক পালে। সি কৰা Practical বোৰ কিমান যে বহল জানি লিখে ...। আৰু বিবেকক লগ পাবৰ বাবে কি বুদ্ধি কৰিছো জানা— M. A. টো Allahabad অত পঢ়িম বুলি মা-দেউতাক কৈছো। আৰু যে কিমান কথা আছে ... ....। তোমাক যদি লগ পালোহেঁতেন। এনে এটা দিন আহিব জানো বিজু? আহিলহেঁতেন হয়তো, কিন্তু তোমাৰ উদাসীনতাই মোক বোবা কৰি পেলায়। তোমাক মই কিমান ভাল পাইছিলো জানা? 'ভালপোৱা' শব্দটোৱে চুকি নোপোৱা খিনিলৈকে। আমাৰ চিনাকিখিনি 'বন্ধুত্ব'তেই সীমাবদ্ধ আছিলনে? পাইও হেৰুৱাৰ বেদনা মই আজি ভালকৈ উপলব্ধি কৰিব পাৰিছো। তুমিয়ে মোক গানটো শিকাইছিলা— "ইমান চিনাকি হৈয়ো কেতিয়াবা অচিনাকি হৈ যাবা, হেৰোৱা দিনৰ সৰা শেৱালী সুবাস জানো বিচাৰি পাবা?" গানটো মোৰ খুব ভাল লাগে। নৱ বৰ্ষৰ শুভেচ্ছা থাকিল। আৰু আশা থাকিল মানুহৰ মাজৰ পৰা, তোমাৰ মোৰ মাজৰ পৰা প্ৰেম, বন্ধুত্ব এই শব্দবোৰ অৰ্থহীন হৈ হেৰাই নেযায় যেন।

তোমাৰ

—জিনা।

---

ওপৰলৈ উঠি অহাৰ সময়ত লগ পোৱা সকলক ভাল ব্যৱহাৰ কৰিবা, কিয়নো তললৈ নামি যোৱা সময়তো তেওঁলোকক লগ পাব লাগিব।

— উইল্‌ছন মিজনাৰ।

# শায়েৰী

(১) তমাম উম্র তেৰা ইন্তিজাৰ কৰ লেংগে,
মগৰ য়ে ৰঞ্জ ৰহেগা কি জিন্দেগী কম হ্যায়

—শাহিদ—

● গোটেই জীৱন তোমাৰ অপেক্ষা কৰি যাম কিন্তু দুখ থাকি যাব এইয়ে যে মোৰ জীৱন কাল বৰ কম।

সংগ্ৰাহক : কমলেশ কাকতি।

(২) কয়ামত তক বহো শাদা ৰহো দিলকী তমন্না হ্যায়
মগৰ্ৰী লো ৰক্ত মিল জায়ে হমে জী ৱাদ কৰ লেনা।

—বেদ প্ৰকাশ—

● গোটেই জীৱন তুমি শান্তিত থাকা এয়েই মোৰ প্ৰাণৰ কামনা যদি কেতিয়াবা সময় পোৱা তেনেহলে মোক স্মৰণ কৰিবা।

সংগ্ৰাহক : পুৰুজিৎ তালুকদাৰ

(৩) মুহব্বত বগ লে জাতী হ্যায় জব মিলতে দিল মিলতা হ্যায়।
মগৰ মুসকিল তো য়ে হ্যায় দিল বড়ী মুস্কিল সে মিলতা হ্যায়॥

—জগদীশ—

● দুখন হিয়াৰ মিলনতে প্ৰেমে প্ৰাণ পাই উঠে, কিন্তু বিপদ এইখিনিতে যে দুখন হিয়া মিলন হোৱাটোৱেই কঠিন।

সংগ্ৰাহক : মনোজ শৰ্মা।

(৪) অপনী তবাহিয়োঁ কা মুঝে কোই গম নহী।
তুমনে কিসীকে সাথ মুহব্বত নিবাহ তো দী॥

—সাহিল—

● তুমি মোৰ জীৱন ধ্বংস কৰি দিয়াত মোৰ কোনো দুখ নাই, তুমি যে আন কাৰোবাক ভাল পাব পাৰিলা সেইয়াই মোৰ শান্তি।

সংগ্ৰাহক : দিপজ্যোতি মজুমদাৰ



[ বিশেষ ৰচনা ]

# ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত …

□ হিতেশ দাস

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ,— য'ত অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন কলেজৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা বিশিষ্ট ব্যক্তি আনকি ৰাষ্ট্ৰ তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী সকলৰো সমাবেশ ঘটে।

বুজি পোৱা নাছিলোঁ ৰাষ্ট্ৰীয় সেৱা আঁচনিনো কি? জনা নাছিলো ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰনো কি? কিছু পৰিমাণে বুজিছিলোঁ সেইদিনাখন— যিদিনাখন আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰাধাচৰণ ৰাজবাৰ সৈতে আমি সাতজনীয়া দলটোৱে অসমৰ পুৰণি ঐতিহাসিক ঠাই, আনন্দৰাম বৰুৱা, নবীন চন্দ্ৰ বৰদলৈৰ জন্ম ঠাই, প্ৰাকৃতিক দৃশ্যৰে ভৰপুৰ, দেৱ-দেৱীৰ মন্দিৰেৰে ভৰা ঠাই, উত্তৰ গুৱাহাটীত উপস্থিত হৈছিলো।

সেইদিনটো আছিল জুলাই মাহৰ ২৩/'৮৭ তাৰিখ। ৰাতিপুৱাতে আমি সাতজনীয়া ছাত্ৰৰ দলটোৱে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ পৰা বিদায় লৈ উত্তৰ গুৱাহাটী অভিমুখে ৰাওনা হৈছিলোঁ। পথুলি পাঁচমান বজাত ভাৰপ্ৰাপ্ত অধ্যাপকৰ সৈতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত উপস্থিত হৈছিলোঁ। অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়খনত সমাবেশ ঘটিছিল। অজানিতে আটাইৰে লগত চিনাকি হৈ পৰিছিলোঁ। সাতদিনীয়া ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰটো আমাৰ এটা পৰিয়ালৰ এখন ঘৰ যেন হৈ পৰিছিল।

সন্ধিয়া সাতমান বজাত আনুষ্ঠানিক ভাৱে আমাৰ আটাইৰে পৰিচয় ঘটিছিল। পৰিচয়ৰ অন্তত দুজনী ছোৱালীয়ে দুটি গান গাই শুনালে আটাইকে। তাৰ পিচত গোটেই খোৱা সমূহ ছাত্ৰ-ছাত্ৰী আৰু ভাৰপ্ৰাপ্ত শিক্ষক সকলক লৈ আমাক দহোটা ভাগত ভগোৱা হৈছিল। শিক্ষক সকলক দলকেইটাৰ তত্বাৱধান লোৱাৰ বাবে এজনকৈ নিয়োগ কৰা হৈছিল। দলবোৰৰ নাম আছিল এনে ধৰণৰ (১) ধনবৰ (২) মণিৰাম (৩) লাচিত বৰফুকন (৪) চিলাৰায় (৫) মুলাগাভৰু (৬) কুশলকোঁৱৰ (৭) জয়মতী (৮) জ্যোতিপ্ৰসাদ (৯) কনকলতা আৰু (১০) বিষ্ণুৰাভা দল।

পিছ দিনা ৰাতিপুৱাৰ পৰা দলপতিৰ নিৰ্দেশ ক্ৰমে প্ৰতিটো দলে দিনটো জোৰা কাৰ্যসূচীত নিষ্ঠা সহকাৰে তেওঁলোকৰ সেৱা আগবঢ়াইছিল। প্ৰতিনিধিত্ব কৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক সকলে শিবিৰৰ নিয়ম-কানুনৰ

লগতে দিনটো জোৱা কাৰ্যসূচীৰ বিষয়ে আমাক বৰ্ণাই কৈছিল। সেই মতে ২৩ জুলাইৰ পৰা ২৯ জুলাইলৈ প্ৰতিটো দলে দিনটোৰ কাৰ্যসূচীত যোগদান কৰিছিলোঁ। দলবোৰক অভ্যৰ্থনাৰ ভাৰ প্ৰতিদিনে ভগাই দিয়া হৈছিল। শিবিৰাৰ্থীসকলে একেলগে ভাত খোৱাৰ কথা মনত পৰিলে এতিয়াও মোৰ আনন্দ লাগে। বেল পৰিলেই আমি ৰান্ধনিঘৰত উপস্থিত হৈছিলোঁ।

২৪ জুলাইৰ ৰাতিপুৱা ১০-৩০ বজাত শিবিৰত প্ৰথম সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ দেৱপ্ৰসাদ বৰুৱাদেৱে। সভাত অংশ গ্ৰহণ কৰে— শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী স্বাস্থ্যমন্ত্ৰী, অসম, গাওঁ উন্নয়ন আৰু পঞ্চায়ত মন্ত্ৰী শ্ৰীযুত চন্দ্ৰ আবাঙ্গৰা আৰু কুলসচিব, গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰীদীনেশ বৰুৱাই।

শ্ৰদ্ধাৰ স্বাস্থ্যমন্ত্ৰী শ্ৰীপাটোৱাৰীয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিনো কি ইয়াৰ দ্বাৰাই জনসাধাৰণক কেনেকৈ উন্নীত কৰিব পাৰি, আমাৰ পিচ পৰা জনসাধাৰণক এই আঁচনিয়ে কেনেকৈ কৃষি ক্ষেত্ৰত আগবঢ়োৱাৰ লগতে চৰকাৰে লোৱা আঁচনি সমূহৰ জ্ঞান দিব পাৰি, নিৰক্ষৰ লোকসকলক সাক্ষৰিত কৰাৰ বাবে চৰকাৰে কেনেকুৱা ব্যৱস্থা হাতত লৈছে— ইয়াৰ ওপৰত প্ৰায় ১ ঘণ্টা ৫০ মিনিট জোৱা দীঘলীয়া সাৰুৱা ভাষণ ৰাখে। লগতে পঞ্চায়তমন্ত্ৰী শ্ৰীচন্দ্ৰ আবাঙ্গৰাইও ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়ে আমাক সম্যক জ্ঞান দিয়ে।

প্ৰতিটো দিনৰ আবেলি একোখনকৈ সভা অনুষ্ঠিত হৈছিল। সভাত বিভিন্ন বিভাগৰ চৰকাৰী বিষয়াসকলে যোগদান কৰিছিল। সভাত নিম্ন লিখিত বিষয়াবোৰৰ ওপৰত বিভিন্ন বিভাগৰ চৰকাৰী বিষয়া সকলে দীঘলীয়া ভাষণ ৰাখে আৰু ইয়াৰ ওপৰত চৰকাৰে লোৱা আঁচনি সমূহৰ বিষয়েও বিৱৰি কয়। লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক সকলে এই ক্ষেত্ৰত কেনে ধৰণে সহায় কৰিব পাৰে তাকো বহলাই ব্যাখ্যা কৰে।

(১) ভাৰত এখন কৃষি প্ৰধান দেশ— ভাৰতৰ প্ৰায় ৭০ ভাগ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। পুৰণি পদ্ধতিৰে আজিলৈ ভাৰতীয় জনসাধাৰণে খেতি কৰি আছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষিৰ ওপৰত বেচিকৈ হেঁচা পৰিছে আৰু এডোখৰ মাটিতে খেতি কৰি থকাৰ ফলত মাটিৰ সাৰ কমি গৈছে। যাৰ ফলত কৃষিত আমি লাভৱান হব পৰা নাই। সেয়ে চৰকাৰে বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ ওপৰত জোৰ দিছে আৰু বিনামূলীয়া বীজ, যন্ত্ৰপাতিৰ যোগান ধৰিছে। আমাৰ ভিতৰুৱা সৰল গাওঁলীয়া জনসাধাৰণে এইবোৰৰ একো ভু নাপায়। তেওঁলোকক এইবোৰৰ বিষয়ে ভালদৰে বুজাই বঢ়াই অন্ধবিশ্বাসবোৰ আঁতৰাই কৃষি ক্ষেত্ৰত উন্নত কৰাই আমাৰ প্ৰধান লক্ষ্য।

(২) জনসংখ্যা বৃদ্ধি— ভাৰতত এতিয়া দিনক-দিনে বাঢ়ি অহা জনসংখ্যাই গোটেই ৰাষ্ট্ৰত জটিল ৰূপ ধাৰণ কৰিছে। বিশেষকৈ গাওঁ অঞ্চলতে জনসংখ্যা বৃদ্ধিৰ কেন্দ্ৰ স্থল। তেওঁলোক অন্ধ বিশ্বাসত বুৰ গৈ আছে। জনসংখ্যা বৃদ্ধিৰ কাৰণ বহুতো দেখা যায়— কম বয়সীয়া বিবাহ, বিধবা বিবাহ, নিৰক্ষৰ লোক, অন্ধবিশ্বাস, বহু বিবাহ ইত্যাদি। চৰকাৰে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছে। পৰিয়াল পৰিকল্পনাৰ যোগেদি কেনেকৈ জনসংখ্যা নিয়ন্ত্ৰণ কৰিব পাৰি, জনসংখ্যা বৃদ্ধিৰ বাবে কেনেকুৱা সমস্যাই দেখা দিছে— এইবোৰ জনসাধাৰণক বুজাই জনসংখ্যা ৰোধ কৰাটোৱে আমাৰ লক্ষ্য।



(৩) প্ৰাপ্তবয়স্ক শিক্ষা— ভাৰতৰ প্ৰায় জনসাধাৰণ নিৰক্ষৰ। যাৰ ফলত বিভিন্ন সমস্যাই দেখা দিছে। দেশত কি ঘটিছে, ক'ত কি হৈছে— এইবোৰৰ প্ৰতি তেওঁলোক অজ্ঞাত। ভাৰত চৰকাৰে এই নিৰক্ষৰ লোক সকলক সাক্ষৰ কৰোৱাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। বিশেষকৈ গাওঁ অঞ্চলত এই শিক্ষাৰ প্ৰসাৰ বঢ়োৱাৰ বাবে চেষ্টা চলাইছে।

(৪) গাওঁলীয়া জন-সাধাৰণৰ স্বাস্থ্য— গাওঁলীয়া জনসাধাৰণে স্বাস্থ্যৰ প্ৰতি যত্ন নলয়। ইয়াৰ ফলত বেমাৰৰ প্ৰকোপ বাঢ়িছে। য'তে ত'তে জাবৰ-জোঁথৰ, ঘৰৰ কাষতে গোবৰৰ দ'ম আদি কৰা হেতুকে বেমাৰৰ বীজাণুৰ সৃষ্টি হৈ মানুহক অসুখত পেলায়। তেওঁলোকে যাতে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ মাজেৰে জীৱন যাপন কৰে তাৰ বাবে আমি চকু দিব লাগে। পৰিষ্কাৰ-পৰিচ্ছন্নতাই যে স্বাস্থ্য এইবোৰ— তেওঁলোকক জনাব লাগে। লগতে চৰকাৰে লোৱা আঁচনি সমূহ যেনে বিনামূলীয়া চিকিৎসা, বিনামূলীয়া ঔষধ পাতিৰ যোগান আদিৰ বিষয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক সকলে ৰাইজক জনাব পাৰে।

(৫) নিবনুৱা সমস্যা— বৰ্তমান আমাৰ দেশত নিবনুৱা সমস্যাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। প্ৰায়বোৰ নিবনুৱা শিক্ষিত। এওঁলোক চাকৰিমুখী হোৱাৰ বাবে সমস্যাই জটিল ৰূপ ধৰিছে। চৰকাৰে নিবনুৱা সমস্যা নিৰ্মূল কৰাৰ বাবে ভালেমান আঁচনি যুগুত কৰিছে— ক্ষুদ্ৰ উদ্যোগ, হাঁহ-কুকুৰা পাম, কৃষি পাম, আদি খোলাৰ বাবে চৰকাৰে ঋণ দিয়াৰ ব্যৱস্থা কৰিছে। নিবনুৱা সকলক চাকৰি মুখীৰ পৰিবৰ্তে উদ্যোগ মুখী কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। চৰকাৰে লোৱা এই আঁচনি সমূহৰ প্ৰতি অনুৰাগী হৈ নিবনুৱা সকলে যাতে আগ বাঢ়ি আহে তাৰ বাবে আমি প্ৰচেষ্টা চলাইছোঁ।

(৬) বৃক্ষ ৰোপণ আঁচনি— ভাৰতীয় কৃষক প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। বছৰি খৰাং বতৰ আৰু বানপানীৰ ফলত কৃষিৰ উৎপাদন কমিছে। আমাৰ দেশৰ মানুহে জধে-মধে গছ-কটাৰ ফলতেই এইবোৰ হবলৈ পাইছে। সেয়ে চৰকাৰে বৃক্ষ সংৰক্ষণ আৰু বৃক্ষ ৰোপণ আঁচনি গ্ৰহণ কৰিছে। জনসাধাৰণে যাতে গছ জধে-মধে নাকাটি গছ ৰোৱাৰহে ব্যৱস্থা কৰে তাৰ প্ৰতি আমাৰ লক্ষ্য ৰেখি। গছ কটাৰ ফলত আমি কি অসুবিধাত পৰা আশংকা আছে আৰু গছ ৰুলে আমাৰ কি উপকাৰ হ'ব পাৰে— এইবোৰ আমাৰ গাওঁলীয়া অঞ্চলত প্ৰচাৰ কৰাৰ দায়িত্ব।

প্ৰতিজন বিষয়াই তেওঁলোকৰ দীঘলীয়া সাৰুৱা ভাষণৰ অন্তত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক সকলক— বিভিন্ন বিভাগৰ বিষয়া সকলৰ লগত যোগাযোগ কৰি আগভাগ লবলৈ আহ্বান জনায়। বিশেষকৈ গাওঁলীয়া অঞ্চলত যে ইয়াৰ প্ৰসাৰ বঢ়াব লাগে— তাকো বিৱৰি কয়। লগতে বিষয়া সকলে চৰকাৰে যোগান ধৰা বহু বস্তু মহাবিদ্যালয় সমূহলৈ পঠিয়াই দিয়া বুলিও ব্যক্ত কৰে। অৱশ্যে প্ৰাপ্তবয়স্ক শিক্ষাৰ ভালেখিনি বস্তু কিতাপ পত্ৰ আদি আমাৰ মহাবিদ্যালয়তে আমি পাইছো। ইয়াৰ উপৰিও শিচুপৰা গাওঁলীয়া অঞ্চলত ৰাস্তাঘাট বন্ধা, মেৰামতি কৰা আদি কামো স্বেচ্ছাসেৱক সকলে নিজে কৰিব পাৰে। ইতিমধ্যে আমি আমাৰ মহাবিদ্যালয়তো স্বেচ্ছাসেৱক গোটৰ দ্বাৰা বহুকেইটা ৰাস্তা নিৰ্মাণ কৰিছোঁ।

সাদিনীয়া ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত আমাৰ শিক্ষা আৰু অভিজ্ঞতা দুয়োটাই বাঢ়িছিল। ইয়াৰ উপৰিও শিবিৰত আমাৰ ভাল লগা এটা অনুষ্ঠান অনুষ্ঠিত হৈছিল। ইয়াৰ

মাথাই সংসদ সম্পৰ্কে আমি আনুষ্ঠানিকভাৱে কিছু বুজিছিলো। ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই এখন সংসদ গঠন কৰা হৈছিল। মন্ত্ৰীমণ্ডলৰ বিপৰীতে সাজি তোলা চৰকাৰী সাংবাদিক সকল বহিছিল। আনফালে বিৰোধীদলৰ সদস্য সকল। এই সংসদখনে প্ৰধানত নিম্ন বিষয়বোৰৰ ওপৰত আলোচনা চলাইছিল। (ক) সন্ত্ৰাসবাদ (খ) সাম্প্ৰদায়িকতাবাদ (গ) অসম চৰকাৰৰ উদ্যোগ নীতি (ঘ) অসম চুক্তি ৰূপায়ণ (ঙ) অসমৰ সাম্প্ৰতিক বানপানী (চ) সাম্প্ৰতিক অসমৰ নিবনুৱা সমস্যা।

সংসদৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ মন্ত্ৰীসকলে অধ্যক্ষৰ অনুমতিত যথাযথভাৱে দিবলৈ চেষ্টা কৰিছিল। অৱশেষত বিৰোধী দলৰ সৈতে মন্ত্ৰীমণ্ডল উত্তেজনা পৰিস্থিতিৰ সন্মুখীন হৈছিল। তেতিয়া সংসদৰ অধ্যক্ষই সংসদৰ এজন প্ৰাক্তন সদস্যৰ মৃত্যু হোৱা বুলি সংসদৰ সভা বন্ধ ৰাখে।

এনেদৰে আমাৰ শিবিৰত থকা দিনবোৰ উকলিছিল। মনত পৰিলে বৰ ভাল লাগে। প্ৰাকৃতিক দুৰ্যোগৰ বাবে আমি অৱশ্যে কিছুমান গুৰুত্বপূৰ্ণ আলোচনা আৰু কামৰ পৰা বিৰত থাকিব লগাত পৰিছিলো। শিবিৰৰ শেষ দিনাখন প্ৰোগ্ৰেম অফিচাৰ সকলৰ লগত উত্তৰ গুৱাহাটীৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাইবোৰ পৰিভ্ৰমণ কৰিছিলো।

কানাই বৰশি শিলালিপি চাইছিলো— খ্ৰীষ্টীয় ১২০৬ শকত তুৰস্ক বাহিনী বিধ্বস্ত হৈছিল। আনটো ২ নং কানাই বৰশি শিলালিপি ইয়াত স্বৰ্গ নাৰায়ণ দেউ মহাৰাজৰ ( চক্ৰধ্বজ সিংহ ) মন্ত্ৰী গোঁহাই ফুকন শিলি-খীয়া সন্দিকৈ ফুকনে, চৈতন্যদেৱৰ [illegible] সুংগত দলবাই এটি গড় নিৰ্মাণ কৰিছিল ১৫৮৮ শকত। ৩ নং শিলালিপি স্বৰ্গ নাৰায়ণ দেউ মহাৰাজৰ ( চক্ৰধ্বজ সিংহ ) মন্ত্ৰী বৰ গোঁহাই ফুকন আৰু শিলিখীয়া সন্দিকৈ ফুকনে ১৫৮৯ শকৰ আঘোণ মাহত এটি গড় নিৰ্মাণ কৰিছিল। ইয়াৰ উপৰিও দৌল গোবিন্দ মন্দিৰ আদিও আমি পৰিভ্ৰমণ কৰিছিলো। সেইদিন ঠাইতে অসমী আইৰ সুযোগ্য সন্তান নবীন চন্দ্ৰ বৰদলৈ, আনন্দৰাম বৰুৱাৰো জন্ম হৈছিল।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰৰ পৰাই উল্লেখিত ঠাইবোৰ দেখা পোৱাৰ সৌভাগ্য ঘটিছিল। এইবোৰৰ পৰাই আমি চাক্ষুষ অভিজ্ঞতা, শিক্ষা খিনি লাভ কৰিছিলো। শিবিৰৰ পৰা আহিবৰ দিনাখন আমাৰ মন-বোৰ সেমেকি উঠিছিল। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰ-ছাত্ৰীবোৰৰ সান্নিধ্য [illegible] আমাৰ আপোন হৈ পৰিছিল। সকলোৰে চকুলো ছুবিছিল। ইয়ানে শিবিৰৰ পৰা বিদায় লৈ আমি ঘৰমুৱা হৈছিলোঁ। অনেক বন্ধু-বান্ধৱী, অধ্যাপক-অধ্যাপিকা সকলৰ পৰা যি মৰম তিলসাহে চিঠিপত্ৰ দি আজিও সেই স্মৃতি বচাই ৰাখিছোঁ।

সামৰণিত মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতি উদ্বুদ্ধ হৈ চৰকাৰে যোৱা আঁচনি সমূহৰ সাৰ্থকীয়া ৰূপায়ণত সেৱা আগবঢ়াবলৈ অনুৰোধ জনালোঁ। লগতে শিবিৰাৰ্থীসকলে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰৰ শিক্ষা আৰু অভিজ্ঞতাক সুকলমে সহ-কাৰে নিজ নিজ অঞ্চলত প্ৰয়োগ কৰিলে— এনেকুৱা শিবিৰৰ লক্ষ্য আৰু কাৰ্য্যই বাস্তৱ উপকাৰ কৰিব নিশ্চয়। ❀



# ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

হে শহীদ তোমাক শত নমস্কাৰ
হে শহীদ তোমাক শত নমস্কাৰ

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে অসম অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ শহীদ সকলৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিলোঁ। লগতে বিগত বছৰবোৰৰ অনাহাৰী স্পৰ্শকাতৰ দুখ-যন্ত্ৰণা আৰু অশ্ৰু-লাঞ্ছনাৰ চিতাঙ্গাৰে জৰাজীৰ্ণ মনক আকৌ এবাৰ সতেজ আৰু সজীৱ কৰি, অসম শহীদ সকলৰ কাৰখানাৰ তপত শোণিতৰ তিলকেৰে নিস্বাৰ্থ আৰু নিৰ্ভীক নতুন অসম গঢ়াৰ বাবে প্ৰেমসূচক অভিব্যক্তি যে অসমৰ মৰমৰ সুহৃদৰ দুঃসাহসিক ছাত্ৰৰ হাতৰ জেউতি পাওকসকল প্ৰতি মোৰ ভক্তিপূৰ্ণ সেৱা আৰু অভিনন্দন জনাইছোঁ। হে নতুন অসমীয়া। তোমাক নমস্কাৰ।

সাধাৰণ সম্পাদক হিচাপে মোৰ চমু কাৰ্য্যকালছোৱাত মাননীয় অধ্যক্ষ, উপাধ্যক্ষ মহোদয় প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ তথা ছাত্ৰ-ছাত্ৰীসকলৰ সৎ পৰামৰ্শ লগতে সহায় সহযোগ আগবঢ়াই মোৰ কাম সুচাৰুৰূপে চলাই নিয়াত সহায় কৰিছে তেওঁলোকক মই কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। বি. এইচ. কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থাকি শিক্ষানুষ্ঠানখনৰ উন্নতিৰ হকে, ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ হকে যিমানখিনি কাম কৰিছো, সেৱা আগবঢ়াইছো সেইখিনি মূল্যায়ন কৰাৰ ভাৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰতেই অৰ্পণ কৰিলো।

(ক) শপত গ্ৰহণ ঃ—

বিগত বছৰবোৰৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীসকলে বিচাৰমতে কলেজৰ অধ্যক্ষদেৱে নিৰ্বাচনৰ পৰিসমাপ্তি মোক বি. এইচ. কলেজ 'ছাত্ৰ-একতা সভা'ৰ সাধাৰণ সম্পাদকৰ পদত মনোনীত কৰে। বি. এইচ. কলেজৰ দৰে মহান ঐতিহ্যমণ্ডিত অনুষ্ঠানক প্ৰত্যক্ষভাৱে সেৱা আগবঢ়াব দিয়াৰ বাবে অধ্যক্ষ মহোদয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। যোৱা ১৭-১২-৮৬ ইং তাৰিখে কলেজৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত আৰু মাননীয় অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিত সংবিধানৰ নীতি অনু-যায়ী ধৰ্মনিৰপেক্ষতা অটুত ৰাখি, কলেজৰ সৰ্বাংগীণ উন্নতি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থত

মিলা-প্ৰীতি আৰু ভাতৃত্ব বোধেৰে কাম কৰি যাম বুলি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰো। শপতৰ মৰ্য্যদা অক্ষুণ্ণ ৰাখি সেই পথেৰেই কাম কৰি আহিছোঁ বুলি দৃঢ় বিশ্বাস।

(খ) একবিংশতিতম্ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু কলেজ সপ্তাহ ঃ

ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি একবিংশতিতম্ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু কলেজ সপ্তাহৰ মাজেৰেই প্ৰথমে মোৰ কাম আৰম্ভ কৰিছিলোঁ। যোৱা ২৯-১২-৮৬ ইং তাৰিখৰ পৰা ৩-১-৮৭ ইং তাৰিখলৈ বিভিন্ন কাৰ্যসূচীৰে কলেজ সপ্তাহ অনুষ্ঠিত হয়। অধ্যক্ষ মহোদয়ে কলেজ পতাকা উত্তোলন কৰি কলেজ সপ্তাহৰ কাৰ্যসূচী মুকলি কৰে।

বৰ্ত্তমান খেলা-ধূলাক জাতীয় জীৱনৰ এক অবিচ্ছেদ্য অংগৰূপে বাধ্যতামূলক কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাজত মিলাপ্ৰীতি বজাই ৰাখিবলৈ খেল-ধেমালি অন্যতম মাধ্যম। বিভিন্ন খেল-ধেমালি, গীত মাত আদি প্ৰতিযোগিতাৰে উদ্‌যাপিত কলেজ সপ্তাহৰ মহান উদ্দেশ্য হ'ল ছাত্ৰ সমাজক একত্ৰিত কৰা। খেল-ধেমালিয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ গঢ়ি তোলে। ছাত্ৰ জীৱনত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাৰ মনোভাৱ থকাটো বাঞ্ছনীয়। শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনৰ বাবে খেল-ধেমালি ছাত্ৰ-জীৱনৰ এক অপৰিহাৰ্য অংগ। এটা আপ্ত বচন আছে 'দেহা থাকিলেহে দেৱা'। যদি দেহ আৰু মনক ভেনেধৰণে চৰ্চা আৰু পৰিশ্ৰম কৰিলে যি কোনো ব্যক্তিয়ে প্ৰকৃত উন্নতি লাভ কৰিব পাৰে। খেল-ধেমালিয়ে শৰীৰত সুস্থতা আনে, খেল-ধেমালিৰ পৰা নিৰ্মল আমোদে মানসিক স্বচ্ছলতা আনে। এইবোৰৰ উপৰিও খেল-ধেমালিৰ মহান দিশটো হ'ল, ই গোটেই পৃথিৱীৰ দেশ সমূহৰ মাজত সমন্বয়ৰ মাধ্যম হিচাবে লৈছে। আজিকালি পৃথিৱীক একত্ৰিত কৰিবলৈ 'অলিম্পিক'ৰ জন্ম হৈছে। প্ৰতিভাৰ সন্ধান কৰাৰ লগতে সমন্বয়ৰ ধাৰা উন্মুক্ত হৈছে। কোটি কোটি টকা খৰচ কৰি

আমাৰ মহাবিদ্যালয়খনো ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰাৰ প্ৰয়াসতে পৰম্পৰাগতভাৱে চলি অহা ধৰণে খেল-ধেমালি গীত মাত আদিৰ প্ৰতিযোগিতাৰে কলেজ সপ্তাহ উদ্‌যাপন কৰা হয়। বছৰেক সপ্তাহৰ নিয়মকৈ নানা ক্ৰীড়া, বাদ্যযন্ত্ৰ, সাংস্কৃতিক, তৰ্ক আদি প্ৰতিযোগিতাত লক্ষ্যতা প্ৰদৰ্শন কৰি বিজয়ীৰ সন্মান লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলক কলেজ সপ্তাহৰ শেষ দিনাখন আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰি উৎসাহিত কৰা হয়, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাৰ বাবে সুযোগ দিয়া হয়। বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীদীনেশ চন্দ্ৰ বৰুৱাই পৰীক্ষক, গুৱাহাটী বিশ্ববিদ্যালয়, বিশিষ্ট অতিথি শ্ৰীপবিত্ৰ ডেকা, ক্ৰীড়াবিভাগ মন্ত্ৰী, অসম, মুখ্য অতিথি ড° মুকুন্দ মাধৱ শৰ্মা, ড° খুৰশেদ আলী, শ্ৰী এ. বি. এ. মতিন আৰু বহুতো বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজে অংশ গ্ৰহণ কৰে। বক্তাসকলৰ গঠনমূলক ভাষণে ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু উপস্থিত ৰাইজ শুভাকাংক্ষীসকলৰ মাজত প্ৰেৰণা আৰু উৎসাহ যোগাইছে। সভাৰ কাম সুচাৰুৰূপে চলোৱাত বিশেষ সহযোগ কৰা শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু উপস্থিত সকলো শুভাকাংক্ষীলৈ ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা কৃতজ্ঞতা জনাইছোঁ। সভাৰ অন্তত 'প্ৰতিষ্ঠা দিৱস' উপলক্ষে বন্তি প্ৰজ্বলন আৰু আতচবাজী প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক সন্ধিয়াত অসমৰ সমাদৃত শিল্পী দিলীপ দত্ত আৰু অন্যান্য শিল্পীয়ে গীত পৰিবেশনৰ পিচত কলেজ সপ্তাহ আৰু বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সামৰণি পৰে।

(গ) মহাত্মা জ্যোতিৰ্ময় সভা ঃ—

ব্যক্তিত্ব আৰু নৈতিকতাৰ উৎস হিচাবে উচ্চ শিক্ষাৰ প্ৰতি সমাজৰ প্ৰতিজন লোকেই আগ্ৰহী। কিন্তু এই আগ্ৰহ হ'ব লাগিব স্বতঃস্ফূৰ্ত আৰু সত্যনিষ্ঠ। শিক্ষা শ্ৰেণী সমাজত সকলো জাতীয় জীৱন সৰ্বতো প্ৰকাৰে গঢ়ি তুলিবলৈ হ'লে, শক্তি আহৰণত ব্ৰতী হ'ব লাগিব। সামাজিক অনুশাসন আৰু দায়বদ্ধতাই ছাত্ৰসকলৰ বহুখিনি সংগোপন হোৱা উচিত। শুচি, নিষ্ঠা আৰু সততাক সাৰথি কৰি মহান জ্ঞান অৰ্জনত ব্ৰতী হ'ব নোৱাৰিলে কোনো শিক্ষা কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। ইয়াৰ অবিহনে শিক্ষা হৈ পৰে পঙ্গু। উপযুক্ত শিক্ষাইহে উদ্ৰেক কৰে মহান দেশপ্ৰেম, মানৱ প্ৰেম আৰু ভাতৃত্ব। শিক্ষাই মানুহক বিনয়ী কৰে। প্ৰতিজন নাগৰিকেই সেয়েহে শিক্ষাৰ গুণগত দিশটোৰ প্ৰতি আকৃষ্ট হৈ প্ৰৱেশিকা পৰীক্ষাত কৃতিত্ব অৰ্জন কৰি উচ্চ শিক্ষাৰ বাবে এই মহান শিক্ষানুষ্ঠানলৈ আহিছে।

তেওঁলোকক যোৱা ১৯-৯-৮৭ ইং তাৰিখে শনিবাৰে ছাত্ৰ-একতা সভাৰ ফালৰ পৰা আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। প্ৰথমে অধ্যক্ষ মহোদয়ে কলেজ পতাকা উত্তোলন কৰি দিনটো জোৰা কাৰ্যসূচী মুকলি কৰে। আবেলি দুই বজাত আদৰণি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস মহোদয়ে। মুখ্য অতিথি হিচাবে— ড° মাধৱ চন্দ্ৰ শৰ্মা, উপ-নিৰ্দেশক, (পৰীক্ষা) গুৱাহাটী বিশ্ববিদ্যালয়, ড° পবিত্ৰ কুমাৰ তালুকদাৰ, কলেজ পৰিদৰ্শক, গুৱাহাটী বিশ্ববিদ্যালয়, বিশিষ্ট অতিথি শ্ৰীযুত সুৰেন্দ্ৰ নাথ মেধি, আইনমন্ত্ৰী, অসম, শ্ৰীযুত প্ৰভাসচন্দ্ৰ বৰুৱা, সচিব, গুৱাহাটী বিশ্ববিদ্যালয়, শ্ৰী এ. বি. এ. মতিন মুনশী অধ্যাপক এৰাবীক, গুৱাহাটী বিশ্ববিদ্যালয়, শ্ৰীহৰ্ষ কুমাৰ বৰদলৈ, উপায়ুক্ত বৰপেটা জিলা, নিৰ্বাচিত বক্তা কুমাৰ দীপক দাস, বিধায়ক, বৰপেটা সমষ্টি। বক্তাসকলৰ তত্ত্বপূৰ্ণ ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰগতিশীল ভূমিকাৰ বিষয়ে অৱগত কৰোৱায়। পুনৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু শিক্ষাগুৰুসকলৰ সহায়ত সকলোক শিক্ষানুষ্ঠানৰ নীতি নিয়ম মানি চলি ঐক্য, শান্তি, সম্প্ৰীতি বজাই ৰাখি অনুষ্ঠানৰ প্ৰগতিৰ হকে কাম কৰিবলৈ অনুৰোধ জনাই বক্তব্য ৰাখে। সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন কৰা হয় আৰু ৬-৩০ বজাত সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় শিল্পী খগেন মহন্তৰ, অসীম মহন্তৰ, অসমীয়া কণ্ঠশিল্পী সংগীত পৰিচালক জুবিন গাৰ্গ আৰু অন্যান্য শিল্পীয়ে গীত পৰিবেশন কৰে। ইয়াৰ লগে লগে আদৰণি সভাৰ কাৰ্যসূচীৰ সামৰণি পৰে।

(ঘ) মোৰ কাৰ্যকালছোৱাৰ সমস্যা ঃ—

মোৰ কাৰ্যকালছোৱাত বিশেষ কোনো গুৰুত্বপূৰ্ণ সমস্যাৰ সন্মুখীন হ'ব লগা হোৱা নাছিল যদিও দুই এটা সমস্যাই মোক বিপদত পেলাইছিল। যোৱা ২৯-১২-৮৬ ইং তাৰিখৰ পৰা কলেজ সপ্তাহৰ কাৰ্যসূচী সুকলমে চলি আছিল। ৩১-১২-৮৬ ইং তাৰিখে আমাৰ কলেজৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মহেন্দ্ৰ বাহাদুৰৰ আকস্মিক মৃত্যুৰ বাবে কলেজ সপ্তাহৰ

কাৰ্য্যসূচী সেই দিনটোৰ বাবে বাতিল কৰা হয়। [redacted] ।

(ঙ) শোক সভাঃ—

মোৰ কাৰ্য্যকালচোৱাত আমাৰ কলেজৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মী মহেন্দ্ৰ বাহাদুৰ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২য় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীকমল চন্দ্ৰ বায়ন, ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীচৰণ সিং, প্ৰবীণ সাংবাদিক আৰু মুক্তি যুঁজাৰু শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা আদি বিশিষ্ট ব্যক্তি সকলক হেৰুৱাইছিলো। এওঁলোকৰ আত্মাৰ সদ্‌গতিৰ বাবে শোক সভাৰ আহ্বান কৰি অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়।

(চ) ছাত্ৰ-ছাত্ৰীসকললৈ দুআষাৰমানঃ—

আজি অসমৰ আকাশ স্বাৰ্থান্বেষী, দুনীতি পৰায়ণ তীক্ষ্ণ নখৰ শেনবোৰে ছাটি ধৰিছে। শান্তিৰ কপৌজাকক খেদি খেদি খাবাশাঙ্গী কৰাৰ চেষ্টা অবিৰত। ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীৰে গঠিত বৃহৎ অসমীয়া জাতিটোক এচাম কু-চক্ৰীয়ে ভাগি-চিঙি চূৰমাৰ কৰাৰ চেলু সদায়ে বিচাৰি আছে। মিছা প্ৰলোভনেৰে প্ৰলোভিত কৰি ভাতৃঘাতীকাৰ্য্যৰ বাবে উচটনি দিছে। অসমৰ সংহতি বিনষ্ট কৰি নিজৰ স্বাৰ্থ পূৰণ কৰাৰ বাবে উঠি পৰি লাগিছে আৰু তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰিব বিচাৰিছে দেশ তথা জাতিৰ মেৰুদণ্ড আজিৰ ডেকা ছাত্ৰসমাজক। সেয়েহে এনে এক জটিল সন্ধিক্ষণত আমি ছাত্ৰসমাজ সচেতন হ'ব লাগিব। দেশ তথা জাতিৰ ভবিষ্যতৰ বাবেই ক্ষুদ্ৰ স্বাৰ্থক বিসৰ্জন দি আমি আটায়ে মিলিত হ'ব লাগিব, যাতে আমাক কোনো স্বাৰ্থান্বেষীয়ে স্বাৰ্থসিদ্ধিৰ অস্ত্ৰ হিচাবে লৈ জয়ী হ'ব নোৱাৰে। আমাৰ একতাক ভাগি কোনোৱে যাতে দেশৰ প্ৰগতিত বাধা দিব নোৱাৰে তাৰ বাবে আমি সদায় সচেতনতাৰে দৃষ্টি নিক্ষেপ কৰিব লাগিব। স্বাৰ্থলোভী সেই চামৰ ভণ্ডামিৰ মুখা খুলি দিব পাৰিলেহে জাতিৰ বাবে ছাত্ৰ শক্তি বৃহৎ শক্তি ৰূপে পৰিগণিত হ'ব। অন্যথাই আমি কু-চক্ৰীৰ কবলত সৰ্বস্বান্ত হ'ব লাগিব।

বৰপেটাৰোড্ হাউলী মহাবিদ্যালয় অসমৰে এখন আগশাৰীৰ মহাবিদ্যালয়। প্ৰতিবছৰে বিভিন্ন দিশত মহাবিদ্যালয়খনে যথেষ্ট খ্যাতি অৰ্জন কৰিছে। বিভিন্ন ভাষা, ধৰ্মৰ ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়ত আছে। আমি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মহান ঐক্যতাৰ বাবে গৌৰৱ কৰিব পাৰো। ভৱিষ্যতে যাতে আমাক কোনো বাহ্যিক শক্তিয়ে আমাৰ ঐক্যতাৰ সুদৃঢ় ভেটিক দুৰ্বল কৰিব নোৱাৰে তাৰ বাবে সচেতন হ'ব লাগিব। ভাতৃত্বৰ ডোলেৰে বান্ধ খাই যাতে আমি শিক্ষানুষ্ঠানখনৰ উন্নতিৰ হকে কাম কৰিব পাৰো তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীয়ে প্ৰচেষ্টা চলাব লাগিব। ছাত্ৰ শক্তি মহান শক্তি। আজিৰ ছাত্ৰ শক্তিয়ে দেশ



আৰু সমাজৰ প্ৰতি এক গভীৰ দায়িত্বৰ সন্মুখীন হৈছে। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শুদ্ধ পথৰ সন্ধান বিচাৰ বিশ্লেষণৰ মাজেৰে আৱিষ্কাৰ কৰিব লাগিব। তাৰ বাবে লাগিব যুক্তি-নিষ্ঠা, সততা, শিক্ষাৰ প্ৰতি আগ্ৰহী আৰু সাম্প্ৰতিক ঘটনা সমূহৰ ওপৰত গভীৰ পৰ্যবেক্ষণ শক্তি। শেষত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ অনুৰোধ নিয়ম নীতিৰ মাজেৰে নিজৰ অভাৱ-অভিযোগৰ বিষয়ে সচেতন হৈ ছাত্ৰ-একতা সভাৰ জৰিয়তে কলেজ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাব লাগে। আজি কিছুদিন ধৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মিলাপ্ৰীতিৰ অভাৱ দেখা গৈছে। নতুন ছাত্ৰ-ছাত্ৰীসকলে পুৰণিবোৰক শ্ৰদ্ধা সহকাৰে মানি চলাৰ অভাৱ পৰিলক্ষিত হৈছে। আগলৈ যাতে এইবোৰৰ প্ৰতি দৃষ্টি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশ গঢ়ি তুলি অধ্যয়নৰ মৌলিকতা বুজি নিজৰ লগতে মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰি তোলে তাৰ বাবে অনুৰোধ জনালো।

(ছ) সম্বৰ্দ্ধনাঃ—

আমাৰ মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে চলি অহা নীতি অনুযায়ী মেধাবী আৰু কৃতী ছাত্ৰ-ছাত্ৰীসকলক সন্মান প্ৰদৰ্শন কৰা হয়। যোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য বিভাগৰ ছাত্ৰী শ্ৰীকবিতা মাহেশ্বৰীয়ে দ্বিতীয় স্থান অধিকাৰ কৰি মেধা শক্তিৰ পৰিচয় দি মহাবিদ্যালয়ৰ পুৰণি ঐতিহ্যৰ লগতে নতুন গৌৰৱৰ সূচনা কৰে। এই কৃতী ছাত্ৰীজনীক যথাবিহিত সন্মান প্ৰদৰ্শন কৰাৰ বাবে আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। ইয়াৰ উপৰিও আমাৰ কলেজৰ শ্ৰেষ্ঠ কৰ্মী ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰত দ্বিতীয় স্থান লাভ কৰা— আমিৰ হুছেইনকো সম্বৰ্দ্ধনা জনোৱা হয়।

(জ) কিছুমান গুৰুত্বপূৰ্ণ কামৰ ব্যৱস্থাঃ—

আমাৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে অনুভৱ কৰা সমস্যা সমূহ সমাধা কৰিবলৈ মোৰ কাৰ্যকালছোৱাত যথাসম্ভৱ চেষ্টা কৰিছিলো। এই উদ্দেশ্যেই কাৰ্যনিৰ্বাহক সভাত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছো। অৱশ্যে কিছুমান কাম বছৰটোতে সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছিলো।

(১) মহাবিদ্যালয়ৰ মুখ্য তোৰণখন নিৰ্মাণৰ ব্যৱস্থাঃ— মহাবিদ্যালয়খন স্থাপিত হোৱাৰ পৰা আজিলৈকে মহাবিদ্যালয়ৰ চাৰিওকাষে স্থায়ী বেৰ আৰু মুখ্য তোৰণখন আজিলৈ গঢ়ি উঠা নাই। যিটো অতিকৈ গুৰুত্বপূৰ্ণ কাম। যোৱা ২২-৮-৮৭ ইং তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকত স্থায়ী তোৰণখন নিৰ্ম্মাণ কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। সেই মৰ্মে কলেজ কৰ্তৃপক্ষক অতি সোনকালে তোৰণখন নিৰ্ম্মাণ কৰিবলৈ দাবীৰ লগতে অনুৰোধ কৰা হয়। কলেজ কৰ্তৃপক্ষই তোৰণখন নিৰ্ম্মাণৰ কাম হাতত লৈছিল যদিও শ্ৰদ্ধাৰ শ্ৰীযুত বিবেক তালুকদাৰে স্মৃতি ৰক্ষাৰ্থে তোৰণখন নিৰ্ম্মাণ কৰি দিম বুলি প্ৰতিশ্ৰুতি দিয়াত কলেজ কৰ্তৃপক্ষ পিছুৱাই আছে আৰু শ্ৰদ্ধাৰ তালুকদাৰক নিৰ্মাণৰ দায়িত্ব দিয়া হয়। সেই উদ্দেশ্যেই এদিন অধ্যাপক নৰেশ গোস্বামী আৰু কেইজনমান ছাত্ৰ-ছাত্ৰীৰ লগত তালুকদাৰদেৱৰ ঘৰলৈ গৈছিলো। মোৰ কাৰ্যকালছোৱাত তোৰণখন নিৰ্ম্মাণ নোহোৱাত বেয়া লাগিছে যদিও আগলৈ নিৰ্মাণ হোৱাৰ আশাৰে বাট চাইছো। এই ক্ষেত্ৰত ছাত্ৰ-একতা সভাই যাতে আগ ভাগ লয় তাৰ বাবে অনুৰোধ জনালো।

(২) সংবিধান সংশোধন ঃ— যোৱা ২-১১-৮৭ ইং তাৰিখে বি, এইচ, কলেজ ছাত্ৰ-একতা সভাৰ সংবিধানখন সংশোধনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সংবিধানৰ ৬ নং অনুচ্ছেদৰ (চ) ৰ দিন-নৈশৰ পৰিবৰ্তে দিন আৰু ৰাতিপুৱা আৰু ১৬ নং অনুচ্ছেদৰ (ক) ৰ স্নাতক মহলাৰ ২য় বাৰ্ষিকৰ সলনি তৃতীয় বাৰ্ষিক কৰাৰ বাবে খচৰা প্ৰস্তুত কৰি সাধাৰণ সভালৈ প্ৰেৰণ কৰা হয় আৰু সৰ্বসম্মতিক্ৰমে গৃহীত কৰা হয়।

(৩) প্ৰমাণ পত্ৰ অসমীয়াত কৰাৰ ব্যৱস্থা ঃ— কলেজ সপ্তাহ উপলক্ষে বিভিন্ন দিশত দক্ষতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদানৰ লগত প্ৰমাণ পত্ৰ দিয়া হয়। কলেজ স্থাপিত হোৱাৰ পৰা আজিলৈ প্ৰমাণপত্ৰ অসমীয়াত ছপোৱা হোৱা নাছিল। সেয়ে প্ৰথমবাৰৰ বাবে মোৰ কাৰ্যকালতে প্ৰমাণপত্ৰ অসমীয়াত ছপোৱা হয়।

(৪) খেল পথাৰত পকী স্তম্ভ নিৰ্মাণ — আমাৰ মহাবিদ্যালয়ৰ খেল পথাৰত পতাকা উত্তোলনৰ পকী স্তম্ভটোৰ প্ৰয়োজন অনুভৱ কৰি সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে স্থায়ীকৈ নিৰ্মাণ কৰা হয়।

(৫) সৰস্বতী পূজা, শংকৰদেৱৰ জন্ম উৎসৱ আৰু ফাতেহা-ই-দোৱাজ দাহম প্ৰতি বছৰে পালন কৰাৰ ব্যৱস্থা ঃ— বহু বছৰ বিৰতিৰ পিছত যোৱা ১৯৮৬ চনত ছাত্ৰ-একতা সভাৰ উদ্যোগত শ্ৰীশ্ৰীসৰস্বতী দেৱীলৈ এপাহি পুষ্পাঞ্জলি আগবঢ়োৱা হয়। তাৰ পিছত এই দুইটা বছৰতো সৰস্বতী পূজা বিভিন্ন কাৰ্যসূচীৰে মহাবিদ্যালয়ত পালন কৰা হয়। ইয়াৰ উপৰিও ফাতেহা-ই-দোৱাজ দাহম আৰু মহাপুৰুষ শংকৰদেৱৰ জন্ম উৎসৱো পালন কৰা হয়। এই উৎসৱ সমূহ পালন কৰা বাবদ আজিলৈ ছাত্ৰ-একতা সভাৰ ফাণ্ডৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য দিয়া হোৱা নাছিল। ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাগুৰু সকলৰ সহযোগত (এইখিনিতে অধ্যাপক ৰবীন ভট্টাচাৰ্য আৰু শংকৰ দাসগুপ্তদেৱৰ নাম উল্লেখ নকৰি নোৱাৰিলো) ঘাত-প্ৰতিঘাতৰ মাজেৰে আনকি ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ গৈ হলেও বৰঙনি গোটাই উৎসৱ সমূহ পালন কৰিব লগা হৈছিল।

এইবোৰ অনুভৱ কৰিয়েই যোৱা ১৩-১১-৮৭ ইং তাৰিখৰ কাৰ্যনিৰ্বাহক সভাত সৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ দাহম, শংকৰদেৱৰ জন্ম উৎসৱ আদি পালনাৰ্থে ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা এটা নিৰ্দিষ্ট পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰো। সেই প্ৰস্তাৱ অনুযায়ী বছৰেকীয়া বাজেটত আলোচনা ভিত্তিত একতা সভাই এটা শকত পুঁজি আগবঢ়াব। এই পুঁজিটোক সমানকৈ তিনি ভাগ কৰি তিনিটা উৎসৱত খৰচ কৰিব লাগিব।

(৬) ছাত্ৰ-একতা সভাৰ কাৰ্যালয়ৰ অভাৱ মোচনৰ বাবে কলেজ কৰ্তৃপক্ষক মোৰ কাৰ্যকাল চোৱাত টানি অনুৰোধ জনাইছিলো। সেই উদ্দেশ্যেই কাৰ্যনিৰ্বাহকৰ প্ৰস্তাৱ মৰ্মে দুটা ষ্টিল আলমিৰা কাৰ্যালয়ত দিয়া হয়। এইখিনিতে অধ্যাপক নিৰ্মল কুমাৰ জৈন আৰু অধ্যাপক ভুপেন ডেকাক কৃতজ্ঞতাৰে সুঁৱৰিছো।

অতি সৌভাগ্যৰ কথা যে মোৰ কাৰ্যকাল চোৱাতে মহাবিদ্যালয়খনত বিজ্ঞান শাখা খোলাৰ অনুমতি পাইছে। বিজ্ঞান শাখা খোলাৰ বাবে ছাত্ৰ-একতা সভাই অতীতৰে পৰা দাবী কৰি আহিছিল।



(ঝ) গণতন্ত্ৰ দিৱস পালন ঃ—

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে আমাৰ মহাবিদ্যালয়তো যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী সকলৰ উপস্থিতিত ২৬ জানুৱাৰী আৰু ১৫ আগষ্ট পালন কৰা হয়। অধ্যক্ষদেৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি গণতন্ত্ৰ দিৱসৰ ওপৰত বহল বক্তব্য ৰাখে।

(ঞ) অভাৱ অভিযোগ ঃ—

আমাৰ মহাবিদ্যালয়ত আমি অনুভৱ কৰা কেইটামান অভাৱ আৰু অসুবিধাৰ কথা সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে আশু সমাধান কামনা কৰিছো। সেইবোৰ ক্ৰমে— মহাবিদ্যালয়ৰ চাৰিওকাষে স্থায়ী বেৰ দিয়াৰ ব্যৱস্থা কৰা, স্থায়ী বেৰ নোহোৱাৰ বাবে কিছু দুঃখজনক ঘটনা আগতে ঘটি গৈছে। মহাবিদ্যালয়ত এটা স্থায়ী অডিটৰিয়াম, ছাত্ৰাবাসৰ পৰিবেশ উন্নত কৰা, মহাবিদ্যালয়ৰ সন্মুখত পাৰ্কৰ ব্যৱস্থা কৰা, ছাত্ৰ-ছাত্ৰীসকল যোৱা-অহাৰ বাবে কলেজ বাছৰ ব্যৱস্থা কৰা, কেন্টিনৰ খাদ্য উন্নত কৰা, পুথিভঁৰালৰ কিতাপৰ সংখ্যা বৃদ্ধি কৰা, শৰীৰ চৰ্চাৰ বাবে ব্যায়ামাগাৰৰ ব্যৱস্থা কৰা, শিক্ষানুষ্ঠানৰ সন্মুখত গাড়ীৰ গতি বঢ়োৱা আৰু গতি ৰোধৰ ব্যৱস্থা কৰা নিতান্তই আৱশ্যক। গতি ৰোধৰ কোনো ব্যৱস্থা নোহোৱা হেতুকে আমি বহুতো দুৰ্ঘটনা দেখিবলৈ পাইছো। ইয়াৰ উপৰিও মহাবিদ্যালয়খনত উন্নতমানৰ খেলপথাৰৰ অতি প্ৰয়োজন। খেল পথাৰখন নিম্ন খাপৰ হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকল বিশেষভাৱে অসুবিধাৰ সন্মুখীন হৈছে। তথাপিও প্ৰতিভাবান খেলুৱৈসকলে নিজৰ চেষ্টাৰ ফলতেই কৃতিত্বৰ পৰিচয় দি আহিছে। সেয়ে কৰ্তৃপক্ষক টানি অনুৰোধ জনালো যাতে খেল পথাৰৰ লগতে ওপৰত উল্লেখিত সমস্যা সমূহৰ সোনকালে সমাধান কৰিবলৈ ব্যৱস্থা হাতত লয়।

(ট) শ্ৰদ্ধা নিবেদন ঃ—

বি, এইচ, কলেজ 'ছাত্ৰ-একতা সভা'ৰ স্থায়ী সভাপতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ দাস, অধ্যাপক সৰ্বশ্ৰী ৰবীন ভট্টাচাৰ্য্য, ৰাধাচৰণ বাড়া, উৎপলানন্দ ডেকা, নৰেণ গোস্বামী, অৰুণ পাঠক, কৃষ্ণকিংকৰ মহন্ত, শংকৰ দাসগুপ্ত, হংসধ্বজ চৌধুৰী, ভুপেন ডেকা, খৰ্গেশ্বৰ নাথ, ৰাম অৱতাৰ মাহেশ্বৰী, ৰমেন দাস, অৰুণ দাস, নিৰ্মল কুমাৰ জৈন আৰু ফুলকুমাৰী কলিতা, চন্দ্ৰা দেৱী। এইসকল শ্ৰদ্ধাৰ শিক্ষা গুৰুৱে বিভিন্ন সময়ত বিভিন্ন ধৰণে মোৰ কাৰ্যকালছোৱাত দিহা পৰামৰ্শ দি সহায় কৰিছিল। তেওঁলোকক মই প্ৰতিবেদন লিখাৰ সময়তো শ্ৰদ্ধাৰ লগতে কৃতজ্ঞতাৰে সুঁৱৰিছো। আগলৈকে পাহৰিব নোৱাৰিম।

(ঠ) কৃতজ্ঞতা স্বীকাৰ ঃ—

ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰা কালচোৱাত মোক সৰ্বতো প্ৰকাৰে সৎ পৰামৰ্শ দি সহায় সহযোগ কৰাৰ বাবে একতা সভাৰ সদস্য-সদস্যা সকলৰ উপৰিও যিসকল ছাত্ৰ-ছাত্ৰীয়ে সততে সৎ পৰামৰ্শৰ লগতে সহায় সহযোগ আগবঢ়াইছে তেওঁ-

লোকৰ ভিতৰত — হিতেশ, মধু, গণেশ, অৰূপ, যোগেশ, দীনেশ, শুভজিৎ, প'ল, অমৰ, মুন, যোগেন, অশোক, মুকুল, ধনঞ্জয়, পৰেশ, ভূমি, দেবেন, দিলীপ, মনোজ, দ্বিজেন, পংকজ, ভূপেন, ধীৰেণ, নীলাঞ্জন, বিষ্ণু, কৃষ্ণা, ধ্রুৱ, শিশিৰ, ফণী, অৰবিন্দ, দিলীপ, গৌতম, প্রদীপ, চাহাব উদ্দিন, আয়ুব, নজৰুল, শৈলেন, মুকুন্দ, স্বৰ্গেশ্বৰ, ৰমণী, ৰজনী আৰু টংকেশ্বৰ।

আৰু ছোৱালীবোৰৰ ভিতৰত আছে— দীপালী, হেলেন, পল্লৱী, সুনীতি, বীণা, মণি, উষা, কল্পনা, কৰবী, কাকলী, সন্ধ্যা, মানসী, কামুমা, শশী, ৰাহেদা, অৰ্চনা, জহৰা, সুপ্রিয়া, প্রভা, বীণা, বন্দনা, ছন্দা, ভক্তী, শেৱালী, নীতা আৰু ভক্তি বিভা, পূৰবী, জ্যোৎস্না, শংখমিত্রা আৰু ফুলৰা। ইয়াৰ উপৰিও বাহিৰৰ পৰাও বন্ধুসকলে নানাভাবে সহায় কৰিছিল— সেই বোৰৰ ভিতৰত আছে— চন্দন, টিকেন, কুন, বিবেক, ৰাম, অৰূপ, প্রাণজিৎ, সুৰ্য, মচেক, দ্বিজেন, ফণী, বাবুল আৰু নগেন (কেন্টিন মেনেজাৰ) ভগৱান, মহাদেৱ, পৰেশ (পান দোকানী) মন্টু (চাহ দোকানী) আৰু কলেজৰ কৰ্মচাৰী সকলক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। শ্রদ্ধাৰ বিবেক চৌধুৰী আৰু হৃষীকেশ গোস্বামীৰ কথাও নকৈ নোৱাৰিলোঁ।

শেষত মোৰ কাৰ্যকালছোৱাৰ ভিতৰত অনিচ্ছাকৃত ভুল ত্রুটীৰ বাবে মই বি, এইচ, কলেজৰ সমূহ ছাত্র-ছাত্রীৰ লগতে শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা প্রাৰ্থনা মাগি শিক্ষানুষ্ঠানখনৰ উন্নতি কামনা কৰি প্রতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি, এইচ, কলেজ ছাত্র-একতা সভা।
জয়তু বি, এইচ, কলেজ ॥
জয় আই অসম
জয় আই অসম

প্রতাপ দাস
সাধাৰণ সম্পাদক



# সাংস্কৃতিক সম্পাদকৰ প্রতিবেদন

প্রতিবেদনৰ আৰম্ভণিতে, অস্তিত্ব ৰক্ষাৰ আন্দোলনত আই মাতৃৰ সন্মান ৰক্ষাৰ্থে হাঁহি হাঁহি নিজৰ জীৱন উছৰ্গা কৰা বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্রদ্ধাঞ্জলি নিবেদিছোঁ। লগতে ১৯৮৭ চনৰ বছৰটোত মোক বি, এইচ, কলেজৰ সাংস্কৃতিক সম্পাদকৰ পদৰ বাবে মনোনীত কৰি ছাত্র-ছাত্রীৰ সেৱাৰ হকে কাম কৰিবলৈ সুযোগকণ দিয়াত কলেজ কৰ্তৃপক্ষলৈ শত-সহস্র ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সংস্কৃতি হৈছে এটা জাতিৰ খাই খুটা। ই সকলো মানৱীয় কাৰ্যকে সামৰি লয়। মানুহৰ যিবোৰ আচৰণ আৰু কৰ্মৰ মাজেদি তাৰ হৃদয়বৃত্তি আৰু মস্তিষ্কৰ পৰিশীলিত প্রকাশ ঘটে, সেইবোৰ কৰ্মই সংস্কৃতিৰ ভিতৰুৱা। এতেকে সংস্কৃতিৰ পিছফালে আছে মানুহৰ চিন্তা, আদৰ্শ, কল্পনা আৰু সৌন্দৰ্যবোধ। এই সংস্কৃতিয়েই মানুহক পশুৰ পৰা বেলেগ কৰে। মানুহে তাৰ স্বাভাৱিক জান্তৱ প্রবৃত্তিক দমন কৰি তাৰ সকলো আচৰণ আৰু কাম সুন্দৰ কৰিবলৈ কৰা যত্নৰ মাজেদিয়েই সংস্কৃতিয়ে প্রকাশ লাভ কৰে।

জগতগুৰু শ্রীমন্ত শংকৰে অসমৰ সংস্কৃতিৰ গঢ় দিয়ে। ভাৰতীয় সংমিশ্রণ সংস্কৃতিৰ ভেটিত প্রতিষ্ঠিত এই সংস্কৃতিৰ প্রাণকেন্দ্র অসম— অসমৰ ভাষা, চাল-চলন, পৰিবেশ আৰু পৰম্পৰা। শ্রীমন্ত শংকৰৰ এই সংস্কৃতিৰ বিকাশেৰেই ৰূপতীৰ্থৰ যাত্রী ৰূপকোঁৱৰ জ্যোতি প্রসাদ আগৰৱালাই প্রয়াস কৰিছিল গঢ়িবলৈ এক শিল্পীৰ পৃথিৱী— য'ত থাকিব কেৱল শিল্পী। "শিল্পী সংস্কৃতিৰ সম্পদৰ প্রদৰ্শক"। শিল্পীৰ কৰ্তব্য সুন্দৰৰ সৃষ্টি কৰা। মানৱ জাতিটোৰ চূড়ান্ত বিকাশত জগতক সুন্দৰ আৰু আনন্দময়ী কৰি তুলিবলৈ শিল্পীয়ে সপোন দেখে আৰু সেই সপোন বাস্তৱ কৰিবলৈ শিল্পীয়ে অহৰহ চেষ্টা চলাই যায়। শিল্পীৰ এই চেষ্টাৰ ফলতেই সৃষ্টি হয় সংগীত, কবিতা আৰু ছবি।

মোৰ সম্পাদকীয় কালছোৱাত পৃথকৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। প্রথমখন হ'ল কলেজ সপ্তাহ। কিন্তু মই দুখেৰে জনাব বিচাৰিছো যে মোৰ কাৰ্যকালত বিভিন্ন অসুবিধাবশতঃ সাংস্কৃতিক প্রতিযোগিতা সমূহ মাত্র চাৰি দিনতে শেষ কৰিব লগা হোৱা বাবে কিছুমান প্রতিযোগিতা, প্রতিযোগিতা তালিকাৰ পৰা বাতিল কৰিব লগা হয়। অনুষ্ঠিত হোৱা প্রতিযোগিতা বোৰতো প্রতিযোগীৰ সংখ্যা নিচেই তাকৰ, সেয়ে মই এই প্রতিবেদনৰ জৰিয়তে

আমাৰ কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনাও তেওঁলোকে যাতে আগলৈ সকলো ধৰণৰ প্ৰতিযোগিতাত যোগদান কৰে। আমাৰ কলেজৰ বাদ্যযন্ত্ৰ আৰু স্থায়ী মঞ্চৰ অভাৱো বিশেষ মন কৰিবলগীয়া। উন্নত বাদ্যযন্ত্ৰৰ অভাৱত বহুতো ছাত্ৰই নিজৰ প্ৰতিভা প্ৰকাশ কৰাত অসুবিধা পায়। তাৰোপৰি প্ৰতি বছৰে অস্থায়ী মঞ্চত এক বৃহৎ পৰিমাণৰ খৰচ হয়, যিটো খৰচ স্থায়ী মঞ্চ সজাৰ জৰিয়তে নাইকিয়া কৰিব পৰা যায়। এই ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই চকু দিব বুলি আশা ৰাখিলো। মোৰ কাৰ্যাকালত আমাৰ কলেজৰ শ্ৰেষ্ঠ গায়ক নিৰ্বাচিত হয় শ্ৰীমহেশ হৰলালকা। কলেজ সপ্তাহৰ বঁটা বিতৰণী সভাৰ দিনা বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াইছিল অনাতাঁৰ শিল্পী বিদিপ দত্ত, আৰু এই কলেজৰেই প্ৰাক্তন ছাত্ৰ কবিন দাসে। মোৰ কাৰ্য্যকালত হোৱা আনতম সাংস্কৃতিক অনুষ্ঠান হ'ল নৱাগত আদৰণি সভা। এই অনুষ্ঠানটিও খুব উলহ-মালহেৰে পালন কৰা হয়। নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আছিল অনাতাঁৰ তথা বোলছবি জগতৰ নেপথ্য গায়ক অসীম হাজৰিকা আৰু শান্তা উজীৰ (শৰ্মা)। দুৰ্য়োধন অনুষ্ঠানেই যিমান ভালদৰে পৰা যায় চলাই নিয়াইছো। অৱশেষ্য ছাত্ৰ-ছাত্ৰীক কিমানখিনি আনন্দ দিব পাৰিছো সেইটো তেওঁলোকৰ বিচাৰ্য্য। শেষত মোৰ অনিচ্ছাকৃত ভুলত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

মোৰ কাৰ্য্যকালত মোক বিভিন্ন ধৰণৰ উপদেশ দি তথা শাৰীৰিক ভাৱে সহায় কৰা বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ভুপেন ডেকাক প্ৰথমেই সুঁৱৰিছোঁ। ইয়াৰ পিচতেই মাননীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, শিক্ষাগুৰু শ্ৰীযুত ৰাম অৱতাৰ মাহেশ্বৰী, শ্ৰীযুত উৎপলানন্দ ডেকা, শ্ৰীযুত অৰুণ দাস, বাইদেউ শ্ৰীমতী ফুলকুমাৰী কলিতাক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো। মোক বিভিন্ন কামত সহায় কৰা প্ৰজ্ঞাৰ— প্ৰতাপদা, দীনেশদা, পঙ্কজদা, মুকুলদা, ছাত্ৰ বন্ধু— চন্দ্ৰশেখৰ, প্ৰাণজিৎ, তিলক, হিতেশ, কেশৱ, ভুলু, মনোজ, মহেশ, শিশিৰ, প্ৰৰূপ; বান্ধৱী— বন্দনা, ৰশ্মিৰেখা, অৰ্চনা, ওৱাহেদা, বীণা, সম্যাক মই পাহৰিব নোৱাৰো। লগতে সমূহ হোষ্টেল বাসীৰ অকৃপণ সহায় মোৰ মনত থাকিব। সদৌ শেষত বি, এইচ, কলেজৰ সৰ্ব্বাঙ্গীণ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছো।

জয়তু বি, এইচ, কলেজ ছাত্ৰ একতা সভা
জয়তু বি, এইচ, কলেজ
জয় আই অসম

শ্ৰীধীৰেন দাস
সাংস্কৃতিক সম্পাদক



# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে অসম অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

যোৱাবাৰৰ নিচিনা এইবাৰো ছাত্ৰ-ছাত্ৰী সকলে বিচৰা মতে প্ৰধান অধ্যক্ষ মহোদয়ে ১৯৮৬-৮৭ চনৰ ছাত্ৰ-একতা সভালৈ মোক মনোনীত কৰে। ১৯৮৪-৮৫ চনতো ছাত্ৰ-একতা সভাত ছাত্ৰ জিৰণি কোঠাত সম্পাদক ৰূপে মনোনীত হৈছিলো। পুনৰ অধ্যক্ষ মহোদয়ে আৰু ছাত্ৰ-ছাত্ৰীয়ে মোক গুৰু খেল বিভাগৰ সম্পাদকৰ পদত মনোনীত কৰি শিক্ষানুষ্ঠানখনক প্ৰত্যক্ষভাৱে সেৱা আগবঢ়াব দিয়াত কলেজ কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

যোৱা ১৭-১২-৮৬ ইং তাৰিখে অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত আৰু অধ্যাপক-অধ্যাপিকা লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত গুৰু খেল বিভাগৰ সম্পাদকৰ দায়িত্ব দিয়াৰ উপৰিও শিক্ষানুষ্ঠানখনৰ প্ৰতি লক্ষ্য ৰাখি ঐক্য, শান্তি, সম্প্ৰীতিৰ মাজেৰে কাম কৰি যাবলৈ শপত গ্ৰহণ কৰোৱায়। সেই পথেৰেই খেলা-ধূলাক উন্নত কৰিবলৈ আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতে সুবিধা মতে খেলা-ধূলাত যোগদান কৰি কৃতিত্ব দেখুৱাব পাৰে তাৰ চেষ্টাৰে কাম কৰি আহিছো বুলি মোৰ দৃঢ় বিশ্বাস।

মই গুৰু খেল বিভাগৰ সম্পাদকৰ পদত কাৰ্যনিৰ্বাহ কৰা কালছোৱাত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ত প্ৰতিশ্ৰুতি দিছিলো যদিও সীমিত সময় আৰু নিৰ্দ্ধাৰিত পুঁজিৰ বাবে মই প্ৰতিশ্ৰুতি পালন কৰাত বিভিন্ন দিশত অসুবিধাত পৰিব লগা হৈছিল। তাৰ বাবে মই দুঃখিত।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি কলেজ সপ্তাহৰ মাজেৰেই প্ৰথমে মোৰ কাম আৰম্ভ কৰো।

কলেজ সপ্তাহ উপলক্ষে গুৰু খেল বিভাগ মুকলি কৰে প্ৰধান উপাধ্যক্ষ শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ দাসে। এইবাৰৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহেৰে খেল খেলিবলৈ লোৱা পৰিলক্ষিত হৈছে। প্ৰতিযোগিতাসমূহ শ্ৰেণী ভিত্তিত অনুষ্ঠিত কৰা হৈছিল। তাৎপৰ্যপূৰ্ণ প্ৰতিদ্বন্দ্বিতাৰে এইবাৰ ক্ৰিকেট আৰু ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছিল। ক্ৰিকেটৰ চূড়ান্ত খেলত স্নাতক প্ৰথম বাৰ্ষিক (বানিজ্য) বিভাগে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা) বিভাগক পৰাজিত কৰি বিজয়ীৰ ধ্বজা উৰুৱাই স্বৰ্গীয় সুৰেন্দ্ৰ নাথ দাস সোঁৱৰণী বঁটা লাভ

কৰে। ফুটবল চূড়ান্ত খেলতো স্নাতক প্ৰথম বাৰ্ষিক (বাণিজ্য) শাখাই স্নাতক দ্বিতীয় বাৰ্ষিক (কলা) বিভাগক পৰাজিত কৰি স্বৰ্গীয় অক্ষয় কুমাৰ দাস সোঁৱৰণী বঁটা লাভ কৰে। ক্ৰিকেটত Man of the series সন্মান লাভ কৰে— এন্টনী দাসে। আৰু ফুটবলত শ্ৰীদ্বিজেন ব্ৰহ্মই শ্ৰেষ্ঠ বঁটা লাভ কৰে। ইয়াৰ উপৰিও শিক্ষকবৃন্দ আৰু ছাত্ৰৰ মাজত এখন আকৰ্ষণীয় ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল।

এই বছৰটোত টিহু কলেজত অনুষ্ঠিত হোৱা আন্তঃফুটবল প্ৰতিযোগিতাতো যোগদান কৰি আমাৰ কলেজে প্ৰথম দুখন খেলত দক্ষতা অৰ্জন কৰি কোৱাৰ্টাৰ ফাইনেললৈ প্ৰবেশ কৰিছিল। সৌভাগ্যৰ কথা যে, এই খেলতে আন্তঃবিশ্ববিদ্যালয় ফুটবল খেললৈ আমাৰ কলেজৰ দুজন খেলুৱৈক প্ৰশিক্ষণৰ বাবে মনোনীত কৰে। নৱাগত আদৰণি সভা আৰু স্বাধীনতা দিৱসতো প্ৰতিদ্বন্দ্বিতামূলক খেল অনুষ্ঠিত কৰা হৈছিল।

গুৰু খেল বিভাগৰ সম্পাদকৰ দায়িত্বত থাকি মই বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছিলো তাৰ ভিতৰত উপযুক্ত পুঁজিৰ অভাৱ, উপযুক্ত প্ৰশিক্ষণৰ অভাৱ। আমাৰ মহাবিদ্যালয়ত প্ৰশিক্ষণৰ ব্যৱস্থা নোহোৱাত খেলুৱৈসকলে অসুবিধাৰ সন্মুখীন হৈছে। বৰ্ত্তমান খেলা-ধূলাক জাতীয় জীৱনৰ অংগ হিচাবে লোৱা হৈছে। এনে এটি মুহূৰ্ত্তত আমাৰ কলেজৰ খেলা-ধূলা আৰু খেল পথাৰখন অতি নিম্ন খাপৰ। খেল পথাৰখনৰ পুতৌ লগা অৱস্থাই আমাক দুঃখিত কৰি তুলিছে। বৰষুণৰ বতৰত গোটেই পথাৰখন বোকাময় হৈ উঠে। খেল চলি নথকা অৱস্থাত গোটেই পথাৰখন গৰু-ছাগলীৰে ভৰি থাকে। যেন পথাৰখন চৰকাৰী বিৰ্জাডহে। পথাৰখনৰ সংৰক্ষণৰ অভাৱতেই এইবোৰ হোৱা যেন লাগে। প্ৰতি বছৰে গুৰু খেল বিভাগৰ সম্পাদকে তেওঁলোকৰ প্ৰতিবেদনত অসুবিধাসমূহ উল্লেখ কৰিছে যদিও আজি সমাধান হোৱা আজিলৈ দেখা নাই। সেইবাবে কলেজ কৰ্তৃপক্ষক দৃষ্টি গোচৰ কৰালো।

উপৰোক্ত অসুবিধা সমূহ কাৰ্যকৰী কৰাৰ বাবে আশোৰে বাট চালো লগতে কলেজ কৰ্তৃপক্ষক টানি অনুৰোধ জনালো যাতে আগলৈ ছাত্ৰ-ছাত্ৰী সকলে অসুবিধাৰ সন্মুখীন নোহোৱাকৈ খেল সমূহত যোগদান কৰিব পাৰে। উপযুক্ত খেলৰ পৰিবেশ সৃষ্টি হলে নিশ্চয় প্ৰতিভাসম্পন্ন খেলুৱৈ সকলে অসমৰ আকাশত বিজয়ীৰ সন্মান লাভ কৰিব।

মই কাৰ্যনিৰ্বাহ কৰা কালচোৱাত বিভিন্ন সময়ত বিভিন্ন দিশত মই পৰামৰ্শৰ লগতে
সহায় সহযোগ কৰা শিক্ষাগুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী সকলক কৃতজ্ঞতাৰে সোঁৱৰিছোঁ। —
সেইসকলৰ ভিতৰত আছে — শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাস, উপাধ্যক্ষ মহোদয় শ্ৰীগিৰীন্দ্ৰ
কুমাৰ দাস, অধ্যাপক— শংকৰ দাসগুপ্ত, সুশান্ত দত্ত, ৰবীন দাস, নিৰ্মল কুমাৰ জৈন,
ভগীন চৌধুৰী, ৰাম অৱতাৰ মাহেশ্বৰী, হংস বৰ চৌধুৰী, ৰমেশ দাস, ৰমেন দাস, ৰবীন
ভট্টাচাৰ্য, কৃষ্ণকিংকৰ মহন্ত, আৰু গুৰুখেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীউৎপলানন্দ ডেকাই
প্ৰতিটো মুহূৰ্তত পৰামৰ্শৰ লগতে শাৰীৰিকভাৱে সহায় সহযোগ কৰি মোৰ কাৰ্য্য সম্পাদন
কৰাৰ বাবে তেওঁক কৃতজ্ঞতাৰ লগতে শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। ইয়াৰ উপৰিও বন্ধু সকল ক্ৰমে—
প্ৰতাপ, নিবাৰণ, অমৰ, নিৰাঞ্জন, মুকুট, মণিদীপ, বিজয়, মংগল, হিতেশ, এন্টনী, এলিচ,



ধ্ৰুৱ, অৰূপ, ৰমেশ, ৰেজাউল, চবিকুল, মদন, এলি, দীপ, মধু, পৱেন, শিশিৰ আৰু বি, এইচ, কলেজ ছাত্ৰ-একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীঅশোক কুমাৰ দাসে মোৰ কাৰ্যকাল ছোৱাত বিশেষভাৱে সহায় কৰা হেতুকে তেওঁক কৃতজ্ঞতাৰে সোঁৱৰিছোঁ। বান্ধৱী সকলৰো শলাগ নলৈ নোৱাৰিলো তেওঁলোকৰ ভিতৰত আছে— কল্পনা, বন্দনা, হেলেন, প্ৰবীণা, দীপালী, প্ৰভা, সুপ্ৰিয়া, সুনীতি বিতু, তুলু, হিমানী, বীণা, লিপিকা, অম্বালিকা, ৰশ্মি, কুন্দকুমাৰী, আৰু আকাশী। প্ৰাক্তন ছাত্ৰ সকল - ৰবেন, লংকে, নলেশ্বৰ, মৃগেন, ৰতন, কাৰ্ত্তিক, মহেন্দ্ৰ আৰু নিকুঞ্জ।

প্ৰতিবেদনৰ শেষত ঐতিহ্যমণ্ডিত বি, এইচ, কলেজৰ উত্তৰোত্তৰ কামনা কৰি অসমী আইৰ নাম উজ্জ্বলোৱাৰ আশা ৰাখি সমূহ বি, এইচিয়ানলৈ শুভেচ্ছা আৰু অভিনন্দন জনাই প্ৰতিবেদন সামৰিছোঁ।

জয়তু বি, এইচ, কলেজ ছাত্ৰ একতা সভা
জয় আই অসম ॥

পংকজ বৈশ্যৰাগী
সম্পাদক, গুৰু খেল বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ প্ৰতিবেদন।

অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদসকললৈ
গভীৰ শ্ৰদ্ধা নিবেদন কৰি প্ৰতিবেদনৰ আৰম্ভণি মেলিছো। ১৯৮৬-৮৭ ইং চনৰ বৰপেটা-
ৰোড হাউলী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা মনোনীত কৰি
'ঐক্যৰ প্ৰতীক' বি, এইচ, কলেজৰ দৰে মহান শিক্ষানুষ্ঠানৰ সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে
শ্ৰদ্ধাৰ অধ্যক্ষদেৱ, উপাধ্যক্ষদেৱ, শিক্ষাগুৰুবৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ
মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে কিমান সফল
হব পাৰিছো, তাৰ মূল্যাঙ্কনৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীৰ।

অন্য অন্য বছৰৰ দৰে এইবাৰো কলেজ সপ্তাহত, ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা
নানা খেলৰ আয়োজন কৰা হৈছিল। এই খেল সমূহৰ মূল উদ্দেশ্য হৈছে, ছাত্ৰ-ছাত্ৰীৰ
শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশ কৰা লগতে ছাত্ৰ-ছাত্ৰী সমূহৰ বন্ধুত্বৰ বান্ধোন দৃঢ় কৰা।
কিন্তু এই উদ্দেশ্য সম্পূৰ্ণৰূপে সফল হোৱা বুলি দাবী কৰিব নোৱাৰি। কিয়নো প্ৰতিযোগিতা-
সমূহত ছাত্ৰীৰ যোগদানৰ সংখ্যা তাকৰ আছিল। কেৱল মুষ্টিমেয় ছাত্ৰীহে এই প্ৰতিযোগিতা-
সমূহত যোগদান কৰা দেখা যায়। যি সময়ত 'ট্ৰেক কুইন' পি, টি, উষাই সমগ্ৰ এচিয়া
মহাদেশতে থলক লগাইছে, অসম জিয়াৰী মনালিছা বৰুৱা, মিঠু বৰুৱা, সুকন্যা চৌধুৰী,
পম্পা হাজৰিকা আদিয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত সুনাম অৰ্জন কৰিবলৈ
সক্ষম হৈছে তেনে ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাত ছাত্ৰীৰ যোগদান তাকৰ হোৱাটো

নিশ্চয় শোভনীয় নহয়। আগলৈ প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি পাব বুলি আশা কৰিলো। অৱশ্যে ছাত্ৰী জিৰণি কোঠাৰ দ্বাৰা আয়োজিত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰি নিজস্ব পাৰদৰ্শিতা দেখুৱাইছে আৰু ই অধিক সফল হৈছে। এই ক্ষেত্ৰত অধ্যাপিকা শ্ৰীমতী কুলকুমাৰী কলিতাৰ উৎসাহ আৰু উপদেশৰ বাবে মই অতি কৃতজ্ঞ। ভৱিষ্যতে যাতে এনে প্ৰদৰ্শনীৰ আয়োজন হৈ থাকে তাৰ আশা কৰিলো, কিয়নো ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশত সহায় হয়।

অভাৱ-অভিযোগ : ছাত্ৰী জিৰণি কোঠাৰ কিছুমান এনেকুৱা অভাৱ আছে, যিবোৰ পূৰণ কৰাতো অতি দৰকাৰ হৈ পৰিছে। সকলোৱে অনুভৱ কৰিছে যে ছাত্ৰীৰ সংখ্যা অনুপাতে ছাত্ৰী জিৰণি কোঠাটো তেনেই সৰু। ফলত জিৰণিৰতো প্ৰশ্নই নুঠে, বৰং থিয় দিবলৈকে ঠাই নহয়। বিশেষকৈ বৰষুণৰ দিনত এই সমস্যাটোৱে অধিক জটিল ৰূপ ধাৰণ কৰে। অতি পৰিতাপৰ কথা যে Toilet বোৰত ভাল পানীৰ আৰু দৰ্জাৰ সুব্যৱস্থা নাই। বাতৰি কাকত, আলোচনীৰ ব্যৱস্থা নথকাত ছাত্ৰী সকলে অৱসৰৰ সময়ত কিছু জ্ঞান আহৰণৰ পৰা বঞ্চিত হৈছে। টেবুল টেনিছ বোৰ্ডৰ অভাৱ বাৰেকৈয়ে উপলব্ধি কৰা হৈছে। অতি দুখৰ বিষয় যে প্ৰতি বছৰে এই সমস্যাসমূহ দেখুৱাই দিয়াতো এইবোৰ সমস্যা পূৰণ কৰাৰ কোনো পদক্ষেপ আজিলৈকে লোৱা হোৱা নাই। গতিকে কৰ্তৃপক্ষক এই অভাৱ সমূহ পূৰণ কৰি ছাত্ৰীৰ কষ্ট লাঘৱ কৰিবলৈ টানি অনুৰোধ জনালো।

কৃতজ্ঞতা স্বীকাৰ :— মোৰ কাৰ্যকালছোৱাত শ্ৰদ্ধাৰ অধ্যক্ষদেৱে প্ৰতি ক্ষেত্ৰতে মোক বহমূলীয়া উপদেশ দি সহায় কৰা বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞ। উপাধ্যক্ষদেৱ আৰু মোৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীমতী কুলকুমাৰী কলিতাদেৱে সকলো ক্ষেত্ৰতে সহায় তথা পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছো। ইয়াৰ উপৰিও অধ্যাপিকা হিৰণ শৰ্মা, অধ্যাপক অৰুণ পাঠক, নৰেশ গোস্বামী, ৰবীন দাস, এ, এইচ, খান, জে, বিশ্বাস, ভূৱীন চৌধুৰী আদিয়ে বিভিন্ন কামত সহায় কৰা বাবে, তেওঁলোকলৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। বান্ধৱী — দীপালী, হেলেনমণি, জ্যুৎনা, বিনীতাখাতু, ভগ্নী নাথ, পুনম, উষা, সন্ধ্যা- বিশ্বাস, হিমাদ্ৰী, শশী সিং, মধু চৌধুৰী, সবিতা মাহেশ্বৰী, বীণা, গীতাঞ্জলী দেৱী, ৰমণী ডেকা, জোৎস্না, নীতুখাতু, লগতে বন্ধু — হিতেশ, প'ল, চেৰিফুল, বেজাউল, ৰফিকুল, দিনেশ, মুন, মুকুট, প্ৰবীণ, গোলাপ, সুৰেশ, অৰূপ, যোগেশ, সাধাৰণ সম্পাদক প্ৰতাপ দাস আৰু ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক শ্ৰীঅশোক দাস আদিয়ে বিভিন্ন কামত সহায় কৰা বাবে তেওঁ- লোকৰ ওচৰত মই কৃতজ্ঞ। কলেজ কৰ্মচাৰী, মাননীয় কৰ্মকাৰদেৱ, গনি, ভালিম, বড়ো, মঙ্গল, বাহুক্ষোৰ আদিয়ে বিভিন্ন ধৰণে সহায় কৰা বাবে, তেওঁলোকলৈও কৃতজ্ঞতা যাচিছো।

সদৌ শেষত, মই কৰা অজানিত ভুল ক্ৰটীৰ বাবে ক্ষমা মাগি, বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিছো।

"জয়তু বি, এইচ, কলেজ"
'জয় আই অসম'

শ্ৰীমতী প্ৰভা দাস।
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

জয় জয়তে মই মোৰ আইক ভাৰ পাওঁ বুলি কওঁতে, নিজৰ দেশৰ কেঁচা মাটিৰ গোন্ধ থকা নিজৰ ভাষা, সংস্কৃতি আৰু স্বকীয় অস্তিত্বৰ হকে মাত মাতোতে যি সকলে মৃত্যুক নিবেদিছোঁ।
আঁকোৱালি ললে সেই সকল বীৰ শ্বহীদৰ ওচৰত মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

শিক্ষাৰ মিলন তীৰ্থ বি, এইচ, কলেজৰ দৰে এক মহান শিক্ষানুষ্ঠানৰ তৰ্ক আৰু আলোচনা চক্ৰৰ নিচিনা গুৰুত্বপূৰ্ণ বিভাগৰ সম্পাদকৰ পদৰ বাবে মোক মনোনীত কৰাৰ বাবে মাননীয় অধ্যক্ষ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকাল ছোৱাত মই কিমানখিনি সফলতা লাভ কৰিব পাৰিছোঁ সেইটো আপোনা- লোকৰ বিচাৰ্য্য বিষয়। এইবাৰৰ মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ দ্বাৰা আয়োজিত সাধাৰণজ্ঞান, কুইজ, তৰ্ক আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা উৎসাহজনক আছিল, যিটো আমাৰ বাবে অতি গৌৰৱৰ বিষয়। বৰ্তমান যুগ হৈছে প্ৰতিযোগিতাৰ যুগ। ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞানৰ পৰিসৰ শ্ৰেণীৰ পাঠ্য পুথিতে আবদ্ধ থকা নাই। ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন বিষয়ত থকা ৰাপ আৰু জ্ঞানৰ প্ৰতিফলন হ'ল কুইজ আৰু সাধাৰণজ্ঞান। বৰ্তমান যুগত কুইজৰ গুৰুত্ব আৰু আৱশ্যকতালৈ লক্ষ্য ৰাখি এই বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলক আগ্ৰহান্বিত কৰাৰ উদ্দেশ্যে মহাবিদ্যালয় সপ্তাহত আয়োজন কৰা কুইজ প্ৰতিযোগিতাত পোন প্ৰথম বাৰৰ বাবে অডিঅ'-ভিজুৱেল ( Audio-Visual ) ৰাউণ্ডৰ ব্যৱস্থা কৰা হয়। অইন বছৰবোৰৰ তুলনাত এই বছৰৰ কুইজ প্ৰতিযোগিতাখন কিছুপৰিমাণে উন্নত মানদণ্ড সম্পন্ন কৰিবলৈ যত্ন কৰা হৈছিল আৰু আমি আমাৰ প্ৰচেষ্টাত সম্পূৰ্ণ সফলতা লাভ কৰিছিলোঁ।

এই বাৰৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ দ্বাৰা আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা- সমূহত কৃতিত্ব লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ লগতে জিলা ভিত্তিত হোৱা তৰ্ক প্ৰতিযোগিতাত সাফল্য লাভ কৰা প্ৰতিযোগীজনলৈ মোৰ হিয়া ভৰা অভিনন্দন জনাইছোঁ।

মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায়ৰ হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাভাজন তত্বাৱধায়ক অধ্যাপক দিলীপ ৰঞ্জন দত্তদেৱ আৰু অধ্যাপক ৰমেন দাস দেৱক শ্ৰদ্ধাৰে সোঁৱৰিছো।

যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্য সুচাৰুৰূপে সম্পাদন কৰাত সহায় কৰিলে সেই সকলক মই পাহৰিব নোৱাৰোঁ।

সদৌ শেষত এই পবিত্ৰ শিক্ষানুষ্ঠানৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

॥ জয়তু বি, এইচ, কলেজ ছাত্ৰ একতা সভা ॥ জয়তু বি, এইচ, কলেজ ॥ জয় আই অসম ॥

ধন্যবাদেৰে—

খিৰোদ পাটগিৰী
সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে চিৰস্মৰণীয় ঐতিহ্যপূৰ্ণ ঐক্য সংহতিৰ প্ৰতীক পবিত্ৰ বি, এইচ্ কলেজৰ প্ৰতি মোৰ আন্তৰিক ভালপোৱা তথা শ্ৰদ্ধা নিবেদন কৰাৰ লগতে মোক লঘু খেল বিভাগৰ সম্পাদক হিচাপে মনোনীত কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় সমন্বিতে কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা, মৰমৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

১৯৮৬-৮৭ চনৰ ছাত্ৰ একতা সভাৰ লঘু খেল বিভাগৰ সম্পাদকৰ মহান কাৰ্যভাৰ গ্ৰহণ কৰি মই কিমানদূৰ সফলতা লাভ কৰিছো সেইখিনি বিচাৰ বিবেচনাৰ ভাৰ সংশ্লিষ্ট সকলোৰে ওপৰত এৰিলো।

বিগত প্ৰতি বছৰৰ দৰে এইবাৰো "মহাবিদ্যালয় সপ্তাহ"ত লঘু খেল বিভাগৰ বিভিন্ন খেল সমূহ অনুষ্ঠিত কৰা হয়। অইন বছৰৰ তুলনাত এইবাৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে প্ৰতিদ্বন্দ্বিতা কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বঢ়াইছে। এই খেল সমূহত উৎসাহী প্ৰতিযোগীসকলে অংশ গ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱাৰ উপৰিও যি সকলে কৃতিত্ব অৰ্জন কৰিছে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ তৰফৰ পৰা হিয়াভৰা অভিনন্দন জ্ঞাপন কৰিছো। লগতে মই সম্পাদক হিচাপে এইখিনিতে উনুকিয়াব খোজো যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰৰ খেলা-ধূলাত মনযোগ থাকিলেও ইয়াৰ মানদণ্ড সিমান সন্তোষজনক নহয়। খেলা-ধূলা বৰ্তমান শিক্ষাজগতৰ এক অপৰিহাৰ্য্য অংগ হৈ পৰিছে। সেয়েহে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলক মই বিনম্ৰভাৱে অনুৰোধ কৰো যাতে তেওঁলোকে এই বিষয়ত বিশেষভাৱে মনোযোগ দিয়ে। আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ দক্ষতাক সুপ্ত ৰাখি কাজকুৰীয়াৰ মনোভাৱ লৈ আগবাঢ়ি আহিব নোখোজে তেওঁলোকে যাতে নিজ প্ৰতিভা বিকাশৰ মানসেৰে দক্ষতা প্ৰকাশ কৰাৰ আশা বুকুত বান্ধি লৈ কৰ্ম পথত আগবাঢ়ি আহে তাৰ বাবে মই এই সুযোগতে অনুৰোধ জনাই থলো।

কৃতজ্ঞতা স্বীকাৰ :— প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকাল ছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায় কৰাৰ বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক নিৰ্মল জৈনদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰম। ইয়াৰ উপৰিও "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে মোৰ কাৰ্য্য ক্ৰমনিকাত উপদেশ দিয়াৰ বাহিৰেও শাৰীৰিক ভাবে সহায় কৰা মোৰ মৰমৰ বন্ধু অৰুণ জৈন, দিলীপ জৈন, সন্দীপ চৌধুৰী, বিমল ওজা, বিজু আগৰৱালা, মনোজ শৰ্মা আৰু শিশিৰ দাসৰ লগতে বাইদেউ সকল যথাক্ৰমে— পূৰৱ চৌধুৰী, চন্দা বিশ্বাস, মধু চৌধুৰী আৰু ৰশ্মিৰেখালৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকাল ছোৱাত অজানিতে কৰা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি বি, এইচ্ কলেজৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

"জয়তু বি, এইচ্ কলেজ"

ৰমেশ জৈন
সম্পাদক, লঘুখেল বিভাগ



# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক বি, এইচ, কলেজৰ সমাজ সেৱা সম্পাদক ৰূপে পৰিচয় দিবলৈ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ লগতে মাননীয় অধ্যক্ষ মহোদয়ৰ সমন্বিতে কলেজৰ সমূহ অধ্যাপক-অধ্যাপিকা সকললৈ শ্ৰদ্ধাৰ অঞ্জলি যাচিছো।

বহুত আশা আৰু এক মহান প্ৰতিশ্ৰুতিৰে সমাজ সেৱা বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰিছিলো। কিন্তু তাত কিমানদূৰ সফল হব পাৰিছো সেইখিনি মূল্যায়ন কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছত "কলেজ সপ্তাহ" আৰম্ভ হয়। কলেজ সপ্তাহ উপলক্ষে "সমাজ সেৱা" বিভাগৰ তৰফৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত "কৰ্ম প্ৰতিযোগিতাৰ" আয়োজন কৰা হয় আৰু শ্ৰেষ্ঠ কৰ্মীলৈ বঁটা আগবঢ়োৱা হয়। উক্ত প্ৰতিযোগিতাত কলেজৰ চাৰিওফালে থকা আবৰ্জনাবোৰ পৰিষ্কাৰ কৰাৰ উপৰিও কোঠাবোৰো পৰিষ্কাৰ কৰা হয়।

সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰি অনুভৱ কৰিব পাৰিছো যে আমাৰ কলেজৰ সমাজ সেৱা বিভাগৰ স্বেচ্ছাসেৱক-সেৱিকাৰ তুলনাত কাম কৰাৰ সা-সৰঞ্জামৰ পৰিমাণ তেনেই কম, ফলত বেছিভাগ স্বেচ্ছাসেৱক-সেৱিকাই অহৰহ ভাৱে কামত ব্ৰতী হব নোৱাৰে। তাৰোপৰি সা-সৰঞ্জামবোৰ ৰাখিবলৈ উপযুক্ত ঠাইৰ অভাৱ। তাৰ ফলত সামগ্ৰীসমূহ নষ্ট হয় বা হেৰুৱায়। সেয়েহে মই এই প্ৰতিবেদনৰ জৰিয়তে কলেজ কৰ্তৃপক্ষক অনুৰোধ জনাও যাতে ভৱিষ্যতলৈ সা-সৰঞ্জামবোৰ ক্ৰয় কৰি নিৰাপত্তামূলকভাৱে ৰখাৰ ব্যৱস্থা কৰে।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায় কৰা বাবে অধ্যক্ষ শ্ৰীযুত সত্যনাথ দাসদেৱ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক ৰাধা চৰণ ৰাভাদেৱৰ লগতে অধ্যাপক ৰমেশ দাস, সুধীৰ দেৱ নাথ আৰু অধ্যাপিকা হিৰণ শৰ্মাৰ শলাগ লোৱাৰ লগতে তেখেত সকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো।

তাৰোপৰি মোক বিভিন্ন কামত সহায় কৰাৰ বাবে বন্ধু-বান্ধৱী ক্ৰমে ৰমনী পাঠক, দিজেন ব্ৰহ্ম, প্ৰতাপ দাস, নিৰেন বড়ো, তৰুণ দৈমাৰী, পঙ্কজ পাঠক, বকুল পাল, খগেন দাস, হেমচৰণ দাস, চামচুল আলী, গিৰিজা দাস, প্ৰভা দাস, মনোৰমা ব্ৰহ্ম, চোফিয়া বেগমৰ লগতে শেষত শিশিৰ দাসক কেতিয়াও পাহৰিব নোৱাৰো।

সদৌ শেষত বি, এইচ, কলেজৰ দীৰ্ঘায়ু তথা উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে মোৰ অজানিতে ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছো।

"জয়তু বি, এইচ, কলেজ"

বিজয় কুমাৰ বড়ো
সম্পাদক, সমাজ সেৱা বিভাগ।

# সাহিত্য চ'ৰাৰ মঞ্চৰ পৰা—

'বি. এইচ. কলেজ সাহিত্য চ'ৰা' কলেজখনৰ সাহিত্য চৰ্চাৰ একমাত্ৰ অনুষ্ঠান। জনা-বলৈ পাই সুখী হৈছো যে, এই সাহিত্য চ'ৰাৰ যোগেদি বহুতো প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভাৰ বিকাশত সুযোগ পাইছে আৰু তেওঁলোকৰ সুপ্ত চিন্তাই গল্প, কবিতা, প্ৰবন্ধ সমালোচনা আদিৰ যোগেদি প্ৰাণ পাই উঠিছে। আমি নিশ্চয়কৈ আশা কৰিব পাৰো যে, এই সকল ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাৰ যোগেদি ভৱিষ্যতত জাতীয় সাহিত্যৰ বিকাশত বৰঙণি যোগাব। লগতে এই কথা নিসন্দেহে কব পাৰি যে, আমাৰ সাহিত্য চ'ৰাৰ যোগেদি যিখিনি সাহিত্যৰ সৃষ্টি হৈছে সিখিনি সাম্প্ৰতিক আলোচনী, পত্ৰিকা সমূহৰ লিখনি সমূহতকৈ কোনো গুণে কম মানদণ্ডৰ নহয়। বিশেষকৈ কবিতা সমূহৰ ক্ষেত্ৰত এই কথা সজোৰে কব পৰা যায়। এতিয়া আহো সাহিত্য চ'ৰাৰ জন্মলগ্নলৈ।

১৯৮৬ চনৰ ২৭ চেপ্তেম্বৰ শনিবাৰ। জীপ্‌জীপীয়া বৰষুণৰ বতৰ। সেই সময়ৰ বি. এইচ. কলেজ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিতেশ দাস। তেওঁ উপলব্ধি কৰিলে যে, কলেজখনত সাহিত্য চৰ্চাৰ কাৰণে এটা অনুষ্ঠানৰ খুবেই প্ৰয়োজন। কিয়নো কলেজৰ একমাত্ৰ বছেৰেকীয়া মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট নহয়। সেইহেতু তেওঁ এই বিষয়ত সচেতন হয় আৰু অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে অধ্যাপক, অধ্যাপিকা আৰু কিছু ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰি এখন সাধাৰণ সভা আহ্বান কৰে। সভাত সভা-পতিত্ব কৰিছিল অধ্যক্ষ শ্ৰীযুত সত্য নাথ দাসদেৱে। সেইদিনা আমি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যথেষ্ট উৎসাহ উদ্দীপনা দেখা পাইছিলো। সভাত সাহিত্য চ'ৰাৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে অধ্যাপিকা শ্ৰীমতী স্বৰ্ণকুমাৰী কলিতা বাইদেউৱে। লগতে অধ্যক্ষ মহোদয় আৰু আন আন অধ্যাপক, অধ্যাপিকা সকলেও এনে এটা অনুষ্ঠান গঢ়াৰ উৎসাহ দেখি আনন্দ প্ৰকাশ কৰে আৰু এখন কাৰ্য্যকৰী কমিটি গঠন কৰিবলৈ প্ৰস্তাৱ কৰে। সেই মৰ্মে অধ্যাপক শ্ৰীযুত ৰবীন্দ্ৰ নাথ ভট্টাচাৰ্য্যদেৱক সভাপতি আৰু শ্ৰীধ্ৰুৱ কুমাৰ তালুকদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি ২৫ জনীয়া কাৰ্য্যকৰী কমিটি গঠন কৰা হয়। ইয়াতে প্ৰত্যেক শ্ৰেণীৰ পৰা দুজনকৈ শ্ৰেণী প্ৰতিনিধি লোৱা হয়। সভাত নৱ নিৰ্বাচিত সভাপতিদেৱে 'আজিৰ সাহিত্য' নাম দি এখন সাপ্তাহিক প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ সিদ্ধান্ত লয়। এইদৰে বি. এইচ. কলেজ সাহিত্য চ'ৰাৰ সেই ঐতিহাসিক দিনটোৰ সামৰণি পৰে।

ইয়াৰ পিছত আৰম্ভ হয় এবছৰৰ বাবে সাহিত্য চ'ৰাৰ কৰ্মব্যস্ততা। সাধাৰণ সভাত লোৱা সিদ্ধান্ত মৰ্মে শ্ৰীতালুকদাৰৰ সম্পাদনাত 'আজিৰ সাহিত্য' নামৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। উল্লেখযোগ্য যে, ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহাৰিয়ে ইয়াক বাস্তৱত ৰূপ দিয়ে। এই সময়ত একেলগে বহুজনে কবিতা, গল্প লিখিবলৈ লয়। তেওঁলোকৰ ভিতৰত প্ৰতাপ দাস, হিতেশ দাস, দীনেশ দাস, সুনীতি কলিতা, ৰাজেন শৰ্মা, শিশিৰ দাস, জয়ন্ত নাথ আদিৰ কথা উল্লেখযোগ্য। আমি মোটামুটিকৈ কব পাৰো যে এওঁলোকৰ গল্প, কবিতাত, প্ৰেম-প্ৰীতি, বিদ্ৰোহ, সম্প্ৰীতি আৰু সাম্প্ৰতিক সমাজৰ নানা জৈৱিক সমস্যাৰ প্ৰতিচ্ছবি সুন্দৰভাৱে ফুটি উঠিছে।



এইদৰে 'বি. এইচ. কলেজ সাহিত্য চ'ৰা'ই এবছৰ অতিক্ৰম কৰিলে। সাহিত্য চ'ৰাৰ প্ৰথম বাৰ্ষিক অধিবেশনত বিগত বছৰটোৰ বিভিন্ন কাৰ্য্যাৱলীৰ পৰ্য্যালোচনা কৰা হয়। অধিবেশনত সভাপতিত্ব কৰে উপাধ্যক্ষ শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ দাসদেৱে। তেখেতে সাহিত্য চ'ৰাৰ এবছৰৰ কাৰ্য্যাৱলীৰ শলাগ লয় আৰু নতুন বছৰত সাহিত্য চ'ৰাক অধিক কাৰ্য্যক্ৰম কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সভাত চ'ৰাৰ প্ৰথম কাৰ্য্যকৰী সভাপতি অধ্যাপক ভট্টাচাৰ্য্য-দেৱে তেওঁৰ কাৰ্য্যকালৰ এটা চমু ইতিহাস দাঙি ধৰে আৰু সকলো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকা সকলক সাহিত্য চ'ৰাৰ উন্নতিৰ হকে সকলো প্ৰকাৰৰ সহায় সহযোগ কৰিবলৈ আহ্বান জনায়। সভাত নতুন বছৰৰ বাবে এখন কাৰ্য্যকৰী কমিটি গঠন কৰা হয়। এইবাৰ কমিটিখন ৪১ জনীয়া কৰা হয়। অধ্যাপক শ্ৰীযুত শংকৰ দাসগুপ্তদেৱক সভাপতি আৰু মোক চ'ৰাৰ কাৰ্য্যকৰী সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়ে। এইবাৰ নতুন বছৰৰ বাবে আগৰ সম্পাদক শ্ৰীধ্ৰুৱ কুমাৰ তালুকদাৰক পত্ৰিকা সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। নতুন বছৰৰ বাবে বহুতো নতুন পৰিকল্পনা হাতত লোৱা হয়।

এইবাৰ 'আজিৰ সাহিত্য'ই ছাত্ৰ-ছাত্ৰীৰ মাজত অধিক প্ৰেৰণাৰ সৃষ্টি কৰা আমি দেখা পাইছো। যোৱা বছৰৰ কবি- সাহিত্যিক সকলৰ উপৰিও এইবাৰ বহুতো নতুন কবি, সাহিত্যিকে কবিতা, গল্প লিখিবলৈ লয়। ইয়াৰোপৰি এইবাৰ 'আজিৰ সাহিত্য'ৰ বুকুত সমালোচনাও প্ৰকাশ হোৱা দেখা পাই আনন্দিত হৈছো। এইবাৰ নতুনকৈ গল্প, কবিতা লিখিবলৈ লোৱা সকলৰ ভিতৰত নজৰুল, স্বপন, বিৰাজ, ধনজিৎ, অশোক, প্ৰানজিৎ, জাহাংগীৰ, সাহাবউদ্দিন, যতীন, অৰূপ, নিগম, মধু, দিলীপ, অৰবিন্দ, বংকিম, গীতামণি, জোৎস্না, বিভা, ফুলৰা আদি উল্লেখযোগ্য। সমালোচনা সমূহ বিশেষকৈ লিখিছে ধ্ৰুৱ, ৰাজেন, যতীন, প্ৰদীপ, বিৰাজ আদিয়ে। 'আজিৰ সাহিত্য'ৰ বুকুতে স্কেচ্, আৰু গল্প, কবিতাৰ ব্যাখ্যা চিত্ৰৰ শিল্পী হিচাপে আত্ম প্ৰকাশ কৰে মনজিৎ দাস আৰু গোপদেৱ ডেকাজনীয়ে। এই সকল ছাত্ৰ-ছাত্ৰীৰ উপৰিও আৰু বহুতো ছাত্ৰ-ছাত্ৰীয়ে মাজে মাজে দুটা এটা গল্প, কবিতা আদি লিখিছে। সেই সকল ছাত্ৰ-ছাত্ৰীৰ নাম আমি এই ক্ষুদ্ৰ প্ৰতিবেদনত দিব নোৱাৰাৰ বাবে দুঃখিত। ছাত্ৰ-ছাত্ৰীৰ লিখাৰ মানসিকতা ইমান বেছি হয় যে আমি আশা কৰাতকৈ যথেষ্ট বেছি সহাৰি পাইছিলো। যাৰ বাবে আমি ছাত্ৰ-ছাত্ৰীৰ লিখা সমূহক আজিৰ সাহিত্যত প্ৰকাশ কৰি উৎসা-প্ৰেৰণা দিয়াৰ কাৰণে প্ৰাচীৰ পত্ৰিকাখন সাপ্তাহিকৰ পৰিবৰ্তে অৰ্দ্ধসাপ্তাহিক কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰো।

আজি এই সময়ত আমি চ'ৰাৰ তৰফৰ পৰা অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, অধ্যাপিকা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। পুনৰায় আমি সেইজন মহানুভৱ ছাত্ৰ বন্ধু বি. এইচ. কলেজ সাহিত্য চ'ৰাৰ প্ৰথম আৰু প্ৰধান উদ্যোক্তা হিতেশ দাসক আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। 'আজিৰ সাহিত্য'ৰ সমূহ লিখক-লিখিকালৈকে শুভাশীষ জনাইছো— তেওঁলোকৰ সাধনাই কৃতকাৰ্য্যতা লাভ কৰক আৰু জাতীয় সাহিত্যলৈ বৰঙণি যোগাওক। 'জয়তু বি. এইচ. কলেজ সাহিত্য চ'ৰা' 'জয়তু বি. এইচ. কলেজ' 'জয় আই অসম'

উৎপলেন্দ্ৰ কলিতা
সাধাৰণ সম্পাদক, বি. এইচ. কলেজ সাহিত্য চ'ৰা।

# ১৯৮৬-৮৭ চনৰ বাৰ্ষিক 'কলেজ সপ্তাহ'ৰ ফলাফল

## সাংস্কৃতিক বিভাগ

বৰগীত—
১ম অনিতা দেৱী (স্নাঃ ২য় কলা)
২য় মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
৩য় চন্দা বিশ্বাস (স্নাঃ ২য় কলা)

লোকগীত—
১ম ওৱাহেদা বেগম (একাদশ কলা)
২য় চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
অনিতা দেৱী (স্নাঃ ২য় কলা)
৩য় মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
তিলক গোস্বামী (স্নাঃ ১ম বানিজ্য)

জ্যোতি সংগীত—
১ম অনিতা দেৱী (স্নাঃ ২য় কলা)
২য় চন্দা বিশ্বাস (" " ")
৩য় অৰূপ বায়ন (স্নাঃ ১ম কলা)

ৰাভা সংগীত—
১ম চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
২য় অনিতা দেৱী (" " ")
৩য় মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)

আধুনিক গীত—
১ম চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
২য় অৰ্চনা শায়ন (স্নাঃ ১ম কলা)
৩য় মিঠু ৰয় (স্নাঃ ২য় কলা)

জনজাতীয় সংগীত—
১ম মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
২য় ওৱাহেদা বেগম (একাদশ কলা)
৩য় ব্ৰজেন দাস (স্নাঃ ২য় কলা)

হাজৰিকা সংগীত—
১ম চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
২য় মিঠু ৰয় (" " ")
৩য় অনিতা দেৱী (" " ")
ৰাজকুমাৰ জৈন (" " বানিজ্য)

গজল—
১ম মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
২য় মিঠু ৰয় (" ২য় কলা)
৩য় ওৱাহেদা বেগম (একাদশ কলা)

বিয়াগীত—
১ম মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
২য় ৰমনী ডেকা আৰু তেওঁৰ দল (স্নাঃ ২য় কলা)
৩য় মিঠু ৰয় (" " ")

বিহুগীত—
১ম বীণা দাস (স্নাঃ ১ম কলা)
২য় অৰূপ বায়ন (" " ")
৩য় চন্দা বিশ্বাস (" ২য় ")

যন্ত্ৰ সংগীত—
১ম মহেশ হৰলালকা (স্নাঃ ১ম বাণিজ্য)
২য় সুৰেশ ভট্টাচাৰ্য্য (" " ")
৩য় মধু দাস (স্নাঃ ১ম কলা)

ডেশজন প্ৰতিযোগিতা—
১ম নীলিমা নাথ (একাদশ কলা)
২য় ৰমনী পাঠক আৰু সঙ্গীবৃন্দ (একাদশ, কলা)
৩য় ভানু দাস (" ")
জাবনা দাস (" ")

দৰা-কইনা প্ৰতিযোগিতা—
১ম জ্যোৎস্না দাস (অসমীয়া দৰা) (স্নাঃ ৩য় কলা)
২য় ৰমনী ডেকা (বঙালী কইনা) (" " ")
৩য় দীপালী কলিতা (খৃষ্টান কইনা) (" " ")
ৰশ্মিৰেখা মহন্ত (মাৰোৱাৰী কইনা) (স্নাঃ ১ম বানিজ্য)

অসমীয়া আবৃত্তি—
১ম দীপালী কলিতা (স্নাঃ ৩য় কলা)
২য় জ্যোৎস্না দাস (" " ")
৩য় অঞ্জলি বৰ্মন (" ১ম ")

ইংৰাজী আবৃত্তি—
১ম দীপালী কলিতা (স্নাঃ ৩য় কলা)
২য় প্ৰবীণ মাহেশ্বৰী (" ২য় বানিজ্য)
৩য় ভাস্কৰজ্যোতি দাস (" " কলা)

হিন্দী আবৃত্তি—
১ম মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)
২য় প্ৰবীণ মাহেশ্বৰী (" ২য় ")
৩য় দিলীপ কুমাৰ জৈন (" " ")

বঙালী আবৃত্তি—
১ম চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
২য় চুম্ৰিয়া মজুমদাৰ (" " ")
৩য় পাপিয়া মিত্ৰ (একাদশ, কলা)

শ্ৰেষ্ঠ নাট— 'আহৈতুকী স্বদেশ প্ৰীতি'
মনজিৎ দাস (স্নাঃ ১ম কলা)
ধীৰেন দাস (স্নাঃ ২য় কলা)
বংকীম ভাগৱতী (" ১ম ")
ভাস্কৰজ্যোতি দাস (" ২য় ")

শ্ৰেষ্ঠ পৰিচালক—
গোবিন্দ চৌধুৰী (স্নাঃ ৩য় কলা)
নাট— 'দৃষ্টি'

শ্ৰেষ্ঠ অভিনেতা—
মনজিৎ দাস (একাদশ, বানিজ্য)

শ্ৰেষ্ঠা অভিনেত্ৰী—
জ্যোৎস্না দাস (স্নাঃ ৩য় কলা)

শ্ৰেষ্ঠ গায়ক—
মহেশ হৰলালকা (স্নাঃ ১ম বানিজ্য)

## তৰ্ক বিভাগ

সাধাৰণ জ্ঞান—
১ম হৰেন্দ্ৰ কুমাৰ কলিতা (স্নাঃ ৩য় কলা)
২য় মকবুল হুছেইন খান (" " ")
৩য় দীনেশ দাস (" ২য় বানিজ্য)

তৰ্ক প্ৰতিযোগিতা—
১ম মিচ্ চন্দা বিশ্বাস (স্নাঃ ২য় কলা)
২য় অনন্ত দেৱ গোস্বামী (স্নাঃ ১ম বানিজ্য)
৩য় মিচ্ কায়ুমা খানম (উঃ মাঃ কলা)

আকস্মিক বক্তৃতা—
১ম হানোৱাৰ আলহাজান (উঃ মাঃ ১ম কলা)
২য় ছাইফুদ্দিন আহমেদ (উঃ মাঃ ১ম কলা)
৩য় সুজয় জোৱাৰদাৰ (স্নাঃ ৩য় বানিজ্য)

কুইজ প্ৰতিযোগিতা—
প্ৰথম দল
উপেন্দ্ৰ নাথ দাস (স্নাঃ ১ম কলা)
শ্যামল চন্দ্ৰ বসু (" " বানিজ্য)
ৰফিকুল ইছলাম (" ২য় কলা)
দ্বিতীয় দল
প্ৰৱীণ মাহেশ্বৰী (স্নাঃ ২য় বানিজ্য)
দীপক আচাৰ্য্য (" ১ম বানিজ্য)
ইকবাল হুছেইন খান (স্নাঃ ২য় কলা)

ক্ৰীড়া বিভাগ—
স্বৰ্গীয় সুৰেন্দ্ৰ নাথ দাস সোঁৱৰণী আন্তঃ শ্ৰেণী ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ী দল— স্নাতক ১ম (বানিজ্য)

অমৰেন্দ্ৰ চৌধুৰী, অৰূপ কুমাৰ দাস, ভূদেৱ পাঠক, চিত্তৰঞ্জন পাণ্ডে (শ্ৰেষ্ঠ বলাৰ), অলিক কুমাৰ দাস, প'ল বৈৰাগী

চৌকত আলী, ৰমেশ জৈন ( শ্ৰেষ্ঠ বেট্‌চ-মেন), সুৰেন্দ্ৰ বোথ্‌ৰা, দুৰ্গেশ্বৰ চৌধুৰী, নিৰঞ্জন শৰ্মা, প্ৰদীপ বেঙ্গনী, কিশোৰ খেমৃকা ।

মেন অফ দা চিৰিচ— এন্টোনী দাস ( উঃ মাঃ ১ম কলা )

স্বৰ্গীয় অক্ষয় কুমাৰ দাস আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দল— স্নাতক ১ম ( বাণিজ্য )

শৈলেন্দ্ৰ দাস, ভুপেন চন্দ্ৰ নাথ, অমৰেন্দ্ৰ চৌধুৰী, গোপাল সাহা, বীৰেন কলিতা, তিলক গোস্বামী, হেম দাস, স্বৰ্গেশ্বৰ মোছাহাৰী, দীনেশ ৰয়, চিত্তৰঞ্জন চৌধুৰী চন্দ্ৰ শেখৰ ৰয়, বিজয় কুমাৰ বড়ো ।

শ্ৰেষ্ঠ ফুটবল খেলুৱৈ—

দ্বিজেন ব্ৰহ্ম ( স্নাতক ২য় কলা )

## ছাত্ৰী জিৰণি কোঠা

কেৰম ( একক )

১ম সবিতা মাহেশ্বৰী ( স্নাঃ ১ম বাণিজ্য )
২য় জহৰা বেগম ( স্নাঃ ২য় কলা )

কেৰম ( দ্বৈত )

১ম সবিতা মাহেশ্বৰী ( স্নাঃ ১ম বাণিজ্য )
মিনতি সাহা ( স্নাঃ ১ম কলা )
২য় প্ৰভা দাস ( " " " )
চন্দা বিশ্বাস ( স্নাঃ ২য় কলা )

চাইনিজ চেকাৰ

১ম ৰাহেদা বেগম ( উঃ মা ১ম কলা )
২য় হেলেনমণি দাস ( স্নাঃ ২য় কলা )

প্ৰদৰ্শনী— এ'ম-ব্ৰইডেৰি

১ম বিনীতা শ্বাহ ( স্নাঃ ১ম কলা )
২য় মিনতি সাহা ( " " " )
৩য় নীমা চৌধুৰী ( " " বাণিজ্য )

স্নহ-স্তিচ্

১ম মধু চৌধুৰী ( স্নাঃ ২য় বাণিজ্য )
২য় নীতা শ্বাহ ( উঃ মাঃ ১ম বাণিজ্য )
৩য় মিনতি সাহা ( স্নাঃ ১ম কলা )

ওভেন ক্লথ

১ম হেলেনমণি দাস ( স্নাঃ ২য় কলা )
২য় নীলিমা নাথ ( উঃ মঃ ১ম কলা )
৩য় দীপিকা নাথ ( " " " " )

পেইন্টিং

১মঃ জ্যোতিৰ্ময় দাস ( উঃমাঃ ১ম বাণিজ্য )

টিকট সংগ্ৰহ

১ম ওমপ্ৰকাশ শৰ্মা ( উঃ মাঃ ২য় বাণিজ্য )
২য় প্ৰবীণ মাহেশ্বৰী ( স্নাঃ ২য় বাণিজ্য )
৩য় মহেশ হাৰকালকা ( স্নাঃ ১ম বাণিজ্য )

মুদ্ৰা সংগ্ৰহ

১ম মন্টু কুমাৰ শৰ্মা স্নাঃ ১ম বাণিজ্য )
২য় দীপক কুমাৰ ধীৰাচাৰীয়া ( স্নাতক ১ম বাণিজ্য )
বিনীতা শ্বাহ ( স্নাতক ১ম কলা )

পুষ্প সজ্জা

৩য় সুপ্ৰিয়া মজুমদাৰ ( স্নাতক ২য় কলা )

পাণ্ডুলিপি

১ম ধ্ৰুব কুমাৰ তালুকদাৰ ( স্নাঃ ১ম কলা )

হেণ্ডি-ক্ৰেফ্‌ট

১ম গঙ্গাধৰ নাথ ( উঃ মাঃ ১ম কলা )
২য় বিজয় কুমাৰ খেমকা ( উঃ মাঃ ২য় বাণিজ্য )
৩য় বীণা মাহেশ্বৰী ( " " " " )



# আলোচনী বিভাগ

## সাহিত্য প্ৰতিযোগিতা

কবিতা

১ম নমিতা চৌধুৰী ( স্নাতক ৩য় কলা )
২য় দিলীপ চৌধুৰী ( " ১ম বাণিজ্য )
৩য় সুৰেন শৰ্মা ( " ৩য় " )

গল্প

১ম ভাস্কৰ জ্যোতি দাস ( স্নাঃ ২য় কলা )
২য় বীণা দাস ( " ৩য় " )
৩য় দীনেশ দাস ( " ২য় বাণিজ্য )
জ্যোৎস্না দাস ( " ৩য় কলা )

প্ৰবন্ধ

১ম অনিতা দেবী ( স্নাতক ২য় কলা )
২য় বিনোদ কুমাৰ ভট্টাচাৰ্য ( স্নাতক ৩য় বাণিজ্য )
৩য় ভাস্কৰ জ্যোতি দাস ( " ২য় কলা )

গীত

৩য় ভাস্কৰ জ্যোতি দাস (স্নাতক ২য় কলা)

ৰস ৰচনা

৩য় ভাস্কৰ জ্যোতি দাস (স্নাতক ২য় কলা)

## চিত্ৰ প্ৰতিযোগিতা

তৈল চিত্ৰ

১ম গোলাপ শৰ্মা ( স্নাতক ২য় বাণিজ্য )

পেঞ্চিল ড্ৰইং

১ম মনজিৎ কুমাৰ দাস ( স্নাঃ ১ম কলা )
২য় গোপদেৱ তৰাজী
৩য় গোলাপ শৰ্মা ( স্নাতক ২য় বাণিজ্য )
নাৰায়ণ তালুকদাৰ ( উঃমাঃ ২য় কলা )

পানী ৰং

১ম মিচ্ সুপ্ৰিয়া মজুমদাৰ ( স্নাতক ২য় কলা )
২য় জ্যোতিৰ্ময় দাস ( উঃমাঃ ১ম বাণিজ্য )
৩য় মনজিৎ কুমাৰ দাস ( স্নাঃ " " )

স্কেচ্

১ম মনজিৎ কুমাৰ দাস ( স্নাঃ ১ম কলা )
২য় খিবেচিত নহ'ল
৩য় গোলাপ শৰ্মা ( স্নাতক ২য় বাণিজ্য )

ক'লাজ

১ম মনজিৎ কুমাৰ দাস ( স্নাঃ ১ম কলা )
জ্যোতিৰ্ময় দাস ( উঃমাঃ ১ম বাণিজ্য )

বিঃ দ্ৰঃ— বিভিন্ন বিভাগীয় সম্পাদকৰ প্ৰতিবেদন আৰু বাৰ্ষিকৰ ফলাফল সমূহ আহ্বান কৰা হৈছিল যদিও আটাইবিলাক প্ৰতিবেদন আৰু ফলাফল আমাৰ হাতত নপৰিল । ইয়াৰ বাবে আমি দায়ী নহয় । —সম্পাদক ।

B. H. COLLEGE LIBRARY
P. O. HOWLY.
Dist. Barpeta (Assam)
Estd. : 1966
Dept. No......................
Acc. No......................

## পটন্তৰ :

১। থকাৰ এৰাকহে ত্যাগ বোলে।

২। পতনৰ পূৰ্বে গৰ্বৰ অভ্যুদয় হয়।

৩। শিল চিকুটিলে নখতহে দুখ পায়।

৪। কুশাসন বাঘতকৈও ভয়ানক।

৫। বোৱাৰ বতৰত কলেহে চপোৱাৰ বতৰত চপাব পাৰি।

৬। সংযম আৰু শালীনতাই ব্যক্তিত্ব গঢ়ে।

৭। সূৰ্যক ডাৱৰে ঢাকি ৰাখিব নোৱাৰে।

সংগ্ৰাহক : শিৱজ্ঞানন্দ দাস।
পৰাগ দাস।

## কৌতুক :

(১) এটা পগলা মানুহে এখন নগৰত তাৰ গাৰ সকলো কাপোৰ খুলি উলংগ হৈ ঘূৰি থকা সময়ত এজন পুলিচে তাক ধমকী দি সুধিলে— ঐ, তই এই ভদ্ৰ মানুহৰ মাজত দিনতে কিয় নাঙঠ হৈ ঘূৰি ফুৰিছা ?

তেতিয়া পাগলটোৱে ক'লে— মই এই কাপোৰখিনি লৈ ফুৰিছো। কিন্তু পিন্ধিবলৈ অকমান আঁৰ পোৱা নাই।

সংগ্ৰাহক— চাহাবউদ্দিন আহমেদ।

(২) পুলিচ থানাত এজন ল'ৰা— সোনকালে আহক চাৰ, এজন মানুহে মোৰ দেউতাক মাৰি আছে।

পুলিচ বিষয়া— আগতেই অহা নাছিলা কিয় ?

ল'ৰা – তেতিয়া মোৰ দেউতাই তাক মাৰি আছিল চাৰ।

সংগ্ৰাহক— ৰফিকুল হুছেইন।

কলেজৰ বিজ্ঞান বিভাগৰ নৱ-নিৰ্মিত ভৱনৰ একাংশ



B. H. COLLEGE LIBRARY
P. O. HOWLY,
Dist. Barpeta (Assam)
Estd. : 1966
Dept. No....
Acc. No....

ছপাশাল : জনসেৱা প্ৰেছ, বৰপেটা